
# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakhinath Bezbaroah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1925 (1847 Sak) | Edition: |
| Size: 22½ cms - 722 pages | Genre: Magazine |
| Volumes: 15 (1, 2, 3, 4, 5, 6, 7, 8, 9, 10, 11, 12, 15th) | Condition of the original: Brittle. |
| Remarks: Illustrated | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |




পঞ্চদশ বছৰ
১ম সংখ্যা

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"

১৮৪৭ শক
৭৮
বহাগ
১৯২৫


## নিৰ্ম্মালি

অনন্তৰ বীণাৰ তাঁৰৰ সৰি গ'ল আৰু এটি সুৰ
সেইটিক পাহৰাই থই বাজে আন এটি সুমধুৰ।
এইদৰে অনাদি কালৰ কত সুৰ গলগৈ লীন,
বাজি বল অদৃষ্ট দেৱৰ সম্মোহন একেখন বীণ!

আৰু কত সুৰ এইদৰে বাজি বাজি যাবলীয় হই,
তাৰ আদি অন্ত ইতিহাস কোনজনে কবলই?
ফুটি এটি ক্ষীণ প্ৰতিধ্বনি হৃদয়ত ৰ'ব গুমৰি,
সিও কিন্তু দুদিনৰ বাবে, তাকো কালে পেলাব সামৰি।

তেন্তে মহা কাল-সমুদ্ৰৰ পাৰৰ ই নীৰৱ গৰ্জ্জন
জগতক নিচুকাই যোৱা মাথোঁ এটি মধুৰ শ্ৰৱণ;
বাজে তাত কাল-দেৱতাৰ চৰণৰ বিজয় নূপুৰ
আৰু এই সসীম ধৰাৰ ভঙা-গঢ়া এটি সান্ত সুৰ।

লীন যায় তাৰ লগতেই কত গীত অগ্নি অজীণ,
হৃদয়ৰ স্নেহ-প্ৰীতি ভৰা, হৃদয়ৰ স্নেহ-প্ৰীতি হীন !
কিন্তু হায় এই সকলোটি খন্তেকীয়া সপোনৰ খেলা,
অনন্তৰ সমুদ্ৰ পাৰত চোৱাঁ দিব্য জেউতিৰ মেলা !
আজি সেই মহা জলধিৰ মাৰ গল যিবা এটি ঢউ,
তাৰ বাবে আহি আন এটি নয়নত পৰিল আকউ।
দুয়োটিৰে সঙ্গমস্থলীত অনন্তৰ সোণোৱালী ৰেখা,
তাত কিন্তু পাৰ্থিব গৌৰৱ, প্ৰেম, ঘৃণা নাই একো লেখা।
উজলিছে মাথোঁ আজি তাত অনন্তৰ জেউতি বিমল,
তাত শিৱ-সুন্দৰৰ চৰণৰ শত শতদল।

নাই তাত অপ্ৰীতিৰে ভৰা সংসাৰৰ আকাঙ্ক্ষা অসাৰ,
নাই তাত বিৰহীৰ আজি চকুপানী বোৱা ধাৰাসাৰ।
কণ্ঠ ভৰি উঠে সেইদেখি শত গীত শত স্মৃতি গঁথা,
থাকি থাকি পৰিছে মনত কোন জন্ম-জন্মান্তৰ কথা !
মাৰ যায় অতীতৰ স'তে আজি শত বেদনাৰ গান
যায় প্ৰাণ আগুৱাই দেখি অনন্তৰ বিজয় নিশান।
আহাঁ তেন্তে সবাকে মাতিছো, অভিমান কৰি দিয়া দূৰ;
অনন্তৰ পৱিত্ৰ সুৰত সৃষ্টি আজি হক ভৰপূৰ।
শিৰে শিৰে মিলন-নিৰ্ম্মালি দিয়া আজি ব্ৰহ্মাণ্ড-ঈশ্বৰ,
ধন্য হক আহি সকলোটি, আজি এই নতুন বছৰ।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# জগন্নাথ ক্ষেত্ৰ

## বা

## পুৰী

প্ৰতি বছৰে পুৰীত লক্ষ লক্ষ নৰ-নাৰীৰ যিদৰে সমাগম বোধকৰো ভাৰতৰ আন কোনো তীৰ্থতে নহয়; হয়তো বছৰ ধৰি আজিলৈকে এইদৰে চলি আছে। কালে দ কৰা জাতিৰ পূৰ্ব্বপুৰুষৰ গৌৰৱমণ্ডিত স্মৃতিৰ ...ন চায়ে কোনোৱে নয়ন সাৰ্থক কৰিছেহি, কোনোৱে ...াথৰে লীলা বুলি সাষ্টাঙ্গে প্ৰণিপাত কৰি মানৱী সাৰ্থক কৰিছে। অতীতৰ সেই বৰেণ্য জাতিৰ ...হেয় অপদাৰ্থ জাতি হয়তো সেই ...নো কোনো জনে অন্তৰ তলতে

গিয়াছে দেশ কোন কথা নাই—
আবাৰ তোৱা মানুষ হ।"

...হ তেওঁৰ হৃদয়ত পুৰীৰ স্মৃতি ...নেদেখাবো বোধকৰো পুৰী ...ছন্ন কোনোৱে শ্ৰীশ্ৰীজগন্নাথ ...কোনোৱে ভগ্নস্বাস্থ্যৰ পুনৰ ...ৰে সমুদ্ৰ চোৱাৰ অভিলাষ লৈয়ে পুৰীলৈ আহে। পুৰীলৈ যি অহা নাই তেওঁলোকৰ পুৰীৰ বিষয়ে জানিবলৈ আগ্ৰহ হব।

কলিকতাৰ পৰা পুৰীলৈ ৩১১ মাইল। হাওৰা ষ্টেশনত ৰাতি ৮ বজাৰ বি, এন, ৰেলৰ "এক্সপ্ৰেচ"ত উঠিলে পাছদিনা ৰাতিপুৱা ৭-২০ মিনিটত পুৰী পায়হি। ৰেল ভাৰা ২য় শ্ৰেণীত ১৯॥০ অনা, ৩য় শ্ৰেণীত ৭।/০ অনা। পুৰী ষ্টেশনত গৰুৰ গাড়ী, মানুহে টনা গাড়ী, ঘোঁৰাৰ গাড়ী, মটৰ গাড়ী পায়। কামাখ্যাৰ পাণ্ডাৰ দৰে ষ্টেশনতে জগন্নাথৰ পাণ্ডাই যাত্ৰী বিচাৰে। কামাখ্যাৰ দৰে ইয়ালৈ অহা যাত্ৰীয়ে পাণ্ডাৰ ঘৰতে থাই-বৈ থাকিব পাৰে। যি সকলে নিজে ঘৰ ভাৰা কৰি বা হোটেলত থাকে তেওঁলোকৰ কথা বেলেগ।

পুৰী ষ্টেশনৰ পৰা সাগৰৰ পাৰ "ফ্লেগ্ ষ্টাফ"লৈ (Flagstaff) প্ৰায় ডেৰ মাইল। সাগৰ দেখা কম আনন্দৰ বিষয় নহয়। এই বিমল আনন্দৰ চোৱে যাৰ ... এবাৰ পৰ... ...কৰেঁছ ...



পাৰে। অনন্ত সমুদ্ৰৰ পাৰত যেতিয়া তলে নীল ওপৰে নীল আকাশৰ মাজত নিজক পাহৰি যোৱা যায়, তেতিয়া স্পন্দনহীন প্ৰাণৰ মাজত চৈতন্যময় শব্দৰ বাহিৰে জগতত যেন একো নাথাকে। মুহূৰ্ত্ততে আকৌ গুৰু গম্ভীৰতৰঙ্গৰ ঘাত-প্ৰতিঘাতত প্ৰকৃতিৰ বিচিত্ৰ খেলা।

অবিৰাম ঢৌ আৰু গৰ্জ্জনেই সাগৰৰ স্বভাৱ। সাগৰৰ বুকত পুৱাৰ অৰুণ-উদয় চাবলৈ বৰ মনোহৰ। নীল সাগৰৰ তলৰ পৰা মন্দিৰৰ আকাৰে নীল আকাশলৈ সূৰ্য্য-দেৱে আৰোহণ কৰে। বেলিমাৰ যোৱাও সুন্দৰ। ৰাতি ঘৰৰ দুৱাৰ খিৰিকি জপাই শুলে মেঘৰ গৰ্জ্জন আৰু ধুমুহা বৰষুণৰ দৰে অনুভৱ হয়। কিন্তু ঘৰৰ দুৱাৰ মেলি বাহিৰ ওলাই চালে—নিৰ্ম্মল আকাশত তৰাৰ তিৰবিৰণি ক'তো ধুমুহা-বৰষুণৰ চিন নাই! জোনৰ ক্ষীণ আভা পৰি সৰু সৰু ঢৌবিলাক মুকুতা-মণিৰ দৰে সাগৰৰ বুকত জল-মলাই থাকে, পাৰত ডাঙৰ ডাঙৰ ঢৌৰ গৰ্জ্জন আৰু হেন্দোলনি। ৰাতিৰ এনে দৃশ্য মনোমুগ্ধকৰ। তিথিৰ লগত সমুদ্ৰৰ জোৱাৰ-ভাটাৰ সম্বন্ধ; পূৰ্ণিমা আৰু অমাৱস্যাত ঢৌ আৰু গৰ্জ্জন প্ৰবল হয়। ঢৌত কড়িশামুক জাতীয় বস্তু পাৰত পৰেহি; কিন্তু এটাইবিলাক ভগা, ভাল অৱস্থাত একো নাপায়। সৰু সৰু শামুকবিলাক নানা ৰঙৰ ফুল-বছা, বহাগ জেঠৰ পৰা আহিন কাতিলৈকে সাগৰৰ অৱস্থা বৰ ভীষণ হয় বুলি শুনা যায়। সাগৰৰ পাৰত 'হাৱা' খাবলৈকে পূজাৰ সময়ত আৰু বৰদিনৰ বন্ধত ভদ্ৰলোকেৰে পুৰী ভৰি পৰেহি। য়ুৰোপীয়ানসকল বহুত আহে। ইয়ালৈ অহা ভাৰতীয় মহিলাসকলৰ পৰ্দ্দা-প্ৰথা নাথাকে। মুনিহ-তিৰোতাৰ একেলগে ফুৰা, একেলগে গা-ধোৱা অবাধে চলে। কাকো কাৰো দোষে স্পৰ্শ কৰিব নোৱাৰে। মহান সমুদ্ৰৰ পাৰত সংকীৰ্ণতাৰ ভেটা তিষ্ঠে কেনেকৈ?

সাগৰৰ পাৰত ফুৰিবলৈ ভাল লাগে, তলিখন বিলাতী মাটি লগোৱাৰ দৰে নিমজ, বতাহ সদাই বলি থাকে: জাৰ জহ নালাগে। পুৱা-গধূলি জালোৱাই মাছ ধৰে, জাল একোখন বছিৰে দৈৰ্ঘতে পাঁচশ ছ শ হাতৰ পৰা হাজাৰ হাতলৈকে দীঘল। নাৱত জাল ভৰাই নি পানীত পেলাই থৈ আহে, ৬।৭ টা মান মানুহে পাৰৰ পৰা আৰু পানীত ধুবিয়াই বছি টানি জাল পাৰলৈ তোলে। এইদৰে জাল তোলোতে ৩।৪ ঘণ্টামান লাগে। নৈৰ মাছৰ লগত সাগৰৰ মাছৰ প্ৰায়ে গঢ়গতি নিমিলে। "জেলীফিংশ্" এটা আচৰিত জীৱ। হৰেক ৰকমৰ মাছ দেখিবলৈ পোৱা যায়। এই বিষয়ে বহলাই লিখিবলৈ এই প্ৰৱন্ধলৈ ঠাইৰ নাটনি। পূৰ্ণিমা আৰু অমাৱস্যাৰ কেদিনমান আগৰ পৰা আৰু কেদিনমান পাছলৈকে ১৫ দিনমান ডাঙৰ জালেৰে মাছ ধৰা বন্ধ থাকে। তেতিয়া ঢৌৰ কোব বেছি, জাল টানিব নোৱাৰে। সেই কেদিন গোটা লঘু কাঠৰ সৰু সৰু নাৱত উঠি সৰু জালেৰে মাছ ধৰে। ইয়াৰ বজাৰত নিচেই কম-পৰিমাণেহে মাছ বিক্ৰি হয়। ইয়াতে এটা কথা কৈ থোৱা ভাল: ঢৌত কেতিয়াবা সৰু সৰু সাপ আহি পাৰত পৰেহি। এইবিলাক সাপৰ চেলাৰ দৰে এশটাকৈ ঠেং আছে। কিন্তু পানীৰ বাহিৰে মাটিত অচল আৰু নিৰ্জ্জীৱৰ দৰে।

সমুদ্ৰত গা ধোৱা বৰ আমোদৰ বিষয়। পোনৰ দিনা গা ধুবলৈ অলপ ভয় লাগে। কিন্তু ভয়ৰ একো কাৰণ নাই। নিচেই পাৰতে গা ধোৱা অলপ কষ্টকৰ; ঢৌ যি খিনিত ভাগেহি তাৰ অলপ আগলৈ গৈ গা ধোৱাই সুখ। ঢৌ আহিলে ঢৌৰ লগে লগে উলাহ দি ওপৰলৈ উঠিব লাগে। ঢৌ সন্মুখত ভাগিব খুজিলে ঠাইতে বুৰ দিব লাগে; ইয়াকে জানিলেই সাগৰত সুকলমে গা ধুব পাৰি। অৱশ্যে সাগৰত গা ধোৱাসকলৰ ভিতৰত হাঁহি-উঠা দৃশ্যও অনেক দেখি। কোনো কোনোৱে বালিতে বেতি লৈ সাগৰত গা ধোৱাৰ হেঁপাহ পলুৱায়। উৰিয়াবিলাকে নতুন মানুহক গা ধুৱাবলৈ বিচাৰি ফুৰে, সিহঁতে ধৰি ধৰি পানীত জুবুৰিয়াই এক অনাকৈ পইচা লয়। এইদৰে গা ধোৱাৰ কোনো আৱশ্যক দেখা নেযায়, অলপ সাহ কৰিলে কাৰো সহায় নোলোৱাকৈ গা ধুব পাৰি। সাগৰৰ পানী লুণীয়া, গা ধুলে নিমখীয়া লাগে: গা ধোৱাৰ বাহিৰে খোৱা কামত নেলাগে। পোনৰ দিনা গা ধুলে মুখ অলপ গধুৰ লাগে, তাৰ পাছলৈ নেলাগে। তীৰ্থ কৰিবলৈ অহা সাধাৰণ যাত্ৰীক স্বৰ্গদ্বাৰত পাণ্ডাই সঙ্কল্প কৰাই গা ধুৱাই পইচা লয়,

কোনোৱে জগন্নাথৰ ভোগেৰে পিণ্ডও দিয়ে। ফ্লেগষ্টাফৰ পশ্চিমে এই স্বৰ্গদ্বাৰেই শ্মশানঘাট। ফ্লেগষ্টাফৰ পূবে অলপ দূৰ গৈয়ে গৰাৰ ওপৰত পানী থকা ঠাই এটুকুৰা পায়, এয়ে চক্ৰতীৰ্থ। ইয়াতে বোলে ইন্দ্ৰদ্যুম্ন ৰজাই জগন্নাথৰ মূৰ্ত্তি সাজিবলৈ নিমগছ পাইছিল। এই তীৰ্থত কোনোৱে শ্ৰাদ্ধ আৰু বালিৰ পিণ্ডও দিয়ে।

সাগৰৰ পাৰত ধনী মানুহৰ সুন্দৰ সুন্দৰ পকা ঘৰ-দুৱাৰ আছে। ঘৰৰ গিৰিহঁত ইয়াৰ বাসিন্দা নহয় আৰু ইয়াত নেথাকেও। কলিকতা আৰু আন আন ঠাইৰ মানুহৰ ঘৰ। কবলৈ গলে প্ৰায়বিলাকেই বঙ্গালীৰ ঘৰ। ঘৰবিলাক ভাৰালৈ দিয়ে। দুৰ্গাপূজা আৰু বৰদিনৰ বন্ধতেই ঘৰবিলাক খালি নেথাকে, আন সময়ত প্ৰায়ে খালি থাকে। বঙ্গালীয়ে পুৰীত অকল ঘৰ কৰিয়ে এৰা নাই আন আন বিষয়েও প্ৰাধান্য বিস্তাৰ কৰিছে। সমুদ্ৰৰ পাৰত সিচোৱাত এই ঘৰবিলাক আছে, তাৰ সোঁমাজতে সমুদ্ৰৰ নিচেই পাৰত ফ্লেগষ্টাফ (Flag-staff) বৃটিশ পতাকা উৰুৱা খুটি, ইয়াৰ তলতে এটা বৰতোপ আছে। ইয়াৰ ওচৰতে চৰকাৰী ঘৰ, কছাৰি অফিচ আদি আছে। সমুদ্ৰৰ পাৰত কুৰা-১কা ঠাই থাইকৈ এই টুকুৰা। পুৰীত ভাৰালৈ দিয়া প্ৰায়বিলাক ঘৰৰে নাম আছে। ফ্লেগষ্টাফৰ পূবে সমুদ্ৰৰ পাৰত থকা ঘৰবিলাকৰ নাম—ধৰ্ম্মধাম, নীলিমা, হাচিমাৰা হল, অনাথ কটেজ, চাৰু ভিল্লা, মতিন ভিল্লি, আস্থন ভিল্লি চীভিউ, অমূল্য ভৱন, নীলাম্বু নিবাস, তুলসীধাম, বউক বেংক, স্বৰ্ণাবাস। ফ্লেগষ্টাফৰ পশ্চিমে সিন্ধু নিবাস, ভৱ আশ্ৰম, আৰ্য্যনিবাস, ভিক্টোৰীয়া ক্লাব, পেৰেডাইজ লজ, যুগলকুটীৰ, জ্যোতিনিবাস, অচেনা, চন্দ্ৰকুটীৰ, ভজনকুটীৰ, প্ৰিয়ধাম, গোলোক দুহিতা আশ্ৰম, মাতৃভৱন কিৰণ কুটীৰ, সেবাকুঞ্জ, সত্যনিকেতন, পাষাণী, ঈশ্বৰনাথ অনাথ আশ্ৰম, জগন্নাথ কুটীৰ, নস্কৰ ভিল্লা, চন্দ্ৰনিকেতন, দেবনাৰায়ণ নিবাস। এইবিলাক ঘৰৰ পাছফালে আৰু ভালেমান ঘৰ আছে। দুই চাৰিটা ঘৰৰ নাম—যেনে, ললিত কুঞ্জ সুৰমা ভৱন,—ভূষণা ভৱন, বালুকণা, পাথাৰপুৰী (Palace Hotel), বৈকুণ্ঠধাম, সাগৰিকা, সুখসাগৰ, কদমকুটীৰ তটিনী, ইত্যাদি। পূব ফালৰ ঘৰবিলাক সুন্দৰ, নতুন আৰু স্বাস্থ্যকৰ, ভাৰাও বেছি। এই ফালেই য়ুৰোপীয়ান সকলৰ ঘৰ আৰু য়ুৰোপীয়ান হোটেল। পশ্চিম ফালৰ ঘৰ কিছু সস্তাতে পোৱা যায়, কিন্তু পূব ফালৰ দৰে নিচেই কমেই হে ভাল ঘৰ আছে। ঘৰবিলাক থেপা-থেপি, তেনে স্বাস্থ্যকৰ যেন নেলাগে। এই ফালে সমুদ্ৰৰ নিচেই পাৰতে ইণ্ডিয়ান হোটেল ভিক্টোৰীয়া ক্লাব, আৰ্য্যনিবাস, পেৰেডাইজ লজ। পূবফালে য়ুৰোপীয়ান হোটেল B. N. Ray Hotel, Palace Hotel Beach Hotel. ইয়াত ১৬।১৭টা মান ধৰমশালা আছে—ৰামচন্দ্ৰ গোয়েনকা, ধমজি-মূলজি, কানৈহালাল ইত্যাদি।

ষ্টেশ্যনৰ পৰা বা ফ্লেগষ্টাফৰ পৰা জগন্নাথ মন্দিৰলৈ প্ৰায় ডেৰ মাইল। মন্দিৰলৈ সোমোৱা বাট চাৰিটা। থাই বাট পূব দুৱাৰ বা সিংহদ্বাৰ; পূব দুৱাৰৰ সন্মুখতে দুটা শিলৰ সিংহ আৰু এটা স্তম্ভ (অৰুণস্তম্ভ) আছে। তাৰ পাছত পশ্চিম দুৱাৰ; এই দুৱাৰত দুটা শিলৰ বাঘ আছে। উত্তৰ দ্বাৰৰ ভিতৰ দুৱাৰত দুটা সুন্দৰ শিলৰ হাতী আছে। তাৰ পাছত দক্ষিণ দুৱাৰ; এই দুৱাৰত অতিকায় হনুমানৰ মূৰ্ত্তি আছে। পূবদুৱাৰৰ কাষেদিয়ে এটা বাট গৈ দক্ষিণ ফালে সাগৰৰ পাৰ শ্মশান ঘাটত ওলাইছে, ইয়াকে স্বৰ্গদ্বাৰ বোলে। মন্দিৰলৈ সোমোৱা প্ৰত্যেকখান দুৱাৰমুখেই মন্দিৰৰ দৰে। পূব দুৱাৰৰ সন্মুখৰ পৰা ১৯ খাপ বহল ছিৰি ওপৰলৈ উঠি গৈ আৰু এখান দুৱাৰ পাৰ হলে তেতিয়াহে সমান ঠাইত জগন্নাথৰ মন্দিৰ। পূবৰ পৰা পশ্চিমলৈ একে লাইতে ক্ৰমান্বয়ে সৰুৰ পৰা ডাঙৰ তিনটা মন্দিৰ; এয়ে জগন্নাথৰ মন্দিৰ। জগন্নাথ মন্দিৰৰ চাৰিউফালে বহল চোতাল; চোতালৰ চাৰিউকাষে আন আন দেৱদেৱীৰ সৰু ডাঙৰ মন্দিৰ। মন্দিৰৰ গোটেই টোল ২৪ ফুট ওখ পকা দেৱালেৰে ঘেৰা। ইয়াৰ উত্তৰে দক্ষিণে ৬৬৬ ফুট আৰু পূবে পশ্চিমে ৬৮৭ ফুট। দেৱালৰ ভিতৰৰ সমুদায় ঠাই শিলেৰে বন্ধোৱা। এই টোলৰ বাহিৰ ভিতৰ দুটা ভাগ। ভিতৰৰ ভাগত জগন্নাথৰ আৰু আন আন দেৱদেৱীৰ ৫১টা মান সৰু বৰ মন্দিৰ।



বাহিৰৰ ভাগতো মন্দিৰ, আটিকা দিওঁতে লেখাপঢ়া কৰা বৈকুণ্ঠধাম, ভোগ ৰন্ধা ঘৰ (পাকশালা) মালৰ গুডাম, ফুলবাৰী, কুঁৱা, স্নান মণ্ডপ, আনন্দবজাৰ ইত্যাদি। আনন্দ বজাৰতে পুৰা-পথুলি সকলো সময়তে "ভোগ" বিক্ৰি হয়। উত্তৰ আৰু দক্ষিণে দুখান ফুলবাৰী আছে, ফুল-বাৰীৰ মাজে মাজে ওখকৈ বন্ধোৱা পকা বাট, তাতে কুঁৱা আৰু বিধবাসকলে ফুলৰ মলা গোঁথা ঘৰ আছে। ভিতৰ চোতালৰ কাষে কাষে মহাপুৰুষসকলৰ ভৰিৰ খোজ আছে। তাৰে এঠাইত আসামৰ মহাপুৰুষ শঙ্কৰদেৱৰ ভৰিৰ খোজ বুলি পাণ্ডাই দেখুৱায়।

চোতালত আৰু মন্দিৰলৈ সোমোৱা বাটত ভক্তৰ চৰণ-ধূলি পৰিবলৈ আজিকালি বহুতেই মাৰ্ব্বল পাথৰৰ স্মৃতি-ফলি কৰি থৈছে। কোনোৱে নিজৰ নাম, কোনোৱে নিজৰ আৰু দৰা-তিকতাৰ নাম, কোনোৱে গোটেই বংশৰ নাম লেখি থৈছে। এনে দুই এখান ফলিৰ নমুনা দিয়া হল।

"উদ্দেশ্যে,—

অঙ্কিত যাহাৰ ছবি হৃদয় ফলকে,
সেই প্ৰিয়তমা দেবী, আজি কোন লোকে?
স্থূলেতে ভৌতিক দেহ, কৰে অন্বেষণ,
সূক্ষ্মেতে মানসপটে, হয় দৰশন!
নিৰুপমা "মনোৰমা"—তোমাৰ তুলনা,
এসংসাৰে খুজি, দেখি, কোথাও মিলে না!
যোগ্যস্থান "পুৰীধাম" শান্তি-নিকেতন—
তব স্মৃতি "প্ৰেমময়ে" কৰিনু অৰ্পণ।

যতীন।"

কোনোখনত "ভক্তেৰ চৰণৰেণু প্ৰাৰ্থী," কোনোখনত "ভক্তেৰ চৰণাশ্ৰিত" ইত্যাদি, পুৰা নামধামে সৈতে।

টোলৰ বাহিৰে মন্দিৰৰ কাষে কাষে পূবৰপৰা উত্তৰলৈ দোকান-বজাৰ। দক্ষিণৰপৰা পশ্চিমলৈ পাণ্ডাসকলৰ ঘৰ।

পূব দুৱাৰে বা সিংহদ্বাৰেদি সোমাই গৈ ভিতৰৰ দুৱাৰ (গেইট) পাৰ হলে সন্মুখতে যি কাৰুকাৰ্য্যময় মন্দিৰ দেখা যায় সেয়ে "ভোগ মন্দিৰ," এই মন্দিৰতে ৰাজভোগ বাদে বাকীবিলাক ভোগ জগন্নাথৰ নামত দিয়া হয়। তাৰ পাছতে নাট মন্দিৰ; এইটো মন্দিৰ নহয়, চ'ৰা ঘৰৰ দৰে; ইয়াৰ ভিতৰখন আধুনিক নানান চিত্ৰ আৰু পৌৰাণিক নানা মূৰ্ত্তিৰে শোভিত। দিনত এই নাটমন্দিৰতে ৰাজ-ভোগৰ সময়ত "দেৱদাসী"য়ে নাচে; আৰু যাৰ যেনে ইচ্ছা এই ঠাইতে ভাগৱত গীতা আদি ধৰ্ম্মশাস্ত্ৰ পঢ়ে, কোনোৱে ধৰ্ম্ম আলাপ কৰে; কোনোৱে বা ঈশ্বৰ চিন্তাত মগ্ন থাকে। ইয়াৰপৰা গৈয়ে "ধূপমন্দিৰ।" এই মন্দিৰত জগন্নাথৰ সাজ-পাৰ আচবাব আদি থাকে, আৰু ইয়াতে ৰাতি ১ বজাত জগন্নাথ শুৱৰ সময়ত দেৱদাসীয়ে কীৰ্ত্তন কৰে। ইয়াৰ পাছতে জগন্নাথ মন্দিৰ। মন্দিৰৰ ভিতৰত ১৬ ফুট দীঘল, ১৩ ফুট বহল, ৪ ফুট ওখ ক'লা শিলেৰে তৈয়াৰি বেদিৰ ওপৰত জগন্নাথ, বলৰাম আৰু সুভদ্ৰাৰ মূৰ্ত্তি আছে এই ত্ৰিমূৰ্ত্তিক তিনিবাৰ প্ৰদক্ষিণ কৰি সেৱা কৰিলে জগ-ন্নাথ সেৱা হয়। সেৱা কৰা ঠাইত তিনটা পিতলৰ ঘটি আছে, এই তিনটা ঘটিত যাৰ যেনে ইচ্ছা এবাৰকৈ পইচা দিব লাগে। ঘটি তিনটাৰ ধন জগন্নাথৰ ভৰালত জমা হয় আৰু এই ধন জগন্নাথৰ কামতে খৰচ হয়। ইয়াৰ ভাগ পাণ্ডাই এক পইচাও নেপায়। ইয়াৰ বাহিৰে আন আন দেৱদেৱীৰ মন্দিৰত সেৱা কৰোতে দিয়া পইচা আৰু আন কোনো উপায়ে পাণ্ডাই যাত্ৰীৰপৰা আদাই কৰা পইচা, এইবিলাক পইচা পাণ্ডাৰ পেটপোহাৰ বাহিৰে আন কোনো ধৰ্ম্মকামতে নেলাগে। কেৱল জগন্নাথ মন্দিৰত ঘটিত দিয়া পইচা কেটাই সাৰ্থক। ইয়াৰ বাহি-ৰেও নাটমন্দিৰলৈ সোমোৱা উত্তৰ আৰু দক্ষিন দুৱাৰ মুখত দুটা কাঠৰ বাকচ থাকে, এই বাকচ দুটাত পইচা দিলেও মন্দিৰ মেৰামতি কামত লাগে। আন দেৱদেৱীৰ মন্দিৰ থাইকৈ এইকেটা:— ১। বিমলা, ২। সাক্ষীগোপাল, ৩। সৰস্বতী, ৪। ভূবনেশ্বৰী, ৫। ভদ্ৰকালী ৬। মহালক্ষ্মী ৭। অক্ষয়বট ৮। জগন্নাথ, ৯। গণেশ, ১০। অনন্তশয়ন, ১১। সত্যনাৰায়ণ, ১২। ৰাম অৱতাৰ, ১৩। শীতলা, ১৪। সূৰ্য্যনাৰায়ণ, ১৫। সত্যযুগ (বামণ অৱতাৰ), ১৬। কলিযুগ (বৰাহ অৱতাৰ), ১৭। নৰসিংহ। ইয়াৰ বাহিৰেও বামুণে সেৱা কৰোৱা ঠাই অসংখ্য। এইখিনিতে এটা কথা বিশেষকৈ মনত ৰাখিবলগীয়া, মন্দিৰৰ টোলৰ ভিত-

বলৈ জোতা বা আন কোনো ৰকমৰ চামৰা লৈ সোমা-বলৈ নিষেধ। 'মনিবেগ' আৰু হাতঘড়ি ইত্যাদিৰ সাৱ-ধান হোৱা উচিত, এই ভুলত বিশেষভাৱে ক্ষতি হোৱা সম্ভৱ। মন্দিৰৰ দুৱাৰ মুখে মুখে পুলিচ।

জগন্নাথৰ থাই মন্দিৰ ১৯২ ফিট ওখ, মন্দিৰৰ ওপৰত বিষ্ণুচক্র, এই চক্রৰ ওপৰত প্রতিদিন নানা ৰকমৰ নিশান উৰে। এই ধ্বজাবিলাকত অৰ্দ্ধচন্দ্ৰ থাকে। বহুতৰ জানিবলৈ কৌতুক হব পাৰে, ইমান ওপৰত প্রতি দিন বেলেগ নিশান উৰে কেনেকৈ? প্রতিদিন সন্ধ্যা সময়ত মন্দিৰৰ ওপৰলৈ মানুহ উঠি নিশান সলায়। অৱশ্যে মন্দিৰলৈ উঠা তেনে কোনো ভাল বন্দবস্ত নাই। তলৰ পৰা উঠা আৰু নমা দেখিলে গাৰ নোম শিয়ঁৰি উঠে। এই নিমাখিত প্রাণীটিৰ কাৰ্য্য দেখিলে কোনোৱে প্রভু জগন্নাথৰ কৃপা বুলি মূৰ দোৱাব পাৰে, কোনোৱে বা "অভ্যাসৰ নৰ কৰ্ণ পথে সৰ" এই বচনফাঁকিও আওঁৰাব পাৰে।

জগন্নাথত ১৪৮৪ ঘৰ পাণ্ডা, ইয়াৰ ভিতৰত ৭৫২ জন জগন্নাথৰ ভোগবান্ধনি; দিনে ৩৬ জনে পূজা কৰে আৰু এশ কি ডেৰ শ জনে ভোগ ৰান্ধে, সময় লৈ প্রতিদিন-ইয়াতকৈও বেছি মানুহে ৰান্ধে। সেৱা কৰিবলৈ যোৱা যাত্রীয়ে কিছুমান পাণ্ডাৰপৰা কম উপদ্ৰৱ সহিব নেলাগে। ভুক্তভোগী মাত্ৰেই এই কথা নেপাহৰে। ই এক প্রকাৰ ধৰ্ম্মৰ নামত দস্যুতা নহয় কি?

মন্দিৰবিলাকৰ গাত সক ডাঙৰ অসংখ্য দেৱদেৱীৰ মূৰ্ত্তি আছে, বোধকৰো হিন্দুৰ তেত্রিশ কোটী দেৱতাৰ সৰহ ভাগেই আছে। মূৰ্ত্তিৰ বাহিৰেও নানা কাৰুকাৰ্য্যৰে ভূষিত অতীতৰ শ্রেষ্ঠ শিল্পচাতুৰ্য্য দেখিলে তধা মানিব লাগে। সকলো বিধৰে মূৰ্ত্তি আছে, তাৰ উপৰি জগন্নাথ মন্দিৰৰ গাত, এনে অশ্লীল ভাবৰ মূৰ্ত্তিও আছে, নেদেখাৰ পক্ষে ই ধাৰণাৰ অতীত। ধৰ্ম্ম মন্দিৰৰ গাত এনে দৃশ্য থকাৰ পক্ষে কি যুক্তি ভাবি পোৱা টান।

(আগলৈ আছে)

শ্রীমহিমচন্দ্ৰ সিংহ

---

# দীন-দুখী

## বা

## লে মিজাৰাবল্

সেই ১৮২৩ খৃষ্টাব্দৰ গ্রীষ্মমাহৰ দিনাই আবেলি ভাগতে, পাৰী চহৰৰ জন-মানৱ বিৰল বাজআলি এটাৰ কাষত মানুহ এজনক কেৰেয়াঘৰ বিচাৰি ফুৰা দেখা গৈছিল। বুলত পৰ ঘূৰিপকি মানুহজনে শেষত বৰ আপচু ঘৰ এটা ভাৰা কৰিলে। চেহেৰা আৰু কাপোৰ-কানিত মানুহজনক কোনো সম্ভ্রান্ত বৈৰাগী যেন লাগিল। কাৰণ তেওঁৰ গাত দুৰ্ঘোৰ অনাটন আৰু অতি-মাত্রাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ পূৰ্ণ সমাবেশ হৈছিল। বগা চুলি শিৰ-উঠা কপাল, অশান্তিভৰা জীৱনৰ প্রতিবিম্ব টোটোৰা-পৰা অথচ গম্ভীৰ মুখ আদিয়ে তেওঁৰ বয়স তিনিকুৰিৰ ওচৰা-ওচৰি যেন দেখুৱাইছিল। ধীৰ-গম্ভীৰ খোজ কাটলৈলৈ চালে আঢৈকুৰিয়েই নাই হোৱা যেন হে লাগে। বাওঁহাতত কাপোৰেৰে মেৰিয়া এটা টোপোলা, সোঁহাতত এডাল টোকোন যেন লাখুটি। মানুহজনে ঘৰ ভাৰা কৰি এটায়ে সন্ধিয়াৰ আগে আগে বাটৰ বাটকৰাৰ পৰা অলপ দূৰে দূৰে থাকি ম'ফেয়াৰ মেলৰ ফালে খোজ ললে। এন্ধাৰ হোৱাৰ লগে লগেই মানুহজনে ম'ফেয়াৰ মেলৰ থাই বাট এৰি দি হাবিৰ মাজত সোমাই পৰিল। হাবিৰ মাজ সোমায়েই তেওঁ খোজ ঢিলা কৰি দিলে। বৰ জুমি-জামি গছবোৰৰ ফালে চাবলৈ ধৰিলে; যেন তেওঁ সেই



হাবিৰ মাজত গছৰ তলত অইনে নজনা, অকল তেওঁহে চিনি পোৱা, বাট এটা বিচাৰি ফুৰিছে। কিছুমান পৰ এইদৰে অকাই-পকাই ফুৰি শেহত এজোপা গছৰ কাষ পাই তেওঁ ৰৈ পৰিল। গছ জোপাৰ গাত পিতলৰ অকণ-মান লিপিত খুৱাই লগাই থোৱা আছিল। পিতলডোখৰ হাত ফুৰাই চাই তেওঁ গছজোপাৰ তললৈ মূৰ গুজি চাবলৈ ধৰিলে। যেন সেই মাটিডোখৰ কোনোবাই নতুনকৈ খানিছিল নে নাই থনা তাৰ হে চিন চাইছে। তেওঁৰ চোৱা শেষ হল। কেউপিনে ঘূৰি-পকি চালে। কতো একো নেদেখি আকৌ হাবিৰ মাজে মাজে যাবলৈ ধৰিলে।

এই মানুহজনেই কজেটৰ হাতৰ পৰা বালটি লোৱা মানুহজন। হাবিৰ মাজে মাজে ম'ফেয়াৰ মেলৰ ফালে আহোতে দূৰৈৰ পৰা এটা অকণমানি ছাঁক কিবা এটা থৈ থৈ লৈ অহা দেখি, মানুহজনে চাঁটোৰ কাষ চাপে; দেখে—এজনী সৰু ছোৱালীয়ে এটা দুৰ্জ্জয় বালটিত পানী কঢ়িয়াইছে। তেওঁ ছোৱালীজনীৰ হাতৰ পৰা বালটিটো নিজৰ হাতলৈ আনিলে আৰু তাইৰ কাষে কাষে খোজ ললে।

কজেটে ভয় খোৱা নাছিল। মুখেৰে মতাও নাছিল। মানুহজনে মাত লগালে—"বালটিটো গধুৰ নহয় নে?"

কজেটে মূৰ দাঙি উত্তৰ দিলে—"হয় ডাঙৰীয়া!"

মানুহজনে নিজকে নিজে কলে 'সঁচাকৈয়ে গধুৰ।' ছোৱালী জনীক সুধিলে "মই নি দিম; তোমাৰ বয়স কিমান আইকণ?"

"আঠবছৰ।"

"পানী ক'ৰ পৰা আনিলা?"

"হাবিৰ মাজৰ নিজৰাৰ পৰা।"

"ঘৰ কিমান দূৰত?"

"আৰু পোন্ধৰ মিনিটমান যাব লাগিব"। মানুহজন ক্ষন্তেক নিৰৱ হৈ ৰল। আকৌ ঘপত কৰে প্রশ্ন কৰিলে—"তোমাৰ মাৰা নাই?"

"মই কব নোৱাৰো।"

মানুহজনে কিবা কব খোজোতেই আকৌ কজেটে মাত দিলে, "নাই হঁলা। আন ছোৱালীৰ এজনী এজনী আছে, মোৰ হলে নাই—মোৰ কিজানি নাছিলেই।" মানুহজন ৰৈ গল। হাতৰ বালটিটো নমাই থলে। ছোৱালীজনীৰ কান্ধত হাত দুখন থৈ এন্ধাৰত তাইৰ মুখখন এবাৰ ভালকৈ চাবলৈ চেষ্টা কৰিলে। সুধিলে—

"তোমাৰ নাম?"

"কজেট।"

মানুহজন যেন তাড়িৎ শক্তিৰ প্রবাহত চক খাই উঠিল! আকৌ ছোৱালীজনীৰ মুখৰ ফালে চাই পঠিয়ালে। তাইৰ কান্ধৰ পৰা হাত দুখন নমাই বালটিটো দাঙি লৈ যাবলৈ ধৰিলে। অলপ গৈয়ে সুধিলে—"কত থাকা তুমি?"

"ম'ফেয়াৰ মেলত। আপুনি চিনি পায় নে?"

"আমি তালৈকে আহিছোনে?"

"হয় ডাঙৰীয়া!"

মানুহজন আকৌ নিমাত হল। ক্ষন্তেক পিছতে মাত দিলে "পানী নিবলৈ তোমাক এই ৰাতি কোনে পঠিয়াইছে?"

"মাডাম টেনাৰ্ডিয়েৰে।"

"কোননো মাডাম টেনাৰ্ডিয়েৰ?"

"তেওঁৰে মই কাম কৰো। তেওঁৰ হোটেল আছে।"

"হোটেল? ভালেই হল, মই আজি তাতে থাকোগৈ।"

দুয়ো যাবলৈ ধৰিলে। কজেটে গৈ থাকোতে ঘনে ঘনে মানুহজনৰ ফালে কিবা এক অবৰ্ণনীয় প্রশান্ত-নিৰ্ভৰ নেত্ৰে চাই গৈছিল। তাইক ওপৰত থকা নেদেখা-জনৰ ফালে চাবলৈ কেতিয়াও শিকোৱা হোৱা নাছিল, তথাপি তাই অন্তৰত কিবা এটা আনন্দ-আশা অনুভৱ কৰিলে। এই কিবাটো যেন সৰগ ধিয়াই উঠিল। কিছু-মান পৰ এইদৰে গৈ থকাৰ পিছত মানুহজনে মাত লগালে—

"মাডাম টেনাৰ্ডিয়েৰৰ আন চাকৰ-নাকৰ আছে? তুমি আৰু কোন কোন থাকা?"

"পনিন্ থাকে, জেলমা থাকে।"

"সিহঁত কোন?"

"মাডামৰ জীয়েক।"

"সিহঁতে কি কৰে ?"

"হ ! হ ! সিহঁতৰ যিহে ধুনীয়া ধুনীয়া পুতলা আছে ! সিহঁতে পুতলা লৈ খেমালি কৰে ।"

"তুমি ?"

"কাম কৰো ।"

"দিনৰ দিনটো ?"

ছোৱালীজনীয়ে মূৰটি দাঙি মানুহজনৰ মুখলৈ চালে । তাইৰ ডাঙৰ ডাঙৰ চকু দুটিয়েদি এন্ধাৰতো জিলিকি উঠাবি চকুলোৱে দেখা দিলে । কোমলকৈ মাত দিলে "হয় ডাঙৰীয়া ! কেতিয়াবা কামৰ পৰা আজৰি হলে, মোক অকণমান উমলিবলৈ দিয়ে । মোৰ পুতলাও নাই । পনিন্ আৰু জেল্‌মাই সিহঁতৰ পুতলা চুবলৈকে নিদিয়ে ।" কেয়া আঙুলিটো দেখুৱাই কলে "মোৰ ইমানকণিমান্ সীহৰ তৰোৱাল এখনি মাপোন আছে ।"

"কাটেনে ?"

"অঁ । মাখিৰ মূৰ কাটি পেলাই নহয় !"

এইদৰে কথা পাতি আহি দুয়ো ঘৰৰ কাষ পালেহি । কজেটে কলে—"ঘৰ পালোহি । বালটিটো মোৰ হাতত দিয়ক ।"

"কিয় ?"

"লোকে মোৰ পানী আনি দিয়া দেখিলে মোক মাৰিব ।" মানুহজনে কজেটৰ হাতত বালটি এৰি দিলে । কেই খোজমান আহিয়ে দুয়ো হোটেলৰ জপনা পালেহি । কজেটে হোটেলৰ আগৰ দোকানখনিৰ পুতলাটোলৈ আকৌ এবাৰ চাই পঠিয়ালে ।

দুৱাৰত টুকৰিয়াই দিয়াত মাডাম টেনাৰ্ডিয়েৰে চিঞঁৰ মাৰি উঠিল "যখিনি ! কৰবাত খেমালি কৰি আছিলি ?"

কজেটে খোকা-থুকিকৈ কলে—"এই মানুহজনে থাকিবলৈ ঠাই বিচাৰিছে !"

মাডাম টেনাৰ্ডিয়েৰ শাঁত পৰি গল । মানুহজনৰ ফালে ভুমুকিয়াই চাই মাত দিলে— "সোমাই আহক পথিক !"

পথিক সোমাই আহিল । টেনাৰ্ডিয়েৰ দম্পতীয়ে তাৰ-হীৰ সাজ-পোষাক দেখি হতাশ হৈ পৰিল । ইঙ্গিতত্তে দুয়োৰে কথা হল । টেনাৰ্ডিয়েৰ পত্নীয়ে মাত দিলে—'আজি ইয়াত থাকিবলৈ ঠাই নাই !"

"যত্তে ত'তে পৰি থাকিবলৈ পালেই হয় । বাৰাণ্ডাতে বা আস্তাবলতে যত্তে হয় পৰি থাকিম । যি দাম হয় দিম ।"

"চল্লিচ ছু"

"একো কথা নাই ।" এই বুলিয়েই মানুহজনে ঘৰৰ একুকত তেওঁৰ লাখুটিডাল আৰু টোপোলাটো নমাই থৈ টুল এখনৰ ওপৰত বহি পৰিল । কজেটে আগত থকা মেজখনৰ ওপৰতে মদ এবটল আৰু গিলাছ এটাই থৈ গলহি । মানুহজনে মদ এগিলাছ বাকি লৈ একে উশাহতে পেট পোৱালেগৈ । ওঠ তিতিবলৈকে নাপালে । মদৰ গিলাছটো নমাই থৈয়ে মানুহজনে একেথৰে কজেটলৈ চাবলৈ ধৰিলে । কজেটৰ ... বলৈ আপচু আছিল, কিন্তু সুখত থকা হলে তাই ধুনীয়া হলহেতেন । জুইৰ পোহৰত তাইৰ ডালি ডালি গাৰ হাড় ভালকৈয়ে দেখা গৈছিল । ফটাকানি তাইৰ আৱৰণ । জহত দেখি দুখ-লগা আৰু জাৰত দেখি পেটতে হাত-ভৰি লুকুৱা । ফটা চোলাৰ মাজেদি যত্তে তাইৰ গা দেখা গৈছিল তত্তে মাডাম টেনাৰ্ডিয়েৰে মৰা ক'লা ক'লা ডাগ । হঠাৎ গিৰিহঁতনীয়ে কজেটে উচপথাই যোৱাকৈ মাত লগালে "হেই, কটি কতা ?" কজেটে কটিৰ কথা একেবাৰেই পাহৰি গৈছিল । মাৰৰ ভয়ত সক লৰা-ছোৱালীয়ে মিছা কবলৈ সাধ্য হয় । কজেটেও তাকেই কৰিলে —"মাডাম ! দোকান বন্ধ ।"

"দুৱাৰত নটকিয়ালি কিয় ?"

"টকিয়াইছিলো, শুঠিল ।"

"বাক, পুৱা খবৰ লম । মিছা হলে—মোহৰটো দে ।"

কজেটে জেপত হাত ভৰালে । মুখ শেঁতা হৈ আহিল । মোহৰ নাই । মাডাম টেনাৰ্ডিয়েৰৰ ফালে ভেবালাগি চাই পঠিয়ালে ।

"হেৰুৱালি ? নাই মোক ঠগিবলৈ বুধি পাতিছ ?" এইবুলি চুকৰ পৰা সৌকাডাল আনিবলৈ হাত মেলোত্তেই কজেটে চক্ চক্ কৰে কান্দিবলৈ ধৰিলে—"মাডাম, আগলৈ এনে নকৰো ।" এই বুলি তাই চিমনিটোৰ একুকে কুচি-মুচি অকণমানটো হৈ সোমাই পৰিল । যাতে তাইৰ শুদা ভৰিকেটা আৰু গাটোত সৌকাৰ কোব বেছিকৈ নপৰে । ইতিমধ্যে নতুন আলহীজনে অইন কোনেও নেদেখাকৈ তেওঁৰ জেপৰ পৰা কিবা এটা উলিয়াই মাটিত লাহেকৈ পেলাই দি টেনাৰ্ডিয়েৰে কজেটক মাৰিবলৈ হাত দাঙোতেই মাত দিলে "ৰব, মাডাম, ৰব ! মই কিবা এটা ছোৱালীজনীৰ জেপৰ পৰা মাটিত সৰি পৰা দেখিছিলো । কিজানি সেইটোৱেই ।" এই বুলি তেওঁ হালি খেপিয়াবলৈ ধৰিলে । খন্তেক খেপিয়ায়ে মাত দিলে —"এইটো, এইটো !"

'হয়, হয় দিয়ক" বুলি মাডামে মোহৰটো তেওঁৰ জেপত সুমুৱালে । বেতডাল আগৰ ঠাইত থৈ আহিল । এই মোহৰটো আছিল কুৰি "ছু"ৰ । তাই থিতাতে পাঁচ ছু লাভ কৰি নিমা[illegible] । কজেটে ভেবা লাগি মানুহজনৰ ফালে চাবলৈ ধৰিলে ।

এনেতে টেনাৰ্ডিয়েৰ-কন্যা ইপনিন আৰু এজেলমা আহি কোঠা সোমাল । মাকে সিহঁতক আস্তব্যস্তকৈ কাষত বহুৱাই ললে । সিহঁতে পুতলা লৈ খেমালি কৰিবলৈ ধৰিলে । কজেটে আঁতৰত বহি মুক্‌জা গুঁথি আছিল । তাই ই দুজনী ছোৱালীক খেমালি কৰা দেখি আমন-জিমনকৈ চাবলৈ ধৰিলে । মানুহজনৰ মনত দুখ লাগিল । মাডাম টেনাৰ্ডিয়েৰক কলে "মাডাম ! তাইক অকণমান খেমালি কৰিবলৈ এৰি দিয়ক ।" মাডাম গুজৰি উঠিল—"খুৱাব কোনে ?" মানুহজনে শেহত পাঁচ ফ্ৰাঁ দাম দি কজেটৰ আধা-গোঁথা মুজাজোৰ কিনি লৈ কজেটক খেমালি কৰিবলৈ ছুটী দিয়ালে । কজেটে তাইৰ অকণ-মানি সীহৰ তৰোৱালখনি লৈ ভয়ে ভয়ে উমলিবলৈ ললে । দেখুৱাই ওঁঠ দুটাৰে গিৰিহঁতনিক তাই ধন্যবাদ দিলে সঁচা, কিন্তু তাইৰ সেই সক এধাননানি আত্মাটিয়ে ধন্যবাদ দিলে মানুহজনক ।

ইপনিন আৰু এজেলমাই পুতলা এৰি মেকুৰী পোৱালি এটা লৈ খেমালি কৰিবলৈ ধৰিলে । কজেটে তৰোৱাল খনিকে বুকত সাবটি লৈ মনে মনে গাই গাই টোপনি নিয়াইছে । এনেতে মাডাম আহি নতুন আলহীৰ লগত কথা পাতিবলৈ ধৰিলে । টেনাৰ্ডিয়েৰ দম্পতীৰ মনত সন্দেহ হৈছিল —ই নিশ্চয় কোনোবা ক্ৰোড়পতি । নহলে কথাই কথাই ধন ঢালিব কিয় ? কজেটৰ কথা উলিয়ালে । কজেটে আঁতৰৰ পৰা কাণ পাতি শুনিবলৈ ধৰিলে । কাণেৰে কথা শুনি আছিল, ইফালে তৰোৱাল-পুতলা লৈ গুন্ গুন্ কৰে নাম গাই আছিল । কিবা এটা তাইৰ কাণত পৰিল । সুৰ একেদৰেই থাকিল, নামটি ওলাল—"তাই মোৰ মৰিলে ! আই মোৰ মৰিলে !" হঠাৎ তাইৰ মনত শোকৰ ঢকা-ঢমকা লাগিল ।

ওচৰতে এটি সক পুতলা । পুতলাটো ইপনিনৰ । কজেটৰ তৰোৱালখন ভাল নেলাগিল । কেউপিনে চকু ফুৰাই চালে । তাইক কোনেও মন কৰা নাই । তাই পুতলাটো লৈ অকণমান বেলি খেমালি কৰি আকৌ আগৰ ঠাইত থৈ দিব । [illegible]কৰে পুতলাটি লৈ তাই নিতাল মাৰি [illegible]ৰে উমলিবলৈ ধৰিলে । তাই আনন্দত স্বৰ্গ ঢুকি পালে । কিন্তু এই স্বৰ্গ তাই বেছি পৰ নাপালে । এই খন্তেকীয়া সুখো তাইৰ বৰ বেছি হৈ উঠিল । ইপনিনে কজেটৰ হাতত পুতলাটো দেখা পাই মাকৰ ওচৰত ওজৰ দিলে । মাক কঁপি উঠিল । চিঞৰ মাৰি দিলে "কজেট !"

কজেট উচপ খাই উঠিল, যেন ভূমিকম্পহে হল ! ঘটনা বুজিব পাৰি তাই আগৰ ঠাইতে ভুলকুলকৈ বৰ হতাশ মনেৰে পুতলাটো শুৱাই থলে । দুই হাতেৰে বুকুৰ গুৰিত খামুচি ধৰি ফেকুৰি ফেকুৰি কান্দি উঠিল । মানুহজনে গিৰিসাই ঠিয় হৈ প্ৰশ্ন কৰিলে "কি হল ? কি হল ?" মাডামে উত্তৰ কৰিলে "তাই হাৰামজাদীয়ে মোৰ ছোৱালীকেজনীৰ পুতলাটো লৈ উমলিবলৈ বিচাৰে । সাহৰ গোট !"

মানুহজনে একো নেমাতি ঘৰৰ বাহিৰ ওলাল । সুবিধা পাই মাডামে কজেটক খোৰ মাৰি দিলে । কজেট চিঞৰ মাৰি উঠিল । মানুহজন উভটি আহি আকৌ ভিতৰ সোমাল । পোনচাটেই কজেটৰ কাষ চাপি, কজেটৰ সেই হেঁপাহৰ পুতলাটি তাইৰ আগত ঠিয় কৰি দিলে, আৰু কলে "হোৱা, তোমাক এইটো দিছো ।" মানুহজনে কাষৰ দোকানলৈ গৈ পুতলাটো কিনি আনিছিল ।

কজেটৰ কান্দোন বন্ধ হল। ভয়-বিস্ময়ত তাইৰ উশাহ বন্ধ হোৱা যেন লাগিল। সপোনৰ বাণী যেন লাগিল "হোৱা, তোমাক এইটো দিছো।" তাই একো বুজি নেপালে। মাডাম্ টেনাৰ্ডিয়েৰে বুজিলে আলহী কুবেৰ। তেওঁক সন্তুষ্ট কৰিব পাৰিলে লাভৰ বাহিৰে লোকচান নাই। আলহীক ভাবৰি লগাই কজেটক মাত দিলে "ল' দ'! সেইটো এখেতে তোলৈকে আনিছে!"

"মাডাম, মই লমনে?"

"অঁ, ল।"

"ডাঙৰীয়া! সঁচাকৈয়েনে?"

আলহীৰ চকু তেতিয়া চকুলোৰে ভৰা। কণ্ঠৰোধ হৈ আহিছিল। মূৰ দপিয়াই পুতলাৰ হাতখন কজেটৰ হাতত লগাই দিলে। ... সাবটি ধৰি কজেটে মাত লগালে "মই এওঁক কেথেৰিন ... মাতিম।"

কজেটৰ ফটা-চিটা ময়লা কাপোৰে সেতিয়া পুতলাটোৰ নতুন চকা মছলিন কাপোৰৰ লগত ওচৰা-ওচৰিকৈ লগ লাগিছিল তেতিয়া দেখিবলৈ কিবা নাভূত-নাশ্রুত যেন লাগিছিল।

কজেটে সুধিলে "মাডাম! মই এওঁক চকি এখনত বহুৱাম নে?"

"বাকু বহুৱা।"

মাডাম টেনাৰ্ডিয়েৰে যদি সেই সময়ত পৃথিবীৰ ভিতৰত কাৰবাক বেছি ঘিণ কৰিছিল সেইটো মানুহ হৈছে কজেটক মৰম কৰা এই আলহীজন। তাইৰ অসহ্য হল। খঙ আৰু ঈৰ্ষাত তাইৰ তেজ তপত হৈ উঠিল। তৎক্ষণাত নিজৰ জীয়েকহঁতক শুবলৈ পঠিয়াই দি কজেটকো লগতে পঠিয়াই দিলে। কজেটে পুতলাটি বুকত বান্ধি শুবলৈ গল।

আলহীজন নিমাত নিতাল হৈ আকাশ-পাতাল ভাবি বহি থাকিল। একে একে হোটেলৰ এটাইবোৰ আলহী দিহা-দিহি গল। মানুহজন একেদৰে বহিয়েই থাকিল। মাডাম টেনাৰ্ডিয়েৰে শেহত আলহীৰ ওচৰত গিৰিয়েকক বহুৱাই থৈ শোৱাকোঠা সোমাল।

নিৰুপায় হৈ টেনাৰ্ডিয়েৰে মাত লগালে "ডাঙৰীয়া, শুব লাগিছিল।"

মানুহজন চক্-মক্ খাই মাত দিলে "অ, এৰা। পাছে আস্তাবল ... ৰৰ"

"মোৰ লগে লগে আহক।" এই বুলি টেনাৰ্ডিয়েৰে আগে আগে বাট দেখুৱাই গল। মানুহজন পাছে পাছে গৈ থাকিল। অলপ গৈয়ে এটা বৰ ধুনীয়াকৈ সজোৱা শোৱনী কোঠা পালেগৈ। মানুহজনে সুধিলে—

"এইটো কি?"

"আপোনাৰ শোৱা-কোঠা।"

"মই আস্তাবলতে ভাল পাওঁহেতেন।"

টেনাৰ্ডিয়েৰ মুখনা ভাও-ভুৰি কোঠাৰ বাজ হল। মানুহজন চকি এখন টানি মাৰি লৈ বহি পৰিল।

(আগলৈ)

শ্রীথানেশ্বৰ হাজৰিকা

---

# কুৰি শতিকাৰ কল্পতৰু

সত্যযুগত কল্পতৰু নামে সঁচাকৈয়ে এডাল গছ আছিল নে নাই নেজানো। কিন্তু আজি হেজাৰ হেজাৰ বছৰৰ মূৰত বৈজ্ঞানিকসকলৰ কঠোৰ তপস্যাৰ ফলত সৰগৰ কল্পতৰুক মৰ্ত্ত্যলৈ নমাই আনিবৰ দিহা হৈছে। কুৰি শতিকাৰ কল্পতৰু তাহানিখনৰ দৰে এডাল বিশেষ গছ নহয়। আজিকালি বৈজ্ঞানিকৰ হাতত প্রত্যেকডাল গছেই কল্পতৰু বিশেষ।

আমাৰ দেশৰ আম, কঠাল, লেচু, পণীয়ল আদি সকলো ৰকমৰ ফল-মূলৰে গোট যে ক্রমে দিনে দিনে বেয়া হৈ আহিছে, এই কথা কেতিয়াবা ভাবি চাইছেনে?



পটা-গুটি যেন আম, ভুটা মুনিচে জাঁকোৱালি নোপোৱা কঠাল, আজিকালি বুঢ়ীআইৰ সাধুকথা। আজিকালি আম-কঠাল আগৰদৰে নেলাগেও। আম-কঠালৰ সময়ত হয়তো আম-কঠাল কোনোবা গছত লগাই নাই, কোনোবা গছত যি কেইটা লাগিছে তাকো আঙুলিৰ মূৰত লেখিব পাৰি। শাক-পাচলিৰ অৱস্থাও তথৈবচ। আমি কওঁ, মাটিত সাৰ নাই। কিন্তু ই কেতিয়াও প্রকৃত কাৰণ নহয়। আমাৰ বোধেৰে ইয়াৰ কাৰণ হৈছে অসমীয়া মানুহৰ এলাহ। আমি ইমান এলেহুৱা হৈ পৰিছো যে আমি ঘৰৰ পো-জীয়ে খাবলৈ আম-কঠালৰ পুলি কৰৰ সময়ত কোন গাঁৱত ভাল আমৰ সঁচ আছে তাকো বিচৰাও আৱশ্যক বোধ নকৰো। হাতত যিহকে পাওঁ তাকে আনি পুতি থব পাৰিলেই ভাৱো, কৰ্ত্তব্যৰ হাত সাৰিলো। নিজৰ বাৰীখনৰ ফল মূলৰ গোট ডাঙৰ কৰিবলৈ নাইবা বাৰীখন ভাল কৰিবলৈ আমাৰ শতকৰা বেছি ভাগৰে চকু নাই। নহলে নহয়; এখন বাৰী পাতিব লাগে সেই বাবেহে অসমীয়াই বাৰী পাতে। তেনে নোহোৱা হলে আজি অসমীয়া আমৰ মঙহ বুলিবলৈ নোহোৱা হবলৈ নেপালেহেতেন। আজি এশ বছৰৰ আওহেলাত অসমীয়া ফল-মূলৰ গোট এনে শোচনীয় হৈ পৰিছে।

পাশ্চাত্য মানুহৰ বাৰীৰ ফল লোৱা দেখিলে তবধ মানিব লাগে। তেওঁলোকে আমাৰ দৰে যেই সেই গছৰ পুলিকে আনি বাৰীত নোৰোৱে। গুটি পঁচোৱা নাইবা কলম ধৰাৰ আগতে তেওঁলোকে চায়—কোন ঠাইত সেই ফল এটাইতকৈ উৎকৃষ্ট হয়, তাৰ পৰাহে সঁচ আনি বাৰীত ৰাখেহি। প্রত্যেক মানুহৰ এনে চেষ্টাত আজি সেইবোৰ দেশত মেমেৰা, হাতৰ মুঠিতে লুকুৱা ফল-মূল একেবাৰে লোপ পাইছে। এই বাচনিৰ গুণতে দেশৰ ফল-মূলৰ গোট দিনক দিনে ডাঙৰ হৈ আহিছে। এইদৰে ভাল সঁচ বাচি আনি ৰোৱাক বাচনি বোলে। ইয়াৰ বাহিৰেও গৱৰ্ণমেণ্ট আৰু ৰাইজৰ উদ্যগনিত নানা কৃত্রিম উপায়ে গছৰ গোট ডাঙৰ কৰিবলৈ চেষ্টা কৰা হৈছে। কৃষি-প্রদৰ্শনীবোৰ ভাল ফল-মূলৰ গোট দেখুৱাবলৈ পাশ্চাত্য খেতিয়কে সময় আৰু অৰ্থব্যয়ত ক্রুটি নকৰে।

উদ্ভিদবিদ্‌সকলে বাচনিৰ সহায়েৰে আজিকালি বহুতো অসম্ভৱ কথা সম্ভৱ কৰি তুলিছে। বৈজ্ঞানিকৰ চেষ্টা যত্নৰ বলত আজি প্রকৃতি মানুহৰ ইচ্ছাধীন বুলিলেও অত্যুক্তি নহব। আজিকালি পাশ্চাত্য দেশৰ মানুহে আমাৰ দৰে সেই মান্ধাতাৰ দিনৰ পৰা খাই থকা একেধৰণৰ একে সোৱাদৰ সেই একো বিধ ফলতে সন্তুষ্ট নহয়। একে ধৰণৰ ফুলেই আজি তেওঁলোকৰ সৌন্দৰ্য্য-তৃষ্ণা পলুৱাব নোৱাৰে। ঈশ্বৰৰ সৃষ্টিৰ ফুলবোৰৰ বাহিৰেও নিজৰ ৰুচি আৰু উপযোগিতা অনুসাৰে বেলেগ ৰহনৰ বেলেগ আকাৰৰ বেলেগ বেলেগ ফুল লাগে। আজিকালি ইচ্ছামতে ফুলৰ ৰহন, আকাৰ, গোন্ধ সলনি কৰি লব পাৰি আৰু নতুন ধৰণৰ ফলৰ গছ গজাই লব পাৰি।

## কি কি আশা কৰিব পাৰি

অকল যে আমাৰ কামত লগা নতুন ফল-ফুলৰ গছ উৎপাদন কৰি লব পাৰি এনে নহয়, যি ফল-মূল আছে তাৰ গোট, সোৱাদ, আৰু ৰহনৰ ইচ্ছামতে সালসলনি কৰি লব পৰা যাব। বিষাক্ত ফল-মূলবোৰৰ বিষাক্ত অংশ গুচাই খাদ্য ফল-মূলৰ সংখ্যা অলপতে বৃদ্ধি কৰা যাব বুলি বৈজ্ঞানিকসকলে আমাক আশা দিয়ে। একেবাৰে গুটি নথকা (অৰ্থাৎ বেদানা) নাইবা সৰু গুটি থকা ফল-মূল আজিকালি ওলাইছেই। ৰ'দ, বতাহ, বৰষুণ বা বৰফে নষ্ট কৰিব নোৱৰা ফল-মূলো অলপতে ওলাব।

## মিঃ লুথাৰ বাৰবাঙ্ক আৰু তেখেতৰ চেষ্টা

ফল-মূলৰ গোট বা গছ সলনি কৰা কথাত সকলোতকৈ কৃতকাৰ্য্য হৈছে মিঃ লুথাৰ বাৰবাঙ্ক। তেওঁ আমেৰিকাৰ এজন ডাঙৰ উদ্ভিদবিদ খেতিয়ক। খেতিয়কৰ ঘৰ বুলিয়েই হবলা লুথাৰে সৰুৰে পৰা প্রকৃতিক ভাল পাইছিল। কিন্তু অন্ধভক্তৰ দৰে তেওঁ প্রকৃতিক দূৰৰ পৰাই ভাল পায়েই সন্তুষ্ট নাছিল। তেওঁ প্রকৃতিৰ মনৰ কথা বুজিবলৈকো চেষ্টা কৰিছিল। প্রকৃতিক বুজিবলৈ হেপাহ আৰু উদ্ভিদলৈ সহানুভূতি এই দুয়োটাৰ গুণতে তেওঁ কোনোৱে কেতিয়াও সপোনতো নভবা কথাকো সম্ভৱ কৰি তুলিছে। এদিনাখন বাৰীত বিলাতী

আলু তোলোতে এজোপা গছত কুৰিটামান ডাঙৰ ডাঙৰ আলুগুটি পালে। সাৱধানে সেই আলুকেইটা পঁচাই তেওঁ কুৰিটা হৃষ্ট-পুষ্ট লহ পহ কৰে আলুপুলি পালে। প্ৰত্যেক জোপা গছৰে আলু বেলেগ বেলেগ ধৰণৰ হল তাৰে মুঠেই এজোপা গছৰ আলু বৰ ডাঙৰ আৰু নিমজ হৈছিল। সেই আলুজোপাৰ সঁচকে দহ-বাৰ বাৰমান বাচনি কৰি কৰি অৱশেষত তেওঁ এবিধ ঘূৰণীয়া, নিমজ, ডাঙৰ আলু পালে। গোট ডাঙৰ আৰু জাতো ভাল দেখি সকলোৱে সেই ধৰণৰ আলু কৰলৈ ধৰিলে। সেই বিধ আলুৰ নাম হল বাৰবাঙ্ক আলু ( Burbunk Potato )। আজিলৈকে কুৰি কোটীমান ডলাৰ মূল্যৰ বাৰবাঙ্ক আলু আমেৰিকাত বিক্ৰি হৈছে।

১৮৭৫ চনত তেওঁ আমেৰিকালৈ উঠি যায়। কালিফৰ্ণিয়াৰ ফল-ফুলে ভৰা ধুনীয়া উপত্যকা। এখনৰ 'চান্টা ৰচা' নামে গাঁৱত লতা-কুঞ্জেৰে আবৃত সৰু পজা এটিত তেওঁ থাকে। ঘৰৰ চাৰিওপিনে তেখেতৰ জগতবিখ্যাত বাগীচা। ওচৰতে সিবাস্তপলত তেওঁৰ পৰীক্ষাভূমি; বাগিচাখনেই বাৰবঙ্কৰ কাৰ্য্যমন্দিৰ বুলিব পাৰি। বাৰবাঙ্ক অক্লান্ত কৰ্ম্মীপুৰুষ; তেওঁ নিজে এখেন্তক সময় অবাবতে নষ্ট নকৰে আৰু আনেও তেওঁৰ সময় নষ্ট কৰিবলৈ নেপায়। কামৰ ব্যাঘাত হব বুলি কোনেও তেওঁৰ বাগিচাত পাঁচ মিনিটৰ সৰহ সময় থাকিবলৈ নেপায়। মিঃ বাৰবাঙ্কৰ প্ৰণালীত একো গুপ্ত ৰহস্য নাই। সাধাৰণ বাচনি আৰু মিলনেই তেওঁৰ একমাত্ৰ অস্ত্ৰ।

### বাচনি কাক বোলে

অলপ ভালকৈ চালে দেখা যায় ঠিক একে ৰকমৰ দুটা গছৰ পুলি পোৱা বৰ টান। এটা হয়তো অলপ বেছি শকত-আবত, আনটো অলপ নিশকতীয়া, এটাৰ ফুলৰ ৰঙন অলপ বেছি উজ্জ্বল, আনটোৰ অলপ শেঁতা। মিঃ বাৰবাঙ্কে গছ পাতবোৰৰ এই পাৰ্থক্যবোৰলৈ বৰ চকু দিয়ে। কোনটোৰ লগত কোনটো মিলে, কোনটোৰ লগত কোনটো লগলগাব পাৰিলে এবিধ নতুন গছ কৰিব পাৰি ইত্যাদিবোৰ বিচৰাই তেওঁৰ কাম। সেইকাৰণে তেওঁ সাধাৰণতঃ এশৰপৰা দহ হেজাৰলৈকে একে ধৰণৰ গুটি পঁচায়। সেইবোৰ গজি উঠিলে তেওঁ মনেভৰা গছৰ গুণলৈ চকু ৰাখি, কেতিয়াবা কুৰি, কেতিয়াবা আঢৈকুৰি, কেতিয়াবা এটা মাথোন পুলি বাচি লৈ বাকীবোৰ উভালি পেলায়। সেই পুলিবোৰৰ ফুল হৈ গুটি পকিলে তেওঁ সেই গুটিৰপৰা আকৌ নকৈ পুলি হব দিয়ে। তাৰো ভিতৰত আকৌ বাচনি কৰে। কেতিয়াবা এভাগ ভাল পুলিৰ বাবে দহবাৰ বাৰবাৰ বাচনি কৰিব লগা হয়। বাৰবাঙ্কৰ ৰঙা পপি ফুল বুলি এবিধ আফিং ফুলৰ বুৰঞ্জী কলে তেখেতৰ বাচনি আৰু মিলনৰ কথা ফটফটীয়া হব।

### পপিৰ ফুল ৰঙা হল কেনেকৈ

কালিফৰ্ণিয়াৰ হাবি-বননি বসন্ত কালত সাধাৰণতঃ হালধীয়া পপিৰ ফুলেৰে জকমকাই থাকে। মিঃ বাৰবাঙ্কে হঠাৎ এদিন এটা অলপ বেলেগ ধৰণৰ পপি ফুল দেখা পালে। ফুলটোৰ ভিতৰ ছোৱাৰ এডোখৰ অলপ ৰঙচুৱা যেন আছিল। এই পাৰ্থক্যৰপৰা মিঃ বাৰবাঙ্কে অনুমান কৰি ললে যে কোনোবা যুগত এজাত পপিৰ ফুল ৰঙা আছিল আৰু উদ্ভিদ জগতৰ জীৱন-যুদ্ধত আজিকালি সেই ৰঙৰ ফুল পৃথিৱীৰপৰা লোপ পাইছে। এতিয়া সেই ফুলটোক ৰঙা হবলৈ সুযোগ দিলেই হল। মিঃ বাৰবাঙ্কে তাক কেনেকৈ ৰঙা কৰিলে চোৱা যাওক।

প্ৰথমতে তেওঁ সেই ফুলটোৰ গুটি ধৰিবলৈ দিলে। সেই গুটিৰপৰা তেওঁ বহুতো পুলি কৰিলে। এই পুলিবোৰ ফুলিলত ফুলবোৰ হালধীয়া হল হয়, তাৰে কিছুমানৰ গাত কিন্তু ৰঙা ৰেখ বেছ স্পষ্টকৈ দেখা দিলে। এই ৰঙা ৰেখ থকা ফুলবোৰৰ পৰা অলপ বেছি ৰঙচুৱা ফুলৰ গছ কেইজোপা বাচি লৈ বাকী গছবোৰ উভালি পেলালে। এইদৰে কেইবাৰাৰো বাচনি কৰোতে, অৱশেষত লৈ তেওঁ গোটেই ফুলটো একেবাৰে ৰঙা কৰি পেলালে। নীলা Shirley poppy ৰ বুৰঞ্জীও প্ৰায় একে। ২০০০,০০০ পুলিৰ এজোপা গছতহে বাৰবাঙ্কে এটা নীলা আভা পায়। সেই ফুলটো আগৰদৰে বাচনি কৰি এটা সম্পূৰ্ণ নতুন ধৰণৰ ফুল পালে; আজিকালি সেই ফুলটোৰ নাম Shirley poppy। মিঃ বাৰবাঙ্কৰ মতে এইবোৰ একো



আচৰিত চকলগীয়া কথা নহয়। আজিকালি বাচনিৰ সহায়েৰে বহুত কাম কৰা হয়। বাচনিৰ সহায়েৰে আজিকালি নতুন ধৰণৰ যৱ, গোমধান আদিও কৰা হবলৈ ধৰিছে।

### দুবিধ ফুলৰ গছ কেনেকৈ লগলগাব পাৰি

তেওঁ কেনেকৈ দুবিধ গছৰ ফুল লগলগায়, তাক কবলৈ যোৱাৰ আগতে ফুলৰ বিষয়ে অলপ কোৱা আৱশ্যক। ফুলটোৰ ভিতৰত কি কি আছে ভালকৈ কৈ ললে কথাটো বুজিবলৈ টান নেলাগিব। ফুল এটাৰ পাহিবোৰ চিঙি পেলালে গোটেই ভিতৰৰ খলপ ওলাব। তাত কেইডালমান মিহি ঠাৰি ঠিয় দি পৰা দেখিবলৈ পাবা। ঠাৰিডালিয়ে পতি[illegible]ত বস্তু আছে। টোপটোৰ ভিতৰত কিছুমান হালধীয়া গুৰি থাকে। এই গুৰিবোৰক পৰাগ বা ৰেণু বোলে, আৰু যিটোৰ ভিতৰত এই পৰাগ থাকে, তাক পৰাগকোষ বোলে। পৰাগকোষ আৰু ঠাৰি দুয়ো একেলগে থাকিলে তাক পুংকেশৰ বোলে। ফুলটোৰ পুংকেশৰ ছিঙি পেলালে ভিতৰৰ যি অংশ দেখা যায় তাৰ নাম গৰ্ভকেশৰ। ইয়াৰ তলৰ ভাগ বহল আৰু ফোপোলা। গৰ্ভকেশৰৰ ভিতৰত গুটি থাকে। গুটি দিয়াই ফুলৰ আচল উদ্দেশ্য আৰু গৰ্ভকেশৰৰ ভিতৰত গুটি হয় বাবেই গৰ্ভকেশৰেই ফুলৰ আচল বস্তু।

পৰাগকোষ পকি ফাটিলে ৰেণুবোৰ পৰি যায়। কিছুমান নকৈ ফুলা ফুল বাচি সিহঁতৰ পুংকেশৰবোৰ কাটি পেলোৱা আৰু আন ফুলৰপৰা ৰেণু আহিব নোৱাৰাকৈ ফুলবোৰৰ ওপৰত ঢাকনি দি থোৱা; কিছুমান দিনৰ মূৰত দেখিবা ফুলবোৰ ওলাই গৈছে, গতিকে দেখা গল যে পৰাগকোষ ফাটি ৰেণু গৈ গৰ্ভকেশৰৰ পিঠিৰ ওপৰত নপৰিলে গুটি ডাঙৰ নহয় আৰু গৰ্ভকেশৰ শুকাই যায়।

### এডাল গছৰপৰা আন গছলৈ ৰেণু আনে কেনেকৈ

আৰু এটা কথা কওঁ—পুংকেশৰ ফটা ফুল এটাৰ গৰ্ভকেশৰৰ পিঠিত তেনে ধৰণৰ আন এটা ফুলৰ পৰাগকোষ পকি ফটা ফুলৰ ৰেণু কিছুমান ছটিয়াই দি ফুলবিলাক কাকত। মোণাৰে ঢাকি থোৱা। এপথমানৰ পিছত দেখিবা গৰ্ভকেশৰবোৰ বাঢ়ি ফল হৈছে, বীজাণুবোৰ গুটি হৈছে। পুংকেশৰবোৰ কাটি পেলোৱা হৈছিল হয়, কিন্তু তাত গুটি হবৰ একো ব্যাঘাত হোৱা নাই। মিঃ বাৰবাঙ্কে মুঠতে ইয়াকে বৰ সাৱধানে কৰে। তেওঁ এহাতে নকৈ ফুলা এবিধ গছৰ ফুল এটা হাতত লৈ সৰু বুৰুজ এডালেৰে সৈতে আন এটা ফুলৰ ৰেণু আনি হাতত থকা ফুলটোৰ গৰ্ভকেশৰৰ পিঠিত লগাই দিয়ে। এই উপায়েৰে তেওঁ ফুলটোৰ লগত যি ফুল মিলাব খোজে সেই ফুলটোৰ ৰেণু যিখিনি লাগে ফুলটোৰ গৰ্ভকেশৰত লগাই দিয়ে। তাৰ পিছত তেওঁ ফুলটো কাগজৰ মোনাৰে ঢাকি থয়, যাতে মৌ-মাখি নাইবা বতাহে ৰেণুপিনি উৰুৱাই নিয়া আন ফুলৰ ৰেণু তাৰ লগত লগ লাগিব নোৱাৰে। সেই ফুলটোৰ গুটি হোৱাত সেই গুটিৰ যি গছ হব সেই গছজোপাত দুয়ো বিধ গছৰ দুবিধ গুণ থাকিব। তাকে আকৌ বাচি বাচি ফুলৰ ৰেণু আনি আহি শেষত তেওঁ এবিধ নতুন গছ পায়। কেতিয়াবা তেওঁৰ চেষ্টা কৃতকাৰ্য্য হয়, কেতিয়াবা নহয়।

পেৰাডক্স ৱালনাট বুলি এবিধ আখৰোট জাতীয় গছৰ বুৰঞ্জীও প্ৰায় একে ধৰণৰ। বিলাতী ৱালনাট গছৰ ফুলৰ ৰেণু আনি খুব সাৱধানে কালিফৰ্ণীয়াত হোৱা ৱালনাট গছৰ ফুলৰ গৰ্ভকেশৰত লগাই দিয়া হৈছিল। ফুলবোৰ খুব সাৱধানে ফুলিবলৈ দিয়াত যি গুটি ধৰিলে তাৰ পৰা মিঃ বাৰবাঙ্কে এবিধ গছৰ পুলি পালে। দহ বাৰ বছৰৰ ভিতৰতে পুলিজোপা লহপহকৈ বাঢ়ি ত্ৰিশ চল্লিশ ফুট ওখ হৈ পৰিল। গছবোৰ দেখিবলৈ বৰ ধুনীয়া, অৱশ্যে গছবোৰত বেছিকৈ গুটি নেলাগে। গছডাল ইমান সোণকালে বঢ়া স্বত্বেও গছডালৰ পৰা সুন্দৰ কাঠ পোৱা যায়। এই নতুন গছডাল বিলাতী ৱালনাটৰ প্ৰায় চাৰিগুণ বাঢ়ে। গছডালৰ কাঠৰ ৰং বৰ ধুনীয়া আৰু কাঠো টান দেখি মিস্ত্ৰি কামলৈ বঢ়িয়া হব বুলি আশা কৰিব পাৰি। মিঃ বাৰবাঙ্কৰ ঘৰৰ আগফালে এশাৰী পেৰাডক্স ৱালনাট গছ আছে।

সেইদৰে কেলিফৰ্নীয়াৰ ৱালনাট আৰু পূৰ্ব্বদেশৰ ৱালনাটৰ মিলনৰ ফল হৈছে নতুন "ৰয়েল ৱালনাট"। ৰয়েল ৱালনাট গছডালৰ বঢ়া অলপ কম হলেও গছ-ডালত গুটি খুব ধৰে। সম্ভৱতঃ অলপতে আমি একে-ডাল গছতে সকলো গুণ পাম অৰ্থাৎ একেডাল গছেই খুব বেছিকৈ গুটি লগা, সোনকালে বঢ়া আৰু ভাল কাঠ দিয়া হব বুলি আশা কৰিব পাৰি।

ফলবান গছবিলাকৰ সম্মিলনৰ পৰা খুব আশাতীত ফল হৈছে। বাৰবাঙ্কৰ চেষ্টাত প্ৰায় তিনিকুৰি বিধমান বগৰী আৰু অলেখ নতুন এপ্‌ল আৰু নতুন চেৰিৰ সৃষ্টি হৈছে। জাপানী বগৰী আখৰোট মিলাই প্লামকট নামে সম্পূৰ্ণ নতুন এবিধ ফল মিঃ বাৰবাঙ্কে সৃষ্টি কৰিছে।

বাৰট্‌লেট বগৰীৰ বুৰঞ্জী বৰ সুন্দৰ। এদিনাখন বগৰী খাওঁতে মিঃ বাৰবাঙ্কে এটা বগৰীত বাৰট্‌লেট "পিয়াৰ" ফলৰ সোৱাদ পোৱা যেন পালে। তেওঁ তৎক্ষণাৎ সেই গুটিটো পচাই তেওঁৰ বাচনি আৰু সলনিৰ সহায়েৰে এবিধ নতুন বগৰী পালে। বগৰীটোৰ সোৱাদ আৰু গোন্ধ ঠিক বাৰট্‌লেট 'পিয়াৰ'ৰ দৰে হোৱা বাবে তেওঁ সেই ফলটোৰ নাম "বাৰট্‌লোট প্লাম" ৰাখিলে। 'ক্লাইমেক্স প্লাম'ৰ সৃষ্টিৰ কাৰণো প্ৰায় এই ধৰণৰ।

মিঃ বাৰবাঙ্কে কৰা এপ্‌লবোৰৰ ভিতৰত কিছুমানৰ আকাৰ সাধাৰণ এপ্‌লতকৈ বহুত ডাঙৰ। কোনোবাই ভাবিব পাৰে যে এজাল এপ্‌লৰ পুলিত এপ্‌ল লাগিবলৈ কিমান বছৰ লাগে তাৰ পৰিমাণে দেখোন ইমান বিধ নতুন নতুন ফলৰ গুটি লগা চাবলৈ জীয়াই থকাই অসম্ভৱ। শুনোতে কথাটো সঁচা, কিন্তু মিঃ বাৰবাঙ্কে সেই অসুবিধাৰ হাত সাৰিবলৈ এটা দিহা কৰি গৈছে। দিহাটো আন একো নহয় তেওঁ নতুন গছৰ পুলি-ডাল এডাল পুৰণি গছৰ গাত কলম দি লগাই দিয়ে। সাৱধানে কলম দি লগাই দিব পাৰিলে নতুন কলমডাল ততালিকে পুৰণি থাই গছৰ অঙ্গ হৈ পৰে আৰু সেইবাবে তাৰ বঢ়াৰ গতিও পুৰণি থাই গছৰ দৰে হয়। নতুন কলম ডালে পৰিপুষ্ট পুৰণি থাই গছৰ পৰা ৰস টানি লয়। কম সময়তে টনকিয়াল হৈ উঠে। তাকে নোহোৱা হলে, এডাল নতুন গছৰ কেনে ফল লাগে চাবলৈকে হয়তো দহ বাৰ বছৰ অপেক্ষা কৰিব লাগিলহেতেন। সাধাৰণ বগৰী গছত বগৰী লাগিবলৈকে প্ৰায় ছয় সাত বছৰ লাগে। বাচনি কৰি পোৱা নতুন গছৰ কলম লৈ এডাল পুৰণি গুটি লগা বগৰী ঠানিত লগাই দিলে তাৰ পিছৰ বছৰতে সেই নতুন কলমডালত ফল লাগে। কেতিয়াবা একেডাল গছতে কুৰিটা চল্লিশটা, কেতিয়াবা এশ দুশলৈকে কলম দিয়া হয়। মিঃ বাৰবাঙ্কে এবেলি এডাল এপ্‌ল গছতে ছশ কলম লগাইছিল। বগৰী গছতো প্ৰায় সিমান কলম লগাব পাৰি। মনেৰে ভবা মতে ফল হলে নতুন এপ্‌ল বা বগৰীৰ কলম ডাল ডাঙৰ হবলৈ দি সেইডাল গছৰে কলম ধৰি তাৰ সংখ্যা বৃদ্ধি কৰা হয়।

বগৰী আৰু এপ্‌লৰ বাহিৰেও দুনী জাতীয় বেৰী ফলবো তেওঁ বহুতো উন্নতি সাধিছে।

## কেক্‌টাছ বোলা সাগৰফেনা জাতীয় গছৰ কাঁইট নোহোৱা হল কেনেকৈ

যি বতৰত আন ফল একো নাপায়, সেই বতৰত আজিকালি সোৱাদ কেক্‌টাছ ফল পোৱা যায়। যি মাটি আগেয়ে কটুৰ বুলি খেতি নকৰিছিল তাত আজিকালি আমেৰিকাৰ খেতিয়কে 'কেক্‌টাছ' কই দিয়ে। ইয়াতে 'কেক্‌টাছ' গছৰ ফল লাগিবই। পুৰণি পাতবোৰ গৰু-মহৰ খাঁহ হয়, গুটিটো খোৱা বস্তু গতিকে একোকে পেলনি নেযায়। বাৰবাঙ্কে কয় সংসাৰত সকলো উদ্ভিদৰে প্ৰয়োজন আছে, মাথোন কামত লগাবলৈ ইচ্ছা থাকিব লাগে।

মিঃ বাৰবাঙ্কে দেখিলে যে সাগৰফেনা গছবোৰ নিচেই কটুৰ মাটিতে হয়। গোটেই গাতে কাঁইট থকা পাত নোহোৱা লঠামুৰা সাগৰফেনা গছবোৰ দেখি তেওঁ ভাবিলে কাঁইট নথকা হোৱা হলে গছডাল গৰু মহৰ খাঁহ হল-হেতেন। কিছুমান সাগৰফেনা গছৰ গুটি ধৰে। গুটি-বোৰ খায়। কাঁইটিয়া গুণে পাৰিবলৈকো বৰ আহকাল হয়। সেইবাবে তেওঁ নিচেই সৰু জাতৰ সাগৰফেনাৰ পুলি এজোপা লৈ বাচনি আৰু সলনিৰ সহায়েৰে তেওঁ এবিধ তেনেই নতুন ধৰণৰ কাঁইট নোহোৱা সাগৰফেনা গছ পালে। বৰ্ত্তমানে মিঃ বাৰবাঙ্কৰ বাগিচাত ৰঙা, বগা, সেউজীয়া ফুলৰ প্ৰায় পাঁচ শ বিধমানৰ কাঁইট নথকা সাগৰফেনা আছে। আমাৰ দেশত কোনেও উভটি নোচোৱা, হাবিয়ে-বননিয়ে উপচি থকা অকৰ্ম্মণ্য সাগৰফেনাৰ দৰে গছেও আমেৰিকাৰ মানুহৰ হাতত পৰি সকলো ৰকমৰ কামকে সাধিছে।



মিঃ বাৰবাঙ্কৰ চেষ্টা যে সদায় কৃতকাৰ্য্য হয় এনে নহয়, বহুত সময়ত তেওঁৰ চেষ্টা তেনেই বিফল হয়। "ৰেস্প বেৰী" আৰু "ষ্ট্ৰবেৰী" লগ লগাই তেওঁ এবিধ অকৰ্ম্মণ্য গছ পালে। গছডাল হল দেখিবলৈ "ষ্ট্ৰবেৰীৰ" দৰে আৰু তলৰ পিনে হল [illegible] ৰেবীৰ দৰে। কিন্তু ফুলিবৰ সময়ত বেৰী লাগিবৰ চাবি এবিধ ঠাৰিহে হল।

এবেলি হাতেৰে পিটিকি ভাঙ্গিব পৰা 'ৱালনাট' গছ এডাল কৰিবলৈ গৈ দেখিলে যে ডাঙৰ হবলৈ নৌ পাওঁ-তেই চৰাই-চিৰিকতি আৰু কেৰ্কে টুৱাই ৱালনাট খাই নষ্ট কৰে। এইখিনিতে বুজা যায় প্ৰকৃতিৰ বুদ্ধি কিছুমান ঠাইত মিঃ বাৰবাঙ্কৰ বুদ্ধিতকৈ বেছি।

মিঃ বাৰবাঙ্কৰ একো মন্ত্ৰপ্ৰভাৱ নাই। তেখেত বাচনি শক্তি অসাধাৰণ। তেওঁ গছৰ পুলিডালৰ ফুল নৌ-হওঁতেই পুলিডাল চায়েই কি ধৰণৰ ফল হব কৈ দিব পাৰে। পুলিডালৰ পাত আৰু ঠাৰি দেখিয়েই তেওঁ গছডালৰ ফলৰ বিষয়ে ধাৰণা কৰিব পাৰে। মিঃ বাৰ-বাঙ্কক দেখা মানুহে কয় যে তেওঁ হেজাৰ হেজাৰ পুলিৰ ভিতৰৰ কোন কেডাল পুলি তেওঁৰ কামত লাগিব অতি সহজে বাচি লব পাৰে। ফল-ফুলৰ মাজত নিচেই সৰল ভাৱে বাৰবাঙ্কে জীৱন যাপন কৰে, আৰু আজিকালি বয়স ভাটী দিলেও তেওঁ তেওঁৰ বাচনি আৰু সলনিৰ কাৰ এৰি দিয়া নাই।

তেওঁ সিদিনা কৈছে—"উদ্ভিদ জগতক মানুহৰ সুবিধাম আৰু অভাৱ অনুসৰি সলনি কৰি লবলৈ বাট দেখুৱাই দিয়াই মোৰ জীৱনৰ চৰম উদ্দেশ্য আৰু সাধনা।"

আৰু কেইটামান কথা কৈ আমাৰ প্ৰবন্ধৰ সামৰণি মাৰিম। বাচনি আৰু সলনিৰ বিষয়ে আমাৰ দেশত একেবাৰে চৰ্চ্চা নাছিল বুলি কলে সত্যৰ অপলাপ কৰা হব। বেদানা (বে-দানা অৰ্থাৎ গুটি নোহোৱা) আম, ডালিম, লেচু আদি আমাৰ দেশতো আছিল, কিন্তু ইয়াৰ চৰ্চ্চা বোধ কৰো নৱাব-মহলতে হৈছিল, তাৰ আৰু উন্নতি হোৱা নাই। অৱশ্যে অৱনতিও বৰ বেছি হোৱা নাই, কাৰণ ভাল গছৰ সাধাৰণতঃ কলম লোৱা হয়। ফজলি, গোপাল ভোগ, লেংৰা আদি পশ্চিমীয়া আমবোৰৰ বেছি ভাগেই নবাবী-মহলত উন্নতি কৰা। বিলাসী নৱাববোৰে ফল-মূলৰ উন্নতিলৈ চকু ৰাখিছিল আৰু ভাল ফল হলে বঁটা দিছিল গুণে ফলমূলৰ উন্নতি হৈছিল।

সুমথিৰা টেঙা এবিধ সুন্দৰ ফল। ভাল চেষ্টা-যত্ন হলে এই বিধ ফলৰ উন্নতি হবৰ আশা আছে। সুম-থিৰা টেঙাৰ বেছ বিক্ৰিও আছে। সুমথিৰা টেঙা আসামৰ মাটিতো হয়, কিন্তু বৰ দুখৰ বিষয় আজিলৈকে কোনো অসমীয়াই এই লাভবান কৃষি ব্যৱসায়টো বিস্তৃত-ৰূপে হাতত লোৱা নাই। সঁচা কথা কবলৈ গলে সুম-থিৰা টেঙাৰ ভাল যতনেই হোৱা নাই। নামনি আসা-মত পৰ্ব্বতৰ দাঁতিত চেচুক ঠাইত সুমথিৰা টেঙা ৰোৱা হয়। সাধাৰণতঃ দেখা যায় চেচুক মাটিত হোৱা ফল-মূলৰ গোট দেখাত ডাঙৰ হলেও ভিতৰত শাহ ভাল নহয়, আৰু সোৱাদো কম হয়। সেই কাৰণেই হবলা আসামৰ সুমথিৰা টেঙা দেখাত বেছ ডাঙৰ আৰু ধুনীয়া হলেও সিমান ৰসাল নহয়। ভাল সুমথিৰা টেঙাৰ ফুটাৰ সংখ্যা বেছি আৰু ৰসাল হয়। আমেৰিকা আদি দেশত টেঙা হোৱা মাটিৰ সাৰলৈ চকু দিয়ে। আমাৰ দেশতো সাৰৰ পিনে চকু দিয়া উচিত। সুমথিৰা টেঙাৰ বিষয়ে বৰ্ত্তমান লিখকৰ অভিজ্ঞতা খুব কম, গতিকে উন্নতিৰ বিষয়ে নতুন একো উপায় দিব নোৱাৰিলেও এইখিনি কোৱা বোধ কৰো অপ্ৰাসঙ্গিক নহব সুমথিৰা টেঙাৰ উন্নতিৰ বাবে অসমীয়াই চকু দিবৰ সময় হৈছে। সুমথিৰা বহুত কামত লাগে। সুমথিৰা টেঙাৰ পৰা বহুত মিঠৈ সৰবৎ, আচাৰ প্ৰভৃতি তৈয়াৰ হয়। সুমথিৰা টেঙাৰ খেতি আধুনিক বিজ্ঞানসম্মত উপায়েৰে হোৱা উচিত।

মিঃ বাৰবাঙে যব গোমধান আদিৰ বাচনি কৰা কথা আগেয়ে কৈ আহিছো, এতিয়া আমাৰ ধানৰ বিষয়ে দুষাৰমান কথাহে কম। আমাৰ দেশত অহু, শালী, আহু আদি কেইবা বিধৰো ধান আছে। কিছুমান ধানৰ গোট ডাঙৰ কিন্তু গুটি কম, কিছুমান গুটি বেছি কিন্তু গোট সৰু। মিলনৰ সহায়েৰে ধানবো সলনি কৰিব পাৰি। অসমৰ একমাত্র কৃষিবিদ ৰায়ছাহাব শ্রীযুত নাৰায়ণচন্দ্র বৰুৱাই দুবিধ বেলেগ ধান লগলগাই এবিধ নতুন ধান পাইছে বুলি তেখেতে এবাৰ 'খেতিয়ক'ত লেখিছিল। তেখেতে এইবোৰ কথাত বেছ যত্ন কৰে, আমি সাধাৰণ খবৰ হিচাপে ৰাইজৰ আগত দাঙি ধৰিছো। আশা কৰো শ্রীযুত ৰায় ছাহাব ডাঙৰীয়াই তেখেতৰ প্রণালী আৰু সফলতাৰ বিষয়ে ৰাইজক জানিবলৈ দিব। লগতে আন কোনো বিষয়ে তেখেতে নিজ অভিজ্ঞতাৰ কথাও জানিবলৈ দিলে অসমীয়া ৰাইজৰ প্রভূত উপকাৰ হব বুলি আমাৰ ধ্রুব বিশ্বাস।

শ্রীউমেশচন্দ্র বৰুৱা

---

# কৃপাদান

দয়াৰ সাগৰ প্রভু দিয়া দয়া দান,
তোমাৰেই দেহা বুলি
পৰ্ব্বত ভৈয়াম ধুলি
সকলোকে সেৱো যেন এৰি অভিমান।

নেলাগে কৰিব মোক মহাবলী বীৰ
ভাইহঁতে মৰমৰ
কঁপি যেন থৰথৰ
ৰাখা বুলি চৰণত, নিদিয়ক শিৰ।

কৰা মোক অতি দীন অতি বলহীন
ভাইৰ চকুৰ পানী
দেখি যেন দুখ মানি
সাবটি ধৰিব পাৰো পৰিহৰি ঘিণ।

নেলাগে কৰিব মোক অপাৰ সাগৰ
সৰগৰ ঢউ তুলি
নোফন্দো বলত ফুলি
সুবুৰাওঁ নাৰৰীয়া নাও ভয়ঙ্কৰ।

কৰা মোক পৰ্ব্বতৰ সৰু এটি জুৰি
পিয়াহত বিয়াকুল
বনৰ চৰাই কুল
হেপাহ পলাই মোক যক পাণ কৰি।

নেলাগে কৰিব মোক তৰা আকাশৰ
চিক্‌মিক্ পোহৰেৰে
ফেৰ মাৰি জোনায়েৰে
নেভাবো পৃথিবী মোৰ যশত পোহৰ।

কৰা মোক সৰু এটি ফুল বকুলৰ
থাকিম মাটিত পৰি
পূজাৰিয়ে কুকি ভৰি
লগাব পূজাত যেন তযু চৰণৰ।

নেলাগে কৰিব মোক কুবেৰ ধনত
যশস্যাৰ বৰ লই
নচলক কাল লই
নেথাকো আকাশ-ছোৱা ৰাজভৱনত।

কৰা মোক ঘৰহীন বাটৰ ভিখাৰী
তোমাৰ মহিমা গান
মুখে অবিৰাম গান
বজাই তোমাৰ যেন প্রেমৰ টোকাৰি।



নেলাগে কৰিব মোক গছ ভয়ঙ্কৰ
বতাহত হলি পৰি
দুখীয়াৰ ঘৰ বাৰী
ভাঙি যেন নোবোৱাওঁ ধাৰ লোটকৰ।

এজুপি আজলী লতা হাবিৰ মাজত
কৰা মোক দয়াময়
ৰোগী যাতে ভাল হয়
সপিলে পৰাণ মোৰ বেজৰ হাতত।

নেলাগে কৰিব মোক জ্ঞানী গুৰুজন
তোমাক জানিছো বুলি
ধৰমত ঢউ তুলি
নিদিওঁ নিদিওঁ যেন শিষ্যক শৰণ।

কৰা মোক অপবিত্র মহাম্লেচ্ছ অতি
অশুচি মলিন মানে
মচি-সাৰি সযতনে
সাধিম দেশৰ যেন অধ্যাত্ম উন্নতি।

শ্রীজগন্নাথ মহন্ত

---

# বগীতৰা

( চুটিগল্প )

ৰূপৰ বালিচৰা
অ বগীতৰা
লই যাম এতিয়া।

গাৱঁৰ ধেমেলীয়া ডেকালৰাবোৰে গাই তাইক জোকায়। তাইৰ হাতত ধৰি টনা-আজোৰা কৰে। তায়ো কন্দা ভাও জোৰে— "ওঁ হো-হোঁ, বুঢ়ীআইৰ আগত কৈ দিম।" তাৰে এটাই সোধে "বগীতৰা, তই মোলৈ বিয়া সোমাবিনে?" তাই হাঁহি-কান্দি 'দেখিছা— কৈ দিম' বুলি এবাৰ হাতৰ পৰা সৰকি লৰ ধৰে। ডেকাবোৰে হাঁহে। লগ পালেই সদায় জোকায়। তায়ো সদায় 'কৈ দিম, কৈ দিম', বুলি বুঢ়ীমাকৰ ওচৰ পাইগৈ।

গাওঁখনৰ ভিতৰত তায়েই আটাইতকৈ ধুনীয়া ছোৱালী। কিন্তু আটাইতকৈ দুখীয়া। তাইৰ মুখৰ হাঁহি, ৰং-ধেমালি দেখিলে কোনে কব তাই ইমান দুখীয়া বুলি? দৰিদ্রতাই তাইৰ আগত হাৰমানি তাইৰ ৰূপৰ আঁৰত লুকাই আছে। বয়স তাইৰ ৭ বছৰ মান। মাক-বাপেক, ককায়েক-ভায়েক বুলিবলৈ কেও নাই। থকাৰ ভিতৰত তাইৰ বুঢ়ীমাক। বৰ বুঢ়ী নহয়। চুলি দুই চাৰিডাল হে পকিছে। আদহীয়া।

লুইতৰ পাৰতে গাঁওখন। ওচৰত আৰু গাওঁ নাই। ছহৰৰ পৰা দহ মাইল মান আঁতৰত। গাওঁখন বৰ দুখীয়া। মানুহবোৰ সৰল। বৰ্ত্তমান সভ্যতাৰ চমক্ এতিয়াও গাৱঁত লগাহি নাই। মুনিহবোৰে সদায় মাছ মাৰিবলৈ যায়। নাৰেৰে নি ছহৰত বেচেগৈ। তিকতাবোৰ ঘৰতে থাকে, মাজে মাজে হাট-বজাৰলৈ যায়। গাওঁখন দেখিলে, ওচৰত লুইতখন দেখিলে, আৰু তাৰ চাৰিওফালে হাবি—গাৱঁৰ জুপুৰি ঘৰবোৰ দেখিলে দূৰৰ পৰা এখন ছবি যেন লাগে। গধুলি যেতিয়া সন্ধিয়া আকাশত ৰান্ধনিঘৰৰ ধোঁৱাবোৰ পাক খাই খাই উৰি যায় তেতিয়া এনেহে লাগে যেন ভাগৰুৱা গাওঁখনৰ অৱসাদৰ নিশাহবোৰে গাওঁখনক জিৰণি দি উৰি গৈছেগৈ। গাওঁখনত সদায় এনে এটা গহীনতা। এটা শান্তি। কিন্তু কেতিয়াবা কোনো দস্যুৰী তিৰোতাৰ মাতেৰে গাওঁখন জনজনাই যায়—এনেহে লাগে যেন সিহঁতে গাওঁখনৰ

শান্তিত আমনি পাই এবাৰ দীঘলকৈ উশাহ লৈছে। যেন কাৰোবাৰ অশান্তি-প্ৰিয় প্ৰাণে এনে শান্তিৰ বিদ্ৰোহ কৰি আৰ্ত্তনাদ কৰি উঠিছে।

( ২ )

দিনৰ পাছত দিন গল। কতবাৰ সন্ধ্যা লাগিল, কতবাৰ ভাগিল। কতবাৰ পুৱাই স্নিগ্ধ-কিৰণেৰে গাওঁ-খনৰ মানুহৰ মন ফৰকাল কৰিলে, কতবাৰ দুপৰীয়াৰ প্ৰখৰ সূৰ্য্যাই গাৱঁৰ মানুহৰ তত্ বুদ্ধি হেৰুৱালে! কতবাৰ গ্ৰীষ্ম আহি মানুহৰ গাৰ কাপোৰ-কানি সোলোকাই নাঙঠা গা প্ৰকৃতিক দেখুৱালে কতবাৰ শীত আহি মানুহক নিহালি, ফটাকঠাৰ জাপত সুমুৱালে! গাওঁখন কিন্তু সেইদৰেই থাকিল। কেৱল লৰা ডেকা হল, ডেকা আদহীয়া হল, আদহীয়া বুঢ়া হল... গ লগে বাটে-পথে ধিতিঙালি কৰি ফুৰা ছোৱালী বগীতৰাও গা... হল। তাইৰ ভাব ন হল, ভঙ্গী ন হল, চকুৰ চাৱনি ন হল। দেহাটিও কিবা ন আবৰণেৰে ঢাক্ খালে। লৰালি কালৰ সোপাই ঢাকৃখাই নাইকিয়া হল। তাই এতিয়া গাভৰু।

ডেকাবোৰে এতিয়া তাইক ওচৰলৈ আহি নোজো-কায়, তাইক বৰকৈ নামাতে, তাইলৈ চাই নাহাঁহে। কিন্তু দূৰৰে পৰা তাইলৈ চায়। তাই কিন্তু এতিয়া সেই চাৱনিকে সহ্য কৰিব নোৱাৰি ঘৰৰ বেৰৰ আঁৰ লয়, নাইবা মুখ একতীয়া কৰি আনফালে চাই যায়। তাইৰ এতিয়া বাঁহীৰ মাত শুনিলে, পেঁপাৰ মাত শুনিলে, দূৰৰ গীত শুনিলে, গাটো শিঁয়ৰি উঠে। অলপ ভবা-গুণা কৰে। উদাস ভাবত কেতিয়াবা হুমুনিয়াহ পেলায়।

তাই সদায় নৈঘাটলৈ পানী আনিবলৈ যায়। বাটত ডেকালৰাবোৰে ফিচিঙা-ফিচিঙ কৰে। হাঁহে। তাই লাজতে মুচ্ কচ্ যায়। সদায় পানী আনিবলৈ যাওঁতে গাৱঁৰ গ্ৰায়বোৰ ডেৃকাই তাইৰ চকুত পৰে। কিন্তু সিহঁতৰ ব্যৱহাৰ দেখি তাই নাক কোচায়। তলৰ পৰা মূৰ ওপৰলৈ নকৰেই। গাৱঁৰ কেবাটা ডেকায়ো তাইহঁতৰ ঘৰলৈ অহা-যোৱা কৰে। বগীতৰাৰ বুঢ়ী-মাকৰ হাট-বজাৰ কৰি দি ভালৰি বোলায়। বগীতৰাৰ সৈতেই সুবিধা পালে দুই এটা কথা পাতে। তাই কিন্তু কথা পাতিবলৈ বৰ অনিচ্ছুক।

বনমালী বগীতৰাৰ ঘৰৰ ওচৰৰে। সি কিন্তু আজি লৈকে বগীতৰাক দেখিলে ফিচিঙা-ফিচিঙ নকৰে, আন ডেকাবোৰৰ সৈতেও নুফুৰে। তাইক দেখিলে সি ৰ লাগি চায়। কেতিয়াবা চকুৱে চকুৱেও পৰিলে চকু আঁতৰাই নিয়ে। বৰকৈ সি বগীতৰাৰ বুঢ়ীমাকৰ ওচৰলৈ অহা-যোৱা নকৰে। বগীতৰাৰো সেই নিজ্জু লৰাটোলৈ ভক্তি আছে। ভক্তিৰ লগে লগে তাইৰ বনমালীলৈ মৰমো সোমাইছে।

বনমালীও ডখীয়া। মাক-বাপেক কেওঁ কিছু নোহোৱা মাউৰা। সম্পত্তিৰ ভিতৰত আকাশ দেখা ঘৰটো আৰু এখন টিং নোহোৱা তিনি টাপলি মৰা সৰু গুটীয়া নাও। লৰাটোৰ কিন্তু স্বভাব-চৰিত্ৰ ভাল। লেখা-পঢ়াও জানে। লৰাটোৰ ৰূপ-গুণৰ ভিতৰত—দেখিবলৈ ভাল মাতে কথায় ভাল। গাঁৱৰ ছোৱালীবোৰৰ সৈতে চুপতি কৰি ফুৰিবলৈ ভাল নাপায়। গাঁৱৰ যাকে তাকে আপদে-বিপদে সহায় কৰি দুৱে। ভাৱনাত ভাল ভাও দিব পাৰে। ভাল গীতও গাব পাৰে। ভাৱনাৰ মুকুট সজাত বৰ পাকৈত। বয়স একুৰিৰ ওপৰ। গাঁৱৰ সকলো মানুহেই লৰাটোক ভাল পায়।

(৩)

গাঁৱৰ মুখিয়াল হৈছে কদৰাম মেধি। ধনী বুলি-বলৈ মানী বুলিবলৈ গাঁৱৰ ভিতৰত কদৰামেই। বয়স ভাটি দিছে প্ৰায় চকুৰিৰ ওচৰা-ওচৰি। কদৰাম পাকৈত গুৰিয়াল। ডেকা কালত কদৰামৰ দৰে জালোৱা, নাও-বোৱা গাঁৱত কেওঁ নাছিল। অৱশ্যে এতিয়াও কম নহয়। পিছে আজিকালি মাছ মাৰিবলৈ নাযায়। কিছু ধন-বিত্ত গোটাই গাঁৱৰ মেল মাৰিয়েই মহা পয়োভৰে খাই-বৈ আছে। দুৰছৰমান হৈছে কদৰামৰ ঘৈণীয়েক মৰিল। লৰা-ছোৱালী একো নাই।

ভাৱনাই-সবাহে কদৰামৰ আগভাগ। গাৱঁৰ সকলোৱে কদৰামলৈ ভয় কৰে, কথা শুনে, ভক্তিও কৰে। গাৱঁৰ লৰা-ডেকাই কদৰামৰ ডাবিত তথা লাগে।

ঘৈণীয়েক মৰাৰেপৰা কদৰামৰ ধৰ্ম্মলৈ মতি হৈছে। গধুলি সদায় মানুহ গোটাই নাম-প্ৰসঙ্গ কৰে।



কদৰাম বৰলা হোৱাৰপৰা বগীতৰাৰ বুঢ়ীমাক কদৰামৰ তালৈ প্ৰায়েই অহা যোৱা কৰে। বগীতৰাও মাজে মাজে বুঢ়ীমাকৰ সৈতে কদৰামৰ ঘৰলৈ আহে। কদৰামে বগী-তৰাক বৰ মৰম কৰে।

বগীতৰাৰ বুঢ়ীমাকৰ মন যে এই বৰলা কদৰামৰ সৈতে নাতিনীয়েকক দি সম্বন্ধ পাতে, আৰু কদৰামৰ পৰাই বুঢ়াকালত পোহপাল লৈ থাকে। এয়েই বুঢ়ীৰ ইচ্ছা। কাৰণ কদৰামক ছোৱালী দিলে বুঢ়ীৰ আৰু অভাৱ নাথাকে। গাঁৱৰ আৰু কালৈকো বুঢ়ীয়ে ছোৱালী দিবৰ ইচ্ছা নাই। কদৰামেই যে গাঁৱৰ ভিতৰত ধনী মুখি-য়াল। কদৰামৰ মনত কিন্তু এই ভাব সপোনতো খেলোৱা নাই। বুঢ়ীয়ে কদৰামক এই বিষয়ে টুকুৰিয়াই চাবলৈ চল বিচাৰি ফুৰিছে, কিন্তু সুবিধা পোৱা নাই।

(৪)

বনমালীয়ে আধাভগা নাওখন বাটিবলৈ আহি নৈঘাটত খুচংখাচাং কিবা কৰি আছেহি। অলপ অলপ আন্ধাৰ হৈছেহি। প্ৰায়বোৰ তিৰুতায়ে পানী নি আটালে। এনেতে বগীতৰা কঁকালতে কলহটো লৈ পানী নিবলৈ আহি নৈঘাট পালেহি।

বনমালীৰ দৰে নিৰ্জ্জু লৰাটোও বগীতৰাৰ ৰূপৰ আগত ঠাৰৰিব নোৱাৰিলে। সি তাৰ নিজৰ অৱস্থা জানে। তাৰ ঘৰ-খনাৰ অৱস্থা জানে। তাৰ ধন-বিত্ত নাই বুলি জানে। সি দেখিছেও বগীতৰালৈ গাৱঁৰ কেবাটাও চহকী লৰাই চকু দিছে। সি নো বাৰু বগীতৰালৈ আশা কৰিব পাৰেনে? তথাপি তাৰ বুকত এটা আকাঙ্খা জাগি উঠিছে। সি বগীতৰালৈ আশা কৰিছে। তাৰ মনেৰে তাৰ একো নাই, কিন্তু বগীতৰালৈ তো তাৰ এই তাইলৈ ভালপোৱাৰে জুৰুলি-জুপুৰি হিয়াখন আছে। তাইক আন একো দিব নোৱাৰে, তাইক হৃদয় উবুৰিয়াই ভাল পাব পাৰিব। আজি কিছুমান দিনৰ পৰা বনমালীৰ মন বৰ উগুল-থুগুল। সি আজিকালি বগীতৰালৈ বৰ কেনেবাকৈ চায়; তাই চায়, সিও সেই চকুজুৰিৰপৰা কিবা সহানুভূতি পাই হবলা। ক'ম ক'ম কৈ সি ক'ব পৰা নাই, লগ ধৰো ধৰো কৈ সি ধৰিব পৰা নাই,—সুবিধা পোৱা নাই।

বগীতৰাই কলহটো লৈ পানী আনিবলৈ নৈত নামিল। বনমালীয়েও চাৰিওফালে এবাৰ চকুফুৰাই, তাইৰ কাষ পালেগৈ। কিন্তু তাৰ মুখৰ মাত নসৰা হল। বুকুখন ঢপঢপাবলৈ ধৰিলে। আনফালে বগীতৰাৰো ৰঙচুৱা গাল দুখনিও সন্ধিয়াৰ আন্ধাৰৰ মাজেদি বিৰিঙি উঠিল। বন-মালীয়ে কওঁ নকওঁকৈ ভয়ে ভয়ে মাত লগালে "বগি!" বগীতৰাই কিন্তু একো উত্তৰ নিদিলে। সি আকৌ মাতিলে। এবাৰ, দুবাৰ, তিনিবাৰ। কিন্তু বগীতৰাই তেও মাত নিদিলে। সি উভটিবৰ মন কৰি আকৌ এবাৰ মাতিলে। "বগি!—" তাই এইবাৰ লাহেকৈ উত্তৰ দিলে "কি?"

বনমালীয়ে কিন্তু একো কব নোৱাৰি কিছুপৰ মনে মনে থাকিল।

বগীতৰা—কি?

বনমালী—বগি! মই তোক এটা কথা কওঁ বুলি ভাবিছো। বগী—কি নো কবা?

বনমালী—বগি! তই মোলৈ বিয়া সোমাবিনে?

বগীতৰা সেইফালেই মূচকচ যোৱা দৰে হল, তাই একো কব নোৱাৰিলে। বহুতপৰ বৈ থাকি, কলহত পানী ভৰাই, এখোজ-দুখোজকৈ পাৰলৈ উঠি যাবলৈ ধৰিলে। বনমালীয়ে আকৌ সুধিলে—"বগি!"

বগীয়ে এবাৰ বনমালীৰফালে চাই কলে "পিছেকৈ কম" বুলি তাই লাহে লাহে আঁৰ হৈ গল। বনমালীয়ে সন্ধিয়াৰ আন্ধাৰত নাৱৰ টিঙত বহি ভাবিলেগৈ—'তাইৰ মন আছে বা নাই!' দীঘলকৈ হুমুনিয়াহ কাঢ়ি বনমালীয়ে গালে—

লুইতৰে বালি
বগী ধকেধকী
জোনাকত জিলমিল কৰে।

চকুৰে আগতে
তোমাৰ মু'খনিয়ে
হাঁহি প্ৰাণে মনে হৰে।

লুইত কিন্তু নৈয়েই থাকিল। নৈ অলপো নুশুনিলে। এই প্ৰেমিকৰ হা-হুতাশলৈ অলপো কাণ নকৰিলে। কত শতাব্দী ধৰি, কত যুগ ধৰি, লুইতে কত প্ৰেমিকৰ এনে

হা-হুতাশ সোঁতত উটাই নি সাগৰত বিলপাই দিছেগৈ চাগৈ, তাৰ কি লেখ-জোখ আছে। লুইতৰ মনত এই চৰ্থীয়া-নিচলা প্ৰেমিক নাৱৰীয়া মহাপ্ৰেমিকৰ এটা ধূলি-কণা নহয় জানো ?

(৫)

পুৱা ৰদকাচলিত বহি কদৰামে কাঠিকেডালমান তুলাই আছিল। এনেতে বগীতৰাৰ বুঢ়ীমাকে হাততে শাক-পাচলি অলপ আনি আগতে বহিলহি। নানা কথা-বতৰা পতাৰ পিছত কোনোবা সূত্ৰে বগীতৰাৰ কথা উলিয়াই বুঢ়ীয়ে কলে 'এৰা ছোৱালীটী এতিয়া কাৰোবাক গতাই, বুঢ়াকালত—।' কদৰামে বাধা দি কলে—'কিয় তোমাৰ ছোৱালী দিবলৈ নো কি ? দৰা সেইজনী ছোৱালীলৈ নাপালে আৰু নো কাৰৈ থুৱা ? তাইৰদৰে গাঁৱৰ ছোৱালী কেইজনী ?

বুঢ়ী—পাওঁতে তো পাইছোৱেই। পিছে বোলো, এনে ৰূপগুণ থকা ছোৱালীটী নো গতাওঁ কাক ? মই দেখাৰ ভিতৰত দেখোন কালৈকো মন নাযায়।

কদৰাম—কিয়, ইমান গাঁওখনত আৰু তোমাৰ ছোৱালীজনী দিবলৈকে থল পোৱা নাই নে ?

বুঢ়ী—এ! থল নো নোহোৱা হব কিয় ? পিছে জানো, বাৰু ধৰকচোন, আপুনিয়েই দেখোন তাইক আনিব পাৰে, ৰূপে গুণে আপোনাৰহে উপযুক্ত। পিছে আপুনি জানো আনিব ? নানে নহয়। সেই গুণেহে কৈছো আকৌ।

বুঢ়ীয়ে কথাকেষাৰ কৈ উৎসুক হৈ কদৰামৰ মুখলৈ চাই থাকিল। কদৰামো বৰ আচৰিত হল। যাক ইমান দিন কদৰামে জীয়েকৰ দৰে ভাবি মৰম-স্নেহ কৰি আহি-ছিল, আজি বুঢ়ীৰ কথাত বগীতৰাৰ মূৰ্ত্তিখনি কদৰামৰ আগত আহি নতুন সলাই থিয় দিলেহি। কদৰাম বহুতপৰ টলকা মাৰি থাকিল। কদৰামক একো নমতা দেখি বুঢ়ীয়ে আকৌ মাত লগালে। "এৰা ছোৱালীটী আৰু মই আপো-নাক হে গতাম বুলি ভাবিছো। আজিকালি ঘৰখনত সোমালেই উকঙা উকঙা যেন লাগে। বগীতৰাও আজি-কালি কামে-কাজে বৰ পাকৈত, তাই ঘৰখন বেছ সুন্দৰকৈ চলাব পাৰিব। তাইৰদৰে ছোৱালীয়েহে ঘৰখন শুৱাব।"

বগীতৰাৰ বুঢ়ীমাকে নানা কথা পাতিও কদৰামৰ পৰা কথা উলিয়াব নোৱাৰি ঘৰমুৱা হল। কদৰাম ঘৰৰ ভিতৰলৈ সোমাই গৈ ধপাত এচিলিম লগাই আনি-চোতালতে বহি ভাবিবলৈ ধৰিলে। 'এতিয়াতো আৰু মোৰ বিয়া কৰোৱাৰ বয়স নাই। তায়ো তেনেই কুমলীয়া ছোৱালী। সেইজনী ছোৱালীৰ সৈতে মোৰ জোৰ হবনে ?' ইত্যাদি নানা কথা ভাবিলে। কিন্তু যেতিয়া আকৌ বগীতৰাৰ ৰূপ মনত পৰিল তেতিয়া কদৰামৰ মন বৰ চঞ্চল হল। বগীতৰাৰ ৰূপে কদৰামৰ মনত ন যৌবনৰ সঞ্চাৰ কৰিলে। তাইৰ ৰূপ উপভোগ কৰাৰ লোভ সামৰিব নোৱাৰি তাইক বিয়া কৰাবলৈকে মনস্থ কৰিলে।

নৈঘাটত লগ পোৱাৰ পৰা বনমালীৰে সৈতে বগীতৰাৰ বৰ মিল হৈছে। বনমালীয়ে দিনটোত এবাৰ দুবাৰ বগীতৰাক দেখা নিদিয়াকৈ থাকিব নোৱাৰে। আৰু কেতিয়াবা সুবিধা পালে দুয়ো নানা কথা বতৰা পাতে। বগীতৰায়ো বনমালীলৈকে যাব বুলি বনমালীক কথা দিছে বোলে বনমালীলৈ নপৰিলে তাই ছেনো কানি খাই মৰিব।

সিদিনা নৈ ঘাটত লগ পাই বগীতৰাৰ হাতৰ আঙঠি এটা বনমালীক দি তালৈ বিয়া সোমাব বুলি শপত খাইছে। কিন্তু বিয়া সোমাবাৰ উপায় বত ?

বুঢ়ীয়ে কথাটো গম পাই আজিকালি দুয়োৰে ওপৰত বৰকৈ চমু ৰখা হৈছে। গাঁৱৰ আন আন ডেকা লৰা-বোৰেও কথাটোৰ কিছু গম পায়। কণাকণি কৰোতে কথাটো গৈ কদৰামৰ কাণতো পৰিছেগৈ।

( ৬ )

সেইদিনা গাঁৱৰ আটাইবোৰ মানুহ মাছ মাৰিবলৈ ওলাই গল। বতৰটো বৰ সুবিধা নাছিল। আকাশৰ লক্ষণ দেখি কদৰামে কালোৱাবোৰক ধুমুহা আহিব বুলি চেতাই দিলে। কিন্তু সিহঁত পানীৰ পোক। ধুমুহালৈ কি ভয় কৰিব। তাতে মাছ নামাৰিলে পাছদিনা কি খাব ? পাছদিনা আকৌ হাটবাৰ সেইদিনা মাছ বেচি সপ্তাহটোৰ কাৰণে বস্তুবাহানি কিনিব-কুটিবও লাগে।



সকলো গল। কদৰামে কিন্তু সোণকালেই আহিবলৈ ৰাতি নকৰিবলৈ বৰকৈ দঢ়াই দঢ়াই কলে। বনমালী-য়েও নিজৰ ভগা নাওখন লৈ মাছমাৰিবলৈ ওলাল। লাহে লাহে নাওবোৰ বহুত দূৰলৈ গুচি গলগৈ। প্ৰায়বোৰৰে জাল সিপাৰে।

সন্ধিয়া হওঁ হওঁ হৈছে। এনেতে বৰকৈ বতাহ বলি-বলৈ ধৰিলে। লগে লগে বৰষুণ কনিয়াবলৈ ধৰিলে মেঘ কলাহৈ আহিল। ধুমুহা অহা দেখি আটাইবোৰ নাৱৰীয়াই পাৰ হবলৈ নাও মেলি দিলে। সন্ধিয়াৰ আন্ধাৰে লুইতৰ বহল বুকু ঢাকি পেলালে। নাওবোৰ আন্ধাৰত লুকাই গল। ধুমুহা বাঢ়ি আহিবলৈ ধৰিলে।

গাঁৱৰ লৰা-তিৰুতাবোৰ হাহাকাৰ-চিঞৰ কৰি ধাপৰি নৈঘাট পালেহি। বিজুলীৰ চমকত দেখিলে লুইতৰ বুকুত নাওবোৰ এবাৰ ঢৌৰ কোবত তল এবাৰ ওপৰ কৰিছে। নাৱৰীয়াসকলে প্ৰাণপণেৰে নাওমাৰি পাৰলৈ আহিবলৈ চেষ্টা কৰিছে। পাৰৰ পৰা লৰা-তিৰুতাবোৰৰ চিঞৰত ধুমুহাও যেন কান্দোনকৈ তো তো কৈ তথা লাগি ৰৈছে। মাজে মাজে আকৌ সেই প্ৰণীবোৰক গ্ৰাস কৰিবলৈ চিঞৰত গগনি ফালিব লাগিছে। এই ধুমুহাৰ মাজতে পাকৈত নাৱৰীয়াবোৰে নাও আনি আনি পাৰত লগাবলৈ ধৰিলে। মাকে পিতেকক, ঘৈণীয়েকে গিৰিয়েকক ভনীয়েকহঁতে ককায়েকহঁতক, পুতেকে বাপেকহঁতক অহা দেখি আনন্দ কৰিবলৈ ধৰিলে। সকলো আহিল কিন্তু নাই বনমালী। বগীতৰাৰ মন যে কেনেকুৱা লাগিছে। তাই নৈৰ ফালে চাইছে, এবাৰ আন মানুহবোৰৰ ফালে চাইছে। হঠাৎ বিজুলীৰ চমকত নৈত নাও এখন জিলিকি উঠিল। নাৱৰীয়াই নাওখনত গৰা মাৰি ধৰি আছে। নাওখন উবুৰি খাই, ঢৌত তলওপৰ হব লাগিছে। কাৰো সাহ নহল আকৌ নাও লৈ লুইতলৈ যায় এনে বিপদত কদৰামৰ দৰে পাকৈত গুৰিয়ালে সাহ নকৰিলে আৰু কেওঁ গাঁৱখনত সাহকৰোতা নাই। বগীতৰা আহি কদৰামৰ ওচৰ পালেহি। তাইৰ মুখখনি দেখি কদৰামৰ আৰু সহ্য নহল। কদৰামে তৎক্ষণাৎ নাও এখনৰ ওচৰলৈ গৈ গাৰ কাপোৰ কানি-খুলি থৈ, নাও লুইতৰ মাজলৈ এৰি দিলে। মানুহবোৰে হায় হায় কৰিবলৈ ধৰিলে, "এটাৰ সৈতে এতিয়া দুটা যায়।"

আকৌ বিজুলীয়ালে। মানুহবোৰে দেখিলে, বনমালীৰ পৰা নাওখন বহুত আঁতৰত, সি সাঁতুৰি কৰকাই পানী খাইছে, আৰু কদৰামে নাৱেৰে তাক ধৰিবলৈ প্ৰাণ-পণে যত্ন কৰিছে।

বহুত পৰৰ মূৰত দেখা গল, কদৰামে বনমালীক পিঠিত তুলি সাঁতুৰি পাৰ পাইছেহি। মানুহবোৰে হৈ-ধ্বনি দি কদৰামৰ ওচৰ পালেগৈ। আটাইবোৰ বৰষুণত তিতি জুকলি জুপুৰি। বনমালীৰ চেতনা নাই। হাত ভৰিবোৰ চেঁচা পৰিছে। বগীতৰাই আহি বৰ উৎসুক হৈ চাই আছে। এবাৰ কদৰামৰ ফালে চালে। কদ-ৰামে বুজিলে যে তাইৰ অন্তৰৰপৰা কৃতজ্ঞতাখিনি তেনেই উবুৰি খাই ওলাই আহি তাক সেইদিনাৰ বৰষুণৰ দৰে তিয়াই জুকলি-জুপুৰি কৰিছেহি।

কদৰামৰো বনমালীলৈ কিবা এটা মৰম সোমাইছে। বেচেৰা লৰাটোৰ কেওঁ-কিছু নাই, কোনেনো সেৱা-শুশ্ৰূষা কৰিব বুলি ভাবি বনমালীক নিজৰ ঘৰলৈকে লৈ গল।

(৭)

কদৰামে বগীতৰাক বিয়া কৰাবলৈ মন কৰিয়েই পাছদিনা বুঢ়ীক বিয়াৰ সকলো যতাবলৈ কলে, আৰু বহাগত বিয়া পাতিব বুলি জানিবলৈ দিলে। বুঢ়ীমাকৰ পৰা যেতিয়া বগীতৰাই শুনিলে যে তাইৰ ভবিষ্যত তাইৰ বাপেকসমনীয়া বুঢ়া এটাৰ সৈতে বুঢ়ীমাকে গাঁঠি দিব খুজিছে তেতিয়া তাইৰ বুকুখন এনে এটা শোকে খুলি খুলি খাবলৈ ধৰিলে যে তাইৰ মনৰপৰা সকলো সকলো ৰং-ধেমালি আঁতৰি যাবলৈ ধৰিলে। সেই অন্ত-দাহৰ লগে লগে তাইৰ ৰূপো ম্লান পৰি আহিল। জক-মকৈকৈ ফুলি থকা ফুল পাহি তীব্ৰ সূৰ্য্যৰ পোহৰত অলপ মৰহি গল, কিন্তু জেউতি নকমিল।

বুঢ়ীয়েও নাতিনীয়েকৰ বিয়া পাতিবলৈ কাপোৰ-কানি ববলৈ ধৰিলে। লগত দিবলৈ পাতৰ ৰিহা-মেখেলা লগালে। কদৰামৰো বগীতৰাক বিয়া কৰাবলৈ উগুল-থুগুল লাগিল।

কদৰামে যেতিয়া শুনিলে যে বগীতৰাই বনমালীলৈ বিয়া সোমাম বুলি শপত খাই আঙঠি দিছে, তেতিয়া তাৰ এটা দাৰুণ বোষত গা পুৰি গল। বনমালীৰ প্ৰতি এটা তীব্ৰ হিংসাৰ ভাবে হৃদয় অধিকাৰ কৰিলেহি। তথাপি কিন্তু কদৰামৰ বনমালীলৈ কিবা এটা মৰম আছে তাক ঘৰতে ৰাখি সেৱা-শুশ্ৰূষা কৰিছে।

সেইদিনা ৰাতি বনমালীৰ জৰ বৰ বেছি। জ্ঞান নাই। প্ৰলাপ বকিছে। কদৰামে মূৰৰ শিতানত বহি মূৰত পানী দি আছে। প্ৰলাপৰ ভিতৰত বনমালীয়ে মাজে মাজে 'বগীতৰা' 'বগীতৰা' কৈ মাতি আছে। প্ৰত্যেকটি শব্দই আজি কদৰামৰ বুকত বজ্ৰৰদৰে আঘাত কৰিছে।

কদৰাম বহুত পৰ তলকা মাৰি থাকিল। তাৰ পাছত কদৰামৰ মুখখনি কিবা এটা ভাবত উজ্জ্বল হৈ উঠিল। আকৌ 'বগীতৰা', 'বগীতৰা কৈ বনমালীয়ে মাতিলে। কদৰামৰ অন্তৰৰ কামনা-বাসনাবোৰ যেন এই শব্দটোৱে খুন্দিয়াই থহাই ভাঙি দিব লাগিছে। শব্দটোৰ প্ৰত্যেকটো আঘাতত কদৰামৰ মন সংসাৰৰ পৰা ওলাই ওলাই উদাস হৈ যাব খুজিছে। কদৰামে প্ৰলাপৰ কথাবোৰ শুনি ভালকৈ বুজিলে বনমালীৰ সৈতে বগীতৰাৰ সম্বন্ধ কেনে।

কদৰাম বনমালীৰ ওচৰৰ পৰা লাহেকৈ উঠি গল। গোঁসাইঘৰ সোমাই আঁঠু কাঢ়ি প্ৰাৰ্থনা কৰিলে "প্ৰভু শঙ্কৰ গুৰু, মোৰ সুমতি দিয়া। এতিয়া এই বয়সত আৰু কিয় সংসাৰৰ প্ৰলোভন দেখুৱাই মোক মায়াত মুহি থব খুজিছা। মোক বুকুত বল দিয়া প্ৰভু!" কদৰামৰ মন যেন কিবা এটা নতুন আনন্দত উপচি পৰিল।

বনমালীৰ গা লাহে লাহে ভাল হৈ আহিল। এতিয়া বৰ দুৰ্ব্বল। কদৰাম বনমালীৰ ওচৰৰ পৰা নাযায়েই। বনমালীয়ে কদৰামক কলে "মোৰ নো কি আছে, দুখীয়া— আপোনাক কি দিম! মোক আপুনি জীয়ালে। এই ধাৰ মই জনমত সুজিব নোৱাৰো!" বনমালীক পৰীক্ষা কৰিবলৈ কদৰামে কলে "বনমালী বাৰু মোক একো নালাগে। তই যদি মোক তোৰ হাতৰ এই আঙঠিটো দিয় তেনে—।" বনমালীৰ গাটো জ্বলি গল। সি থতত মুখ আনফালে ওভোটাই নিলে "যি খোজে তাকে দিব পাৰো, কিন্তু এই আঙঠিটো নুখুজিব।"

কদৰাম আকৌ তলকা মাৰিলে। এইবাৰ কদৰাম একেবাৰে দৃঢ়প্ৰতিজ্ঞ হল। কদৰামৰ মন শিলৰ খুটি যেন কৈ বান্ধিলে।

(৮)

বসন্তৰ পৰশনত প্ৰকৃতি শিহঁৰি উঠিছে। কিবা এটা উন্মাদনাই প্ৰকৃতিৰ মাজেদি ভুমুকি মাৰি প্ৰাণীৰ প্ৰাণ কিবা এটা বলিয়া ভাবত উটাই-বুৰাই নিব খুজিছে। যেনিয়েই চকু যায় সেইফালেই কিবা এটা বলিয়া ভাব। প্ৰকৃতিৰ যেন কালৈকো ভ্ৰূক্ষেপ নকৰি আজি বলিয়া। ফুলৰ ৰেণুৱে সমীৰণে মলয়াই সুগন্ধই যেন কিবা এটা বলিয়া ভাব জগত বিয়পাই দিছে আৰু সেই আনন্দত মতলীয়া হৈ প্ৰাণীবোৰৰ নিশাহ বোধ হবৰ উপক্ৰম হৈছে।

জাৰৰ মাজেদি জহৰ ভাব বিৰিঙি ওলাইছে; তাৰ তীব্ৰ গোন্ধত প্ৰাণ-মনতো এটা তীব্ৰ আনন্দ জাগৰুক হৈছে। প্ৰাণে হাঁহিবও খোজা নাই, আনন্দ কৰিবও খোজা নাই; তথাপিও কিবা এটা অভিনৱ আনন্দ, কিবা নজনা লতাৰ সুৰদি মদিৰা খাই আজি বিশ্বজগত মতলীয়া।

বিহু আহিব লাগিছে। সকলোৱে এটা আনন্দৰ দিনৰ অপেক্ষা কৰিব লাগিছে। 'বিহু' আহিছে'—এই অপেক্ষাই কেনে মধুৰ, কেনে সুন্দৰ!

বগীতৰাবো আজি ভাব বলিয়া। কিন্তু ভবিষ্যতৰ নিৰাশাই বগীতৰাৰ অন্তৰৰ বলিয়াটিক শিকলি লগাই বান্ধি থৈছে। লৰচৰ কৰিবৰ শকতি নাই। তথাপিও সি মাজে মাজে এবাৰ কিৰিলি পাৰি নৃত্যৰ ভঙ্গীত শিকলিৰ বান্ধ মুক্ত হবলৈ প্ৰয়াস পাইছে।

বগীতৰাৰ মন ফুল পাত লতাৰ সৈতে মুঞ্জৰি উঠিছে;



প্ৰকৃতিৰ উন্মাদ ভাবে খুন্দিয়াই বগীতৰাৰ হৃদয়ৰ টোকাৰিখনিৰ সুৰদি সুৰদি সুৰ উলিয়াইছে, কিন্তু সি আধা ফুলি ফুলি মৰহি গৈছে। বগীতৰাৰ ভবিষ্যত আন্ধাৰ। বগীতৰাক বুঢ়াৰ সৈতে বিয়ারূপী ঘৰিয়ালটোৱে লুইতৰ বুকৰ আন্ধাৰ তলিলৈ টানি নিব ধৰিছে; কিন্তু বগীতৰাই প্ৰকৃতিৰ এনে সুন্দৰ দেশলৈ আহি তাত আপোন মনেৰে ঘৰিয়ালৰ গ্ৰাসৰপৰা মুক্তি পাবলৈ আৰ্ত্তনাদ কৰি চিঞৰি মৰিছে।

বিহুত গাঁৱৰ সকলো ছোৱালীয়েই নাচি-বাগি আনন্দ কৰি ফুৰিছে, ডেকালৰাবোৰে পেপা, বাঁহী বজাই আনন্দত মতলীয়া হৈ ফুৰিছে। গাওঁখনত তেতিয়া বিহুৰ একাধিপত্য ৰাজত্ব। বিহুৰ সুসাশনত সেই ৰাজ্যৰপৰা দুখ, শোক, নিৰানন্দ পলাই পত্ৰং দিছে। আনন্দ, ৰং-তমইছা, সঙ্গীত, গীত, পবিত্ৰভাব এইবোৰ সকলে বিহুৰ ৰাজসভাত নৃত্যগীতকৰি গোটেই ৰাজ্য মুখৰিত কৰি তুলিছে। বিহুৰ ৰাজমালিনী বাসন্তীয়ে গছৰ গুৰিয়ে গুৰিয়ে সঞ্জীৱনী পানী সিঁচি গছবোৰত সহস্ৰ ফুল ফুলাইছে। বিহুৰ ৰাজচিত্ৰকৰে বেলিৰ পোহৰৰ পৰা বৰণবোৰ টুকি আনি গছ লতাবোৰত সানি নানা বৰণেৰে ৰঞ্জিত কৰিছে। বিহুৰ ৰাজ্য আজি জাতিস্মাৰ। আনন্দময়। সুন্দৰ! মধুৰ।

মনে আজিৰ দিনা
উচাটি-বিচাটি
বিহুৰে বাতৰি পাই।
ৰঙালী বিহুটি
আহে ৰঙে কৰি
গাতে উন্মাদিহে নাই॥
গাভৰুৰ বুকৰে
গুপুতৰ কথাটি
বুকতে গুপুতে আছে।
ডেকাৰে মনেনো
আশাত আলসুৱা
আহিব বুলিয়ে নাচে॥
কতনা ফুলেনো
কত বৰণ পিন্ধি,
বাটে চাই আছে যে ৰই।
আহিব আহিব
বহাগৰ বিহুটি
সাদৰি আনিমে গই॥
বুকতে মৰমনো
আছে সাঁচতীয়া,
বিহু বিহু বুলি ৰই।
বিহুতে লগে পাই,
বাকী মৰমবোৰ
চেনেহীক চুমিব গই॥
গাএ ঐ কেতেকী,
গাএ কুলি মইনা,
কুউউ কুউউ কই।
ৰঙালী বিহুটি
...ল ৰঙে কৰি
নাচো মতলীয়া হই॥
বকুলে মালতী
গোলাপী কেতেকী,
ফুলেছো ফুলেছো ঐ
ৰঙালী বিহুটি
আহে ৰঙে কৰি
তোমাকে চাবকে লই।
পিন্ধা পিন্ধা পিন্ধা
সাতো বৰণকে
গছে পাতে লতা ঐ।
বহাগীৰে সতে
তেহে জোৰ মিলিব
সোণতে সুৱগা হই।
ডেকা নো গাভৰু
আহা জাকে পাতি
টকা পেঁপা ঢোলে লাই
দুখে শোক সৱাকে
যোৱাতে জাহে দি
আজি বিহুৰ দিনা
হাঁহিতে বলিয়া হই

আজি তুথীয়াৰ ৰভালী বিহুটি
আহিল ৰঙে কৰি ঐ ॥

( ৯ )

গোটেই গাওঁ আনন্দত মতলীয়া। ডেকা বুঢ়া সকলোৰে আনন্দ। বগীতৰাৰ সমনীয়া আটাইবোৰ ছোৱালীয়েই নাচি বাগি আনন্দ কৰি ফুৰিছে। কিন্তু বগীতৰাৰ মনত আনন্দ নাই। আজি বাদে কাইলৈ যে বগীতৰাৰ বুঢ়াৰ সৈতে বিয়া।

আজি বিহু। পুৱতি নিশাতেই গাঁৱৰ লৰা বুঢ়া ডেকা ডেকেৰীয়ে গা পা ধুই উঠিছে। পুঁৱাৰ প্ৰথম কিৰণ জোনাকী দেৱীৰ ৰিহাৰ আঁচলটি যেন হৈ আহি বগীতৰাহঁতৰ চোতালত পৰিছেঁহি। তাতে বগীতৰাই বহি গা বদাইছে। ভাবিছে গুণিছে। হাঁহি খিকিন্দালিৰে গাওখন মুখৰিত। বুঢ়ীয়ে তাতশালৰ ওচৰতে ধুৱা পকাকৈ আছে। বগীতৰাৰ লগত দিবলৈ বোৱা মেখেলা খন ওলাল।

ৰূপৰামে গাত চেলেং এখন পেলাই মিচিকি হাঁহি মাৰি চোতালত ঠিয় দি সুধিলেহি "পিছে কাপোৰ ওলাল নে?" বুঢ়ীয়ে মাত দিলে। 'ঔ বাপোৰ ওলাবতো। পিছে দিনবাৰ এটা ঠিক কৰোক। কাহানিকৈ বিয়া পাতিবনো পিছে।" ৰূপৰামে মৰহি যোৱা লতাজুপিৰ দৰে কুচিমুচি বগীতৰাৰ চকুলৈ চাই মিচিক কৰে হাঁহি এটি মাৰি কলে "বনমালী যেতিয়াই ভাল হব।"—আশঙ্কাত, আনন্দত সন্দেহত বগীতৰা ৰঙা পৰিল। বিহুৰ ৰঙচুৱা গোলাপী বৰণেৰে সৈতে তাইৰ গাল দুখানি বিজাই চোঁৱাত এচুলিও হেৰফেৰ দেখা নগল। *

শ্ৰীজ্যোতিআগৰৱালা

---

# বিধৱা-বিয়া সম্পৰ্কে আকৌ আষাৰ দিয়েক কথা

দুই তিনি মাহৰ আগতে বিধৱা বিবাহ লৈ আসামত যি কোবেৰে আন্দোলন চলিছিল তাতে আশা হৈছিল যে এইবাৰ ব্ৰাহ্মণ, গোঁসাই, মহন্তসকলৰ অপইতা দুখিনী বিধৱা ছোৱালীবিলাকৰ হিন্দুশাস্ত্ৰ মতে পুনৰ্বিবাহৰ এটি বিধান ঠাৱৰ হব আৰু সমাজৰপৰা অনেক মহাপাপ ক্ৰমে লোপ পাই অসমীয়া হিন্দু সমাজ সবল হৈ উঠিব। কিন্তু এতিয়া দেখোন সেই আন্দোলন শুমাই গল। যি বিলাক পাপৰ কাৰণে অতি আদি সভ্য জাতিৰ বৰ্ত্তমান বংশধৰ বোলোৱা হিন্দুসকলৰ অতি শোক লগা পতন অৱস্থা ঘটিল সেইবিলাককে আমি এতিয়াও সাবটি ধৰি পুনৰ্বিবাহ দিয়া নিষেধ কৰাৰ মূল কাৰণ কি তাক দকৈ চিন্তা কৰি বৰ্ত্তমান এই নিঠুৰ প্ৰথা ভাঙ্গিবলৈ আসামত কিছুমান মানুহে আগবাঢ়ি ওলালেই বিধৱা বিবাহ চলিত হৈ পৰে। বিধৱা বিবাহ নিষেধ হোৱাৰ মূল কাৰণ সতীদাহ প্ৰথা অতীজতে প্ৰচলিত থকাতকৈ আন একো নেদেখি। তিকতা বিধৱা হলেই সন্তান নাথাকিলে বা পূৰ্ণ যৌবন থাকিলে স্বামী মৰাৰ লগতে তিকতাজনীকো একে চিতাতে ধৰি বান্ধি দাহ কৰা প্ৰথা হিন্দু সমাজৰ যেতিয়া অতিপাত ঘটিছিল তেতিয়া চলিত আছিল যে এনে অনুমানক ভুল বোলাৰ একো কাৰণ নেদেখি। অতীজৰ পুৰাণবিলাকেই সেই কালৰ সমাজ চিত্ৰ আঁকি ঘোৰ ব্যভিচাৰ দোষৰ কাৰণে যে হিন্দু জাতিৰ পতন হল তাক প্ৰমাণ কৰে।

মানুহৰ সমাজ যেনেকুৱা সাহিত্যও তেনেকুৱা, ই অতি নিৰ্ভুল কথা। ৰোমান জাতিৰ অধঃপতনৰ দিনৰ তাৰ ব্যভিচাৰ দোষ যেনে প্ৰশংসাৰ কথা আছিল হিন্দু আৰ্য্য জাতিৰো তেনেকুৱা আছিল যে তাৰ ভুল নাই। মহাভাৰতৰ যুদ্ধৰ পিছত অসংখ্য তিকতা বিধৱা হোৱাৰ হেতুকে বৰ্ত্তমান য়ুৰোপৰ দৰে হিন্দু আৰ্য্য জাতিৰ ভিতৰত ব্যভিচাৰ দোষ প্ৰবল হৈ পৰে। সেই সময়ত এটি



মুনিহে বহু উপস্ত্ৰী ৰখা গৌৰৱৰ কথাহে আছিল। উপস্ত্ৰীবিলাকে শেষত হৈ গৈ অসংখ্য বেশ্যা সৃষ্টি কৰে, এই এই মূল কাৰণেই বংশ-মৰ্য্যাদা ৰক্ষা কৰিবৰ কাৰণে বাল্য বিবাহ আৰু সহমৰণ প্ৰথা প্ৰচলিত কৰে। কামিনীক সমাজে তেতিয়াৰেপৰা পাপৰ আকৰ বুলিহে দৃষ্টি কৰি আহিছে। তিকতা-জাতি যে বৈদিক যুগত অতি সন্মানৰ পাত্ৰ আছিল তাক ভাৰতৰ পতিত হিন্দু জাতিয়ে একেবাৰে পাহৰি গৰু-ছাগলিৰ হিছাপেৰেহে চাইছিল। তিকতা পাশৱিক বৃত্তি চৰিতাৰ্থ কৰা কাৰণে ভোগ্যা হেনহে গণ্য আছিল। কামিনী কেৱল প্ৰলোভনৰ সামগ্ৰী আৰু পাপৰ আকৰ এই প্ৰবল ভাবেই হিন্দুসমাজত যৌৱনবিবাহ বন্ধ কৰি বাল্যবিবাহ যি চ[illegible]লেই, পুৰুষৰ মৃত্যু হলে অপুত্ৰকা নাৰীৰ, যৌৱন অৱস্থাৰেই হক বা বাল্য অৱস্থাৰেই হক, সতীদাহ কৰা প্ৰথা প্ৰচলিত হয়; ইয়াক অনেক কাৰণত দয়া-পৰৱশ হৈ সময়ে সময়ে বাধ্যতামূলক কৰিব নোৱৰা স্থলত বিধৱাক কঠিন উপৱাস আৰু কঠিন নিয়ম প্ৰতিপালন কৰি থাকিবলৈ শাস্ত্ৰ লিখা হয়। এই বিলাক শাস্ত্ৰৰ মূল তিকতা জাতিক সতী যাবলৈ উদগোৱা পুৰাণবিলাক। এইবিলাকে একাদশী, অমাবস্যা আদি নানা তৰহৰ ব্ৰত-মাহাত্ম্য প্ৰকাশ কৰি বিধৱা যাতে দুভাগ অনাহাৰে থাকে তাৰেহে ব্যৱস্থা কৰে। কাৰণ বিধৱা স্ত্ৰীৰ শৰীৰ সবল থাকিলে কেনেবাকৈ তাই স্খলিত হয় বুলি এয়ে ভয়; কিয়নো কামিনী কেৱল পাপৰ আকৰ। জাত-কুলৰ অপমান কেনেবাকৈ যৌৱনপ্ৰাপ্তা বিধৱাই অনায় বুলি সতীদাহ নিয়মো চলোৱা হয় আৰু বিধৱা-সকলক নিঠুৰভাৱে কঠিন নিয়মত ৰখাও হয়। স্ত্ৰী-জাতিত বিশ্বাস নাই, ই পৃথিবী পাপৰ মলিৰে মলিন কৰে, এই ভাবটি তন্ত্ৰযুগৰ তান্ত্ৰিকতা অনাচাৰেও সমাজৰ ভিতৰত দকৈ সুমায়, এই হেতুকে ভাৰতৰ বঙ্গদেশ, ৰাজপুতনা আদি অনেক প্ৰদেশত ছোৱালী জন্ম হলেই গোপনে জন্ম অৱস্থাতে মাৰি পেলোৱা নিয়মো চলিছিল। হায়! যি নাৰীজাতিৰ পৰা নৰে সৃষ্টি সংসাৰ দেখিছে, যিসকলে তুলিতালি পুৰুষসকলক দশ-ডাঙৰ কৰিছে সেইসকলৰ ওপৰত এনে অত্যাচাৰ, অনাচাৰ আৰু নিমৰমিয়াল ব্যৱস্থা যিসকল শাস্ত্ৰকাৰকে আগৰ পৰা গুৰিলৈ চলাই আহিছে সেই সকলতকৈ নিঠুৰ কোন আছে!

যি আৰ্য্য জাতি আদি সভ্যতা আদি জ্ঞানৰ খনি, যি জাতিয়ে আদি ধৰ্ম্মপুস্তক ঋকবেদ ৰচনা কৰিছিল, যি জাতিয়ে আদিতে ব্ৰহ্মতত্ব ব্ৰহ্মজ্ঞান প্ৰচাৰ কৰিছিল, উপনিষদবিলাক যি কাৰ্য্যৰ সাক্ষী, যি জাতিৰ ঋষি-মুনিয়ে পৰমাণু আৰু ইয়াৰ আকাশতত্ব আজি ৭।৮ হাজাৰ বছৰৰ আগতে উলিয়ায় যি জাতিৰ সাংখ্য পাতঞ্জল বিশেষিক ন্যায়, জৈমিনি আৰু বেদান্ত অতুলনীয় দৰ্শন শাস্ত্ৰ, যাৰ তুলনা দিবলৈ পৃথিবীৰ মানৱজাতিৰ ভিতৰত এই পৰ্য্যন্ত কোনো সমকক্ষ দৰ্শন ওলোৱা নাই, যাৰ গীতা ভাগৱত অতুলনীয় যোগ ভক্তি আৰু নৈতিক শাস্ত্ৰ, যি দেশত শ্ৰীকৃষ্ণ আৰু গৌতম [illegible] অৱতাৰ হৈছিল, যি ভাৰতত বৈষ্ণৱ যুগত [illegible] ধৰ্ম্ম প্ৰচাৰবাদী অনেক মহাপুৰুষে জন্মগ্ৰহণ কৰিছিল, বৰ্ত্তমান ইংৰাজ ৰাজত্বৰ যুগতো অনেক মনীষীয়ে জন্মগ্ৰহণ কৰিছে, সেই ভাৰতৰ দুৰ্দ্দশাৰ মূলকাৰণ নিজদেশৰ নিজা ভাব, নিজা প্ৰকৃতি অনুসাৰে মাতৃজাতিক শিক্ষা দি জ্ঞানৰ উন্নতি নসধাতকৈ আন একো নেদেখি। মাতৃজাতিৰ মুখ আমি অজ্ঞানতা আবৰণত ভিতৰ সুমাই ৰাখি নিমাতকৈ ৰাখিছো দেখিহে পুৰুষসকলে আস্পৰ্দ্ধা পাই উঠিছে। যৌৱনবিবাহ নিদিয়াকৈ সৰু কালতে বিয়ানো কি বস্তু নজনা অৱস্থাত ছোৱালীবিলাকক বলেৰে ধৰি বিয়া দিবলৈ, পাত্ৰটি ৰুগীয়া নে দুৰ্ণীয়া আৰু তাৰ পূৰ্ব্বপুৰুষৰ বংশগত কোনো পোচৰা বেমাৰ আছেনে নাই তাক বিচাৰ নকৰাকৈ, মিছা জাত মান ৰক্ষা কৰা অৰ্থে কন্যাক অকুমাৰী অৱস্থাত বিয়া দি ঘৰৰ পৰা উলিয়াই পেলাই লেঠা ছিঙ্গা যি দেশৰ মানুহৰ নিষ্ঠুৰ ভাব তেনে হিন্দুজাতি ঈশ্বৰৰ অভিশাপগ্ৰস্থ নহৈ কোন হয়? এই অৱস্থাত বিয়া দিয়া ছোৱালীবিলাক অপইতা বয়সত শান্তিবিয়া কৰিবলৈ নৌ পাওঁতেই বিধৱা হোৱা অসম্ভৱ নে? দৰাচলতে হিন্দুৰ শুদ্ধ শাস্ত্ৰৰ পাত জুটিয়াই চালে বাপেক-মাকে বল প্ৰয়োগ কৰি দিয়া বিয়াক অসিদ্ধ বিয়া বুলি কি বুলিব পাৰি? অতীজৰ আৰ্য্যশাস্ত্ৰৰ ব্যৱস্থা কন্যাক পিতৃ-

---

* ফৰাছী গল্পৰ ছাঁ লৈ—লিখক

মাতৃয়ে ভালদৰে পালন কৰি শিক্ষিতা কৰিব লাগে আৰু যি পৰ্য্যন্ত আত্মশাসন কৰিব পৰা জ্ঞান নজন্মিব, পতি কি বস্তু তাৰ মৰ্য্যদা নাজানিব, সেই পৰ্য্যন্ত ছোৱালীক বিয়া নিদিব। বিয়া দিলেও বিদুষ অৰ্থাৎ বিদ্বান সুপাত্ৰক কন্যা দান কৰিব। কন্যা, লাগিলে ঘৰতে বুঢ়ী হৈ থাকক, তথাপি অপাত্ৰক দান নকৰিব। এই ব্যৱস্থামতে কন্যাই স্বইচ্ছামতে পাত্ৰ বাচি নোলোৱালৈকে দিয়া, তাৰ মানে কন্যাৰ ১৫।১৬ বছৰৰ কমে হোৱা বিয়া অসিদ্ধ বিবাহ। তেনেহলে অপঁহতা বিধৱা ছোৱালীবিলাকক আৰু সন্তান নোহোৱা বিধৱা যুৱতীবিলাকক পুনৰ বিয়া দিবলৈ বৰ্ত্তমান হিন্দুসমাজৰ আপত্তিৰ একো মূল্য থকা দেখা নাযায়।

বিধৱা-বিবাহ চলোৱা নিয়মটো অহিন্দু ব্যৱস্থা নহয় বুলি শাস্ত্ৰই কয়, তেনেহলে শাস্ত্ৰ নামধাৰী বৰ্ত্তমান সময়ত আমাক সমাজসংস্কাৰ কৰিবলৈ বাধা জন্মোৱা আৰু এতিয়া আমাৰ সমাজত পাপৰ আশ্ৰয় দিবলৈ কিছুমান কৌলিক দেখাচাৰকেই সদায় সাৱটি ধৰি ৰখাকেই সনাতন ধৰ্ম্ম পাতিম নে? সনাতন ধৰ্ম্মমঠ-ৰখীয়া, আগৰ যেনে সমাজ তেনে হৈয়ে থাকক বুলি হিন্দু ধৰ্ম্মক নিকপ-কপীয়া বান্ধত বান্ধিব খোজাসকলক সোধো, তেখেতসকলে যি হিন্দুধৰ্ম্মটিক সনাতন পাতিছে বৰ্ত্তমান তাক ধৰ্ম্ম বুলি অনেক চিন্তাশীললোকে আচাৰ-ব্যৱহাৰ আৰু অনুষ্ঠান আদি কাৰ্য্য বুলিহে কয়। যাক সনাতন ধৰ্ম্ম বোলে সি পৃথিৱীৰ সদৌ মানৱ জাতিৰ স্বভাৱ বা ধৰ্ম্ম ৰৈ সৈতে মিলে, সি মানৱজাতিৰ আদিম অসভ্য জন্তুৰদৰে অৱস্থা থকাৰ পৰা বিৰিঙ্গিয়াই মানুহক ইতৰ জন্তুৰপৰা পৃথক কৰি ৰখা হৈ আহিছে. সেইটিয়েই বিবৰ্ত্তন ক্ৰিয়া; বা ক্ৰম-বিকাশ ৰহস্যমতে মানুহ যিমান জ্ঞানী সভ্য হৈ আহিছে, মানুহৰ ভাৱে মানুহক পূৰ্ণতা দিবলৈ বাঢ়ি আহি আছে; এইটিকে বোলে বিবেক শক্তি। বিবেক মানুহত যিদৰে প্ৰতিফলিত হৈছে ইতৰ প্ৰাণীত তেনে নাই। মানুহ বিবেকী, গতিকে মানুহে দয়া মমতাৰ কাম কৰি দেৱজীৱন লাভ কৰিব পাৰে। এই বিবেকেই প্ৰেম কি বস্তু, ভক্তি কি বস্তু, তাৰ জগজনীয়া পোহৰ হৃদয়ত পেলাই দিয়ে।

প্ৰেমৰ শানথনিত বিচাৰশক্তি বিবেকক যি মানুহ বা জাতিয়ে ধাৰ দি ভালদৰে তুলিব পাৰে সেই মানুহ বা জাতিয়েই শক্তিশালী হৈ উঠে, ই সূৰ্য্যৰ পোহৰৰ দৰে সঁচা কথা। এই নিমিত্তে হিন্দু আৰ্য্যজাতিৰ প্ৰাচীন তত্ত্বশাস্ত্ৰই কয়, প্ৰেমৰ লগত জ্ঞান যোগকৰাকে সনাতন ধৰ্ম্ম বোলে—জ্ঞানযোগম্ হি সনাতনধৰ্ম্মঃ।

যেতিয়াৰেপৰা হিন্দু জাতিয়ে সময় চক্ৰ ঘূৰ্ণন গতি-দ্বাৰাই অধঃপতিত হৈ, উলটি অজ্ঞানতা আৱৰ্ত্তনৰ ভিতৰ সোমাল তেতিয়াৰে পৰা ধৰ্ম্মৰ উদাৰ ভাব এৰি স্বাৰ্থপৰতাত আশ্ৰয় লৈ বিবেকক ভোটা কৰি পেলালে, আৰু তেতিয়াৰে পৰা শাস্ত্ৰকে অশাস্ত্ৰ, অশাস্ত্ৰকে শাস্ত্ৰ আৰু ধৰ্ম্মকে অধৰ্ম্ম, অধৰ্ম্মকে ধৰ্ম্ম পাতি পেলালে। এই অৱস্থা অকল আৰ্য্য জাতিৰ ঘটা বুলিহে যে বুৰঞ্জীয়ে প্ৰমাণ কৰে এনে নহয়। পুৰাতন পৃথিৱীৰ ইতিহাসৰ পাত লুটিয়াই চালেই দেখা পোৱা যায় যে মানৱ জাতিৰ উত্থান-পতন প্ৰাকৃতিক নিয়ম, ই বিধিৰ নিৰ্ব্বন্ধ। এবাৰ ওপৰলৈ উঠিলেই যে তললৈ নামিব লাগে ই ধৰাবন্ধা কথা, কিন্তু যি জাতিৰ জীৱনী-শক্তি একেবাৰে বহু যুগ ধৰি চূৰ্ণ-বিচূৰ্ণ হৈ পৰিছে, তাৰ কাৰণ—যাৰ সমাজৰ কদাচাৰৰ দ্বাৰাই সমাজ বিশৃঙ্খল হৈ বহু যুগধৰি পৰপদসেৱী পৰাধীন জাতি হৈ পৰিছে সেই জাতি যে খোচামৰা জাতি হৈ শেষত নিজ অস্তিত্ব লোপ কৰি নানা জাতিৰ লগত মিহলি জাতি হৈ পৰে, পৃথিৱীৰ ইতিহাসেই তাক প্ৰমাণ কৰে। নিলেভ, বেবিলিয়ন, মেছপটমিয়া আদিৰ প্ৰবল প্ৰতাপী দ্ৰাবিড়ী ছুমেৰিয়ান অসুৰ জাতি আজি কলৈ গল, মিছৰ-ইজিপ্ত জাতিৰ, যাৰ প্ৰতাপত পৃথিৱী কঁপিছিল, আজি চিন নাইকিয়া হল; প্ৰাচীন গ্ৰীছ, দুৰ্জ্জেয় ৰোম, প্ৰতাপী কাৰ্থেজ আজি কালৰ গৰ্ভত সোমাল। যি আৰ্য্য জাতিয়ে পুৰাকালত ভাৰতত এদিন ৰাজসিংহাসন থাপন কৰি সপ্তদ্বীপ ধৰাৰ অধীশ্বৰ হৈ জ্ঞানৰ পোহৰেৰে সদৌ পৃথিৱী পোহৰাইছিল আজি এই ভাৰতৰ হিন্দু জাতি পূৰ্ব্ব ধৰ্ম্মজ্ঞান একেবাৰে পাহৰি নানা জাতিৰ তেজ মিহলি এটি পৰাধীন জাতি হৈ ঘোৰ অজ্ঞনতা এন্ধাৰত সোমাল। যি মুছলমান জাতিয়ে এসময়ত তৰোৱালৰ বল



দেখাই আটলাণ্টিক মহাসাগৰৰ পৰা প্ৰশান্ত মহাসাগৰ পৰ্য্যন্ত ৰাজ্যবিস্তাৰ কৰিছিল আজি সেই মুছলমান থান-থান-বানবান হৈ অধিকভাগ পৰাধীন অলপখিনি ক্ষীণ-ভাৱে সৰু সৰু ৰাজ্য পাতি আছে। ইয়াকে বোলে কালচক্ৰঘূৰ্ণন গতি: নিলেভ, বেবিলন, ৰোম, গ্ৰীছ প্ৰভৃতি জাতিৰ যদিও অধঃপতন হল, তথাপি তাৰ শ্মশান-শালিৰ ছাইৰপৰা নতুন জাতি উঠি স্বাধীন হল, ইছলাম আৰু খৃষ্টিয়ান দুই ধৰ্ম্মে মিছৰ দেশকে ধৰি নতুন নতুন জাতি গঢ়ি তুলিলে কিন্তু ভাৰতৰ মৰণ অৱস্থা দেহত পুনৰ জীৱ সঞ্চাৰ হবলৈ ই ধিপলিং ধিপলিং কৰি আছে। এই কথাৰ ঘাই কাৰণ ভাৰতৰ উদাৰ ধৰ্ম্মমতৰ শাস্ত্ৰ-বিলাক আৰু নীতিপূৰ্ণ জ্ঞানপূৰ্ণ দৰ্শকবিলাক; ইয়াৰ বাহিৰেও, যদিও ব্ৰাহ্মণসকল ... [illegible] ... হৈ পৰিছে, তথাপি অনেক ঠাইত এতিয়াও সংস্কৃত ভাষাৰ চৰ্চ্চা আছে।

ভাৰত আদি মহাজ্ঞানৰ খনি গতিকে শক, হুন মঙ্গলীয়া আদি জাতি এটিৰ পিছত এটিকৈ আহি ভাৰতৰ আদি আৰ্য্য জাতি বিলোপ হোৱা অৱস্থাত ভাৰত অধিকাৰ কৰি যদিও আধিপত্য বিস্তাৰ কৰিছিল, তথাপি ভাৰতৰ জ্ঞানৰ ওচৰত সিহঁত নম্ৰ হৈ হিন্দু জাতিৰ লগত মিহলি হৈ পৰিল আৰু একেটি জাতি হৈ পৰিল। কিন্তু মুছলমানে যেতিয়া আহি ভাৰতত ৰাজত্ব পাতিলেহি, তেতিয়াৰেপৰা সেই কথা গুচিল। ইছলাম ধৰ্ম্ম একেশ্বৰ-বাদ ধৰ্ম্ম, সেই ধৰ্ম্মে কামেৰে সাম্যতা উদাহৰণ দেখালে, ধৰ্ম্মৰ ঠাইত ভগৱানৰ আগত গোলাম বাদশ্বাহ দুয়ো সমান ভাব দেখালে, এনে দৃষ্টান্তই ভাৰতৰ হিন্দুবিলাক মুছলমান কৰি মুছলানৰ সংখ্যা বঢ়ালে। আৰবৰ মুছল-মানসকলে আহি যেতিয়া দেখিলেহি, হিন্দু পৌত্তলিকবিলাক পূৰ্ব্বৰ আৰৱ দেশৰ দৰেই নানা ঈশ্বৰক মনা, তেওঁলোকক যেনেতেনে প্ৰকাৰে খোদাতাল্লাৰ শৰণাগত কৰোৱা অৰ্থাৎ একমেবাদ্বিতীয়ম্ ঈশ্বৰপূজা কৰোৱা ধৰ্ম্মৰ কাম, এই কথাকে ধৰি অনেক হিন্দুক বলে-ছলেও যে মুছলমান কৰিলে তাৰ ভুল নাই। অতীজৰ যি হিন্দু আৰ্য্যজাতি ব্ৰহ্মজ্ঞানযুক্ত বৈষ্ণৱ ধৰ্ম্মাৱলম্বী আছিল, যাৰ ধৰ্ম্মৰ ওখ তত্ত্ব গোটেই এছিয়া খণ্ডত পোনতে প্ৰচাৰ হৈ পৰিছিল,

সেই হিন্দু আৰ্য্যজাতি বুদ্ধ যুগৰ শেষৰপৰা তন্ত্ৰ যুগত আৰব, মেছপতমিয়া আৰু মিছৰৰ অসুৰ জাতিৰ নানা তৰহৰ ধৰ্ম্মৰ মিছা দেৱদেৱীৰ উপাসক হৈ পৰিল। নৰ-বলি দিয়া, সতীদাহ, কেচুৱা কন্যা জন্মোতে বধ কৰা ইত্যাদি অনাচাৰ ৰীতি হিন্দুসমাজৰ ভিতৰত প্ৰচলিত হোৱা অৱস্থাত ভগৱানে মুছলমানক আনি যদিও ইছলাম প্ৰচাৰৰ দ্বাৰাই কিছু পৰিমাণে বাধা জন্মাইছিল, তথাপি তাক কমাব নোৱাৰিছিল। কাৰণ অসংখ্য ধৰ্ম্ম-দোকানী পুৰোহিতসকলে ৰোজগাৰৰ বাট মৰে বুলি তেনেবিলাক দেৱদেৱী পুজা নেৰিছিল, কাৰণ তেতিয়াৰ দিনত পুৰোহিত সকলে কৰ্ত্তৃত্ব কৰা হিন্দুৰ অনেক স্বাধীন ৰজা আছিল। অতি জ্ঞানী আৰ্য্যসকলৰ বংশধৰ ব্ৰাহ্মণবিলাক যে অজ্ঞান-তাৰ ঘোৰ এন্ধাৰত সোমাই হিন্দু জাতিক জ্ঞানৰাজ্যৰ পৰা বহু আঁতৰত পেলাব ই কল্পনাৰ অতীত। হিন্দুৰ এনে অধঃপতন অৱস্থাত মুছলমানে পোনতে ভাবিছিল, ভাৰতৰ তেনে গোটেইখিনি হিন্দুক ইছলাম ধৰ্ম্মত দীক্ষিত কৰি আল্লাৰ পবিত্ৰ নামৰ গৌৰৱ কৰা হক, কিন্তু বলেৰে হিন্দু মুছলমান কৰা কাৰ্য্যৰ বাধা জন্মাবলৈ ভগ-ৱানে এনেতে ভাৰতলৈ বহু মহাপুৰুষ এটাৰ পিছত এটাকৈ পঠাই থাকিব ধৰিলে। সেইসকলেই কবি, দাৰ্শনিক আৰু ধৰ্ম্মপ্ৰচাৰক; এই যুগটোকে বৈষ্ণৱ যুগ বোলে। এই বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকলৰ ধৰ্ম্ম মত দেখি মুছলমানসকলে তথা লাগি বুজিলে যে মূলত হিন্দুৰে মুছলমানৰে এক ঈশ্বৰ মনা একে ধৰ্ম্ম, তেতিয়াৰেপৰা হিন্দুমুছলমানৰ ভিতৰত ভাতৃভাব স্থাপন হল, আৰু অনেক মুছলমানো বৈষ্ণৱ হৈ পৰিছিল। এই বৈষ্ণৱ ধৰ্ম্মে নৰ-বলি পশুবলিৰ বহু পৰিমাণে বাধা জন্মালে হয় কিন্তু সতীদাহ আদি অনাচাৰ কাৰ্য্যবিলাক ধৰ্ম্মৰ ভিতৰত থাকিয়েই গল। ভাৰতৰ হিন্দু আৰ্য্যবংশধৰ সন্তানসকলক মহৰ্ষি দেৱৰ্ষি আদিৰ গুৰিত পুণ্যৰ প্ৰভাৱ থকাৰ কাৰণে উলটি সত্য ধৰ্ম্ম মনাবলৈ দয়াময় হৰিয়ে এটা ঘটনাৰ পিছত আন এটা ঘটনা লগাই কিদৰে অনবৰত চেষ্টা কৰি আছে সেইকে তলকি চোৱাসকলে ভাবিলেই আচৰিত মানিব লগাত পৰে।

ভাৰত অধিকাৰ ক্ৰমে ক্ৰমে যত জাতিয়েই কৰি আছিছে মানে বুৰঞ্জীয়েই সাক্ষী দি কয়, সকলোৰে পতন অনিবাৰ্য্য। কাৰণভাৰতৰ উভৈনদীকৈ উপচি পৰা সুলভ খাদ্য সামগ্ৰীয়ে আৰু অতুল ঐশ্বৰ্য্যে ক্ৰমে যেইসেই জাতিকেই বিলাসিতাপ্ৰিয় কৰি তোলে। বিলাসপ্ৰিয়তাই যে মানুহক কাম আদি ইন্দ্ৰিভোগী কৰে ই নিৰ্য্যাস কথা। এই পাপৰ দোষতেই মুছলমানৰ ৰাজ্য যোৱাৰ পিচত ইংৰাজে আহি ভগৱানৰ ইচ্ছামতে ভাৰত ৰাজ্য অধিকাৰ কৰেহি। এই সময়ৰ পৰাই খৃষ্টধৰ্ম্ম প্ৰভাৱ ভাৰতত পৰিলহি। সুসভ্য ইংৰাজ জাতিয়ে নৰবলি, সতীদাহ আৰু জন্মোতে ছোৱালী হত্যা কৰা প্ৰথা আইন কৰি উঠাই দিলে, গোলাম ৰখা প্ৰথাও উঠাই নিমাখিত গোলামসকলক মানুহ হব[illegible] দিলে। খৃষ্টান ধৰ্ম্মৰ প্ৰভাৱে ইংৰাজৰ প্ৰথম অধিকাৰৰ প[illegible]ৰ দৰে জাতিভেদকে খামোচ মাৰি ধৰা, প্ৰতি ঘৰে ঘৰে ধৰ্ম্ম-দোকান পতা, মানুহক নীহজাত পাতি একে হিন্দুজাতিৰ ভিতৰৰ এভাগক চলেও গা-ধুবলগা কৰি ৰখা আৰু সিহঁতৰ হাতে পানী খালে জাত যোৱা পৰাচিত হব লগা ইত্যাদি ব্যৱস্থাৰ দ্বাৰাই তলপেলাই থোৱা মানুহবিলাক আৰু অনেক ভদ্ৰবংশৰ সন্তানো যি দৰে খৃষ্টান হবলৈ কোব লৈছিল, ৰাজা ৰামমোহন ৰায়, মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ, কেশৱচন্দ্ৰ সেন আৰু স্বামী দয়ানন্দ সৰস্বতী আদি মনীষীসকল আবিৰ্ভাৱ হৈ তাত যদি বাধা নজন্মালেহেতেন তেনেহলে ইমান দিনে গোটেই ভাৰতৰ হিন্দু খৃষ্টান হৈ পৰিলহেতেন। হিন্দুধৰ্ম্মৰ নাম ইমান দিনে লোপ পালেহেতেন কিন্তু যি সকলে হিন্দুধৰ্ম্ম ৰক্ষা কৰিলে অধঃপতিত হিন্দুৰ ধৰ্ম্মধ্বজা উৰুৱাসকলে সেই সকলকেই সাধাৰণৰ আগত অহিন্দু পাতি তুলিলে। বিধৱাক পুনৰ বিবাহ দিয়া ব্যৱস্থা হিন্দুশাস্ত্ৰমতে চলিব পাৰে এই কথা বাহিৰ কৰা মনীষী ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰকো এইসকলে অহিন্দু পাতে! যোৱা চেন্সছত মানুহ গণনা হিচাপত যি হিন্দুজাতিৰ ভিতৰত এবছৰীয়া বিধৱা ছোৱালী ৮০০ কৈ বাহিৰ হৈছে, সেইবিলাকক উলটি বিয়া দিয়াও যি দেশে অশাস্ত্ৰীয় দস্তৰ বোলে সেই দেশৰ উন্নতি "গছত গৰু উঠা হোলোঙাৰে কাণ খজুৱা" কথাৰ দৰে লাগে। এই হিন্দুজাতি এনেদৰে আত্মাহীন হৈ পৰিছে যে যাৰ গাত নিৰ্ভীকতা গুণ থাকে তাৰহে হৃদয়ত প্ৰেমে বাঁহ বান্ধে আৰু তেনে মানুহ বা জাতিয়েইহে সৎসাহসী হয়। লাখে লাখে বিধৱা ছোৱালীৰ দুৰ্দ্দশাই আৰু কান্দোনৰ ৰোলেও আমাৰ কঠিন হৃদয়ক পমাব পৰা নাই!

হিন্দু ধৰ্ম্মৰ শকত ভেটিটি অকল প্ৰেমেৰে বন্ধোৱা তাক গীতা ভাগৱত আৰু উপনিষদ আদি সকলো শাস্ত্ৰই একবাক্যে কয়। সকলো ভূততে সৰ্ব্বব্যাপী হৰি বিৰাজমান, গতিকে সকলো জীৱকে আত্মবৎ দেখিবলৈ আৰু সকলো স্ত্ৰীজাতিকে মাতৃবৎ জ্ঞান কৰিবলৈ হিন্দুশাস্ত্ৰই কয়। তেনে হলে হিন্দুজা[illegible] তিকতাৰ প্ৰতি নিষ্ঠুৰ ব্যৱহাৰ কৰা কথাই প্ৰমাণ কৰে [illegible] শাস্ত্ৰ নামানি প্ৰেমধৰ্ম্ম পৰিত্যাগ কৰা হে হিন্দুৰ পতনৰ মূল কাৰণ। ধৰ্ম্মই প্ৰেম, প্ৰেমেই ধৰ্ম্ম। জাতমৰা ভয়, চুৱালগা ভয় মানুহ হৈ মানুহক ঘিণ কৰা আৰু শুদ্ধাচাৰ বুলি জাতিভেদৰ বান্ধ টানকৈ বন্ধা, এনেবিলাক অজ্ঞানতাৰ পৰা উদ্ভৱ হোৱা কুসংস্কাৰৰ দোষেই আমাক ভীক কৰি তুলিছে। ওপৰলৈ উঠিলে উলটি তললৈ নমা প্ৰকৃতিৰ নিয়ম; জন্ম হলে মৰিবও লাগিব এই প্ৰকৃতিৰ বিধানক একোৱে লৰচৰ কৰিব নোৱাৰে ই সঁচা কথা, কিন্তু চেষ্টা কৰিলে উলটি তলৰ পৰা ওপৰলৈ উঠিব পাৰি আৰু অকাল মৃত্যুৰ পৰা ৰক্ষা পাবও পাৰি। এই হে অকহীযুগীয়া আৰ্য্যবংশৰ পৰা উদ্ভৱ হোৱা হিন্দুজাতিটোক অকাল মৃত্যুৰ গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ আজিকো পৰ্য্যন্ত অনেক মনীষী, অনেক মহাপুৰুষে অহোপুৰুষাৰ্থ কৰিও নিষ্ফল হৈছে। আৰ্য্য-জাতিৰ অধঃপতন ক্ৰমে ক্ৰমে হৈ অহা আজি প্ৰায় ডেৰ হাজাৰ বছৰ হৈছে; তাৰ পাপ-কলঙ্কিত যিবিলাক সামাজিক ব্যৱস্থা আৰু আচাৰ-ব্যৱহাৰ এই পৰ্য্যন্ত কোনো মহাপুৰুষেই একৰাব নোৱাৰিলে। বৰ্ত্তমান যুগ হৈছে দৰ্শন-বিজ্ঞানৰ যুগ, পৃথিবীত লাহে লাহে জ্ঞানৰাজ্য বাঢ়ি আহিছে; কিন্তু হিন্দুজাতিয়ে পুৰণি দিনকেই সাৱট মাৰি ধৰি আছে। অতীজৰ যিবিলাক ব্যৱস্থা, অতীজৰ যিবিলাক দেৱদেৱী বিশ্বাস, সেইবিলাক এতিয়া নাখাটে। এই কাৰণে এতিয়া দেখা যায় প্ৰায় গোটেই ভাৰতৰ শিক্ষিত হিন্দু-যুবকসকলে য়ুৰোপৰ আহি, বিলাসিতা, ধৰ্ম্ম শিক্ষা কৰিছে; এনেস্থলত আৰু এক শতাব্দীৰ ভিতৰত হিন্দুৰ অস্তিত্ব ৰখা যে টান নহব এনে অনুমানৰ ওপৰত একো সন্দেহৰ কথা নেদেখি। এই পৃথিবীৰ কোন দেশৰ বিধৱাসকলক পতিতা হবলৈ বাধ্য কৰা হয়? পুৰুষৰ লাগিলে ৫০।৬০ বছৰেই হক তিকতাজনী চুকালে নিজা জীয়েকৰ বয়সীয়া এজনী নালাগে দুজনী বিয়াকৰা প্ৰথাও শাস্ত্ৰসন্মত ব্যৱস্থা বুলি যি জাতিত পৰিগণিত হয়, এনে জাতি কেনেকৈ উন্নতিৰ পথত আগ বাঢ়িব পাৰে? যদি কোৱা, য়ুৰোপ আদি শক্তিশালী সুসভ্য দেশৰ ব্যভিচাৰ পাপৰ দোষ আমা[illegible] বেছি, এই কথা আমি নিজে ভালদৰে নেদেখি-শুনিলেও যদি পতিয়াওঁ, তাৰ উত্তৰত এই কথা কওঁ যে, য়ুৰোপ আমেৰিকা আদি ভোগবিলাসপূৰ্ণ শক্তিশালী দেশৰ পাপক সমৰ্থন কৰি চলা আমাৰ পক্ষে বৰবিহ খাই মৰাৰ তুল্য। সেইবিলাক শক্তিশালী দেশে যিবিলাক পাপ হজম কৰিব পাৰে আমি তাক নোৱাৰো। যেনেকৈ গাৰ বল থকা ভৰপূৰ ডেকা মানুহটোৱে খোৱা-লোৱাৰ অত্যাচাৰ কৰিলেও তাৰ হজম হয়, কিন্তু বুঢ়া নাইবা লৰাই তেনে কৰিলে বদহজমী ৰোগে ধৰি মৃত্যু মুখলৈ টানে, সেইদৰে নিশকতীয়া পৰাধীন জাতিয়ে য়ুৰোপ আমেৰিকাৰ আহি ধৰি ভোগবিলাসত ৰত হলে সোণকালে অকাল মৃত্যুক হে আহ্বান কৰা হয়।

বৰ্ত্তমান যদি আমি হিন্দুজাতিয়ে নিজ অস্তিত্ব ৰাখিব খোজো, তেনেহলে য়ুৰোপ আমেৰিকাৰ ভোগবিলাসৰ আদৰ্শ গ্ৰহণ নকৰি কেউপ্ৰকাৰে সংযমী ভাৰত থাকিব লাগে; ঘাইকৈ সমাজৰ পাপবিলাক ভালকৈ ধুই দেশক নিকা কৰিব নোৱাৰিলে দেশৰ উন্নতি আশা কৰা লৰাই ধুলিৰে ধেমালি কৰা দৰে। আগতে ডেকাসকলে সমাজসংস্কাৰ নকৰাকৈ ৰাজনীতি সংস্কাৰ কৰিবলৈ চেষ্টা কৰা একেদৰে ধুলিৰ খেলা যে তাৰ ভুল নাই। কোনো জাতিক ৰবকৈ ব্যভিচাৰ আদি পাপ সোমালে সেয়ে ক্ষয়ৰোগৰদৰে জাতিটোক লাহে লাহে খাই পেলায়। এই কথাৰ প্ৰমাণ বুৰঞ্জীয়েই দেখায়। যিটো জাতিৰ প্ৰতাপ দ্বাপৰ বা ত্ৰেপৰ যুগত উঠে তেতিয়া পাপৰ গম জাতিটোৱে একো নাপায়, কিন্তু যেতিয়া সেই প্ৰতাপ প্ৰকৃতিৰ বিধানমতে লহিয়াব ধৰে তেতিয়াহে ক্ৰমে তাৰ চিন ওলাই পৰে। হিন্দুজাতি এসময়ত বৰ প্ৰতাপী আছিল, অনেক পাপ কৰা ফলত ইয়াৰ পতন হল; সেই মূৰ্ত্তিমন্ত পাপবিলাকে এতিয়াও আমাৰ চকুৰ আগতে দেখাদি আমাৰ জাতীয় শৰীৰটো ৰোগৰদৰে ভোগ কৰি দুৰ্ব্বলকৈ ৰাখিছে। সেইবিলাক ৰোগ জাতিভেদ, সাম্প্ৰদায়িক ভেদ, নিষ্ঠুৰতা ঘিণ, হিংসাদ্বেষ, যৌৱনবিবাহ আৰু বিধৱাবিবাহ নচলোৱা ইত্যাদি।

আমাৰ আসাম দেশত ব্ৰাহ্মণসকলৰ ভিতৰত বিধৱা-বিয়া নচলোৱা হেতুকে ক্ৰমে দেশত পাপৰ সোঁত প্ৰবল হৈ উঠিছে, ডাঙৰ ডাঙৰ বংশৰ কন্যা অনেক ভ্ৰষ্টা হৈ পৰিছে। ব্ৰাহ্মণ গোঁসাইৰ ছোৱালীবিলাক তেনে হোৱা কিমান লাজৰ কথা। তাক সমাজে সংস্কাৰ কৰিবলৈ চেষ্টা নকৰি পুৰণি কু-সংস্কাৰকেই ধৰি আছে। শাস্ত্ৰৰ বিধান সদায় যে একেদৰে থাকিব লাগে এনে কথা কোনো সজ বিবেচক লোকে নাভাবে! আমি হিন্দুৱে প্ৰাচীন কালৰ উদাৰ মতৰ শাস্ত্ৰৰ ব্যৱস্থামতে চলো, ক'তা? অতীজৰ উদাৰ ধৰ্ম্মমতে চলিবলৈ ধৰিলে বৰ্ত্তমান য়ুৰোপ আদি সুসভ্য জাতিৰ দৰে আমিও প্ৰতাপী জাতি হৈ পৰো। নহলে আমাৰ জাতীয় অকাল মৃত্যু আমি নিজে নিজেহে মাতি অনা হব। এতেকে শিক্ষিত যুৱকসকল! সত্যাক সাবটি ধৰিবলৈ সাজু হৈ সমাজৰ ভিতৰৰ দোষবিলাক গুচাবলৈ নিজক আদৰ্শ দেখাই চেষ্টা কৰা উচিত। সমাজে সত্যবাট নধৰিলে মই অকলে ধৰো কেনেকৈ—এই কথা নিৰ্ভীকৰ মুখত নোলায়। যাৰ নিৰ্ভীক সৎসাহসপূৰ্ণ হৃদয়, তেনে লোকে এনে কথা নকয়, সেই সত্যসেৱী মানুহে কাৰো লগ নিবিচাৰে। সঁচাৰ নিমিত্তে তেওঁ নিজে অকলে এফাল আৰু পৃথিবী এফাল; যাৰ এনে সৎসাহ, তেনে সৎলোকে যে আগৰ পৰা গুৰিলৈ ধৰ্ম্ম-সমাজ সংস্কাৰ কৰি আহিছে পৃথিবীৰ মহাপুৰুষসকলৰ জীৱনীয়েই তাক প্ৰমাণ কৰে। সাহস আৰু নিৰ্ভীকতা দুটা বেলেগ বস্তু। সাহস সহসা শব্দৰ পৰা হোৱা খন্তেকীয়া উত্তেজনাক

বোলে ; নিৰ্ভীকতা সত্যৰ কাৰণে, প্ৰেমৰ নিমিত্তে, উৎপত্তি হোৱা বিবেকৰ দ্বাৰাই চালিত নিভাজ মনোবৃত্তি তাত স্বাৰ্থপৰতা নাথাকে, এইবৃত্তিয়ে বীৰৰ হৃদয়তহে বাহ বান্ধে। আমাৰ আগলৈ উঠি অহা ডেকাসকলে সত্যক ধৰিবলৈ সত্য আচৰণ কৰিবলৈ নিৰ্ভীকতা সাধনা কৰিলেহে স্বদেশানুৰাগে আহি দেখা দিব আৰু দেশৰ উন্নতিও কেউপিনে সাধিত হব। সত্যই বিভিন্নাই বিভিন্নাই কয়— যি সত্যক অনুসৰণ কৰিবলৈ বাপেক-মাক ভাই-ভণীক উপেক্ষা কৰিবলৈ সাহ কৰিব নোৱাৰে তেওঁ সত্যক কেতিয়াও সাধনা কৰি পাব নোৱাৰে।' সৰ্ব্বশেষত কওঁ, হে আগলৈ উঠি অহা ডেকাসকল! ভৱিষ্যতক ভাল চানেকীত গঢ়ি দেশৰ আৰু জাতিৰ অস্তিত্ব ৰখা তোমালোকৰ কাম। উদ্যমশীল হোৱা, নিৰ্ভীক হোৱা, মহাশক্ৰ জাতিভেদ এৰি ধৰ্ম্মজগত এক কৰি তোলা, আৰু সমাজৰ কুসংস্কাৰবিলাক দূৰ কৰি পেলাবৰ চেষ্টা কৰা।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

---

# মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱ*

## প্ৰথম অধ্যায়

### শান্তি আৰু সমৰ

মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱ আহোম ৰাজপাটত উঠা কালত অসমৰ অৱস্থা জয়জয়ময়ময়। দেশত ৰণ-কাজিয়া নাই, মিকিৰ দফলাই যি অলপ সৰুসুৰাকৈ দ্ৰোহ আচৰিছিল, মোগল বিক্ৰমক পৰাস্ত কৰা অসমীয়াৰ ৰণ-কৌশলে তাক হেলাৰঙ্গে দমন কৰিলে। ইটাখুলী ৰণত বঙ্গালৰ অসম আক্ৰমনৰ আশঙ্কা সমূলে নিৰ্ব্বাপিত হোৱাত অসমৰ স্বৰ্গদেৱে বিচক্ষণ কাৰিকৰৰ হতুৱাই ৰংঘৰ সাজি ৰং-ধেমালি চোৱাৰ সুচল কৰি লৈছিল। মোৱামৰীয়াৰ শিষ্য-সম্প্ৰদায়ে ফুলেশ্বৰী কুঁৱৰীৰ হাতত পোৱা লাঞ্ছনা-অপমানৰ দুঃসহ বেজাৰ নিজৰ অন্তৰতে সংগোপনে পুহি আছিল, তাত তিঙ্গিৰাতুলা লগাই দেশত অশান্তিৰ মহা অগ্নি তেতিয়ালৈকে তেওঁলোকে বিস্তাৰ কৰা নাছিল। ৰজা সন্তুষ্ট, পাত্ৰ-মন্ত্ৰী সন্তুষ্ট, প্ৰজাসকলে ৰণবিগ্ৰহৰ পৰা আজৰি পাই নিজ নিজ খেতি-ব্যৱসায়ত লাগিছে, আৰু অসমীয়াৰ ঐশ্বৰ্য্য-বিভূতিৰ পৰিমাণ দিনক দিনে বঢ়াবলৈ ধৰিছে। স্বৰ্গদেৱে শান্তিৰ কালত সমৰৰ হোৱা সকলো কামে-কাজে লাগি গৈছে। ৰজাই নিজে পণ্ডিতবৃন্দৰে সৈতে তন্ত্ৰ, পুৰাণ, ইতিহাস আলোচনা কৰিছে, নিজে নাটক ৰচিছে. নাটকৰ ভাওনা চাইছে, বিদেশৰ পৰা নাচনীকৰ আনি ৰং-তামোচা কৰাইছে, কাঁড়-হিলৈ লৈ চৰাই পহু মাৰি বীৰোচিত গুনবোৰ সতেজ ৰাখিছে, আৰু দেশৰ নানা ঠাইত ফুৰি প্ৰজাৰ সমৃদ্ধি-দৈন্য আৰু ৰাজ্যৰ অৱস্থা চাই ফুৰিছে। ধৰ্ম্মপ্ৰাণ স্বৰ্গদেৱে মঠমন্দিৰ সাজি আৰু তীৰ্থাদিত গৈ দান-দক্ষিণা দি ৰাজ্যৰ সুমঙ্গল কামনা কৰিছে। তথাচ ৰজাৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ দাতিকলীয়া ৰজাই আহি

*কেবাখনো প্ৰকাশিত আৰু অপ্ৰকাশিত অসমবুৰঞ্জী, মণিপুৰীয়া ইতিহাস, অন্যান্য ইংৰাজী, বঙ্গলা আৰু অসমীয়া প্ৰবন্ধাৱলী আৰু গ্ৰন্থ, কেবাখনো তামৰ ফলি আৰু শিলৰ ফলিৰ সহায়েৰে মহাৰাজ ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ বিস্তৃত বুৰঞ্জী সংকলন কৰা হৈছে। ইয়াৰ উদ্দেশ্য, যাতে প্ৰাচীন কামৰূপ আৰু অসমৰ ৰজাসকলৰ বিষয়ে এখন এখন বিস্তৃত স্বতন্ত্ৰ কিতাপ লিখাৰ সূত্ৰপাত হয়, আৰু যাতে তাৰ লগে লগে উপন্যাস-নাটক লিখাৰ আহিলা-সম্বল প্ৰকাশিত হয়। সহায় লোৱা কিতাপ আৰু সহায় দিয়া সকলৰ নাম কৃতজ্ঞতাৰে সৈতে সামৰণি প্ৰবন্ধত উল্লেখ কৰা হব।—শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।



স্বৰ্গদেৱৰ শৰণাপন্ন হৈছেহি, স্বৰ্গদেৱে অভয় প্ৰদান কৰি শৰণীয়া ৰজাক স্বৰাজ্যত সংস্থাপন কৰিবলৈ সৈন্য-সামন্ত দি পৰাক্ৰমী সেনাপতিক পঠাইছে।

এই দৃশ্য কেনে মনোৰম! অসম ৰাজ্যৰ শান্তিময় ভোগালি কালৰ দিন কেইটা কেনে বিতোপন! ইয়াৰ লগত ৰণবিগ্ৰহৰ দিন কেইটাৰ তুলনা কৰক।—মোগলৰ নবাবে আঙুলি জোকাৰি অসমীয়া ৰজাৰ পৰা পেচকচৰ দাবি কৰিছে। দেশৰ মৰ্য্যাদা-হানিত ক্ষুব্ধ হোৱা স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীয়ে তাৰ পোতক তুলিবলৈ যুদ্ধৰ বিপুল আয়োজন কৰিছে। কমাৰে হিলৈ তৈয়াৰ কৰিছে, চাউল সমলীয়াই সৈন্যৰ কাৰণে ৰচদ-পাতি যোগাৰ কৰিছে, নাওসলীয়া বাঢ়ৈয়ে তিনিকুৰি [illegible] হতীয়া দীঘল যুদ্ধৰ নাও সাজিব ধৰিছে, ভাঙ্গিযোৱা কোঠবুৰুজ আৰু গড়-প্ৰাকাৰ মেৰামতি চলিছে, হিলৈদাৰী সৈন্যবোৰে হাতত হিলৈ, কাঁডায়ে ধেনুকাঁড়, ঢাকৱতীয়ে ঢাল-ৰাক লৈ কতিক্ষণ নোহোৱাকৈ কাৱাজ কৰিছে, যখৰীয়া আৰু খাৰঘৰীয়াই খাৰ-বাৰুদ তৈয়াৰ কৰি ৰণৰ সম্বল যোগাইছে, চোৰাংচোৱাই চোৰাং কৰি শত্ৰুসেনাৰ গতি-বিধি আৰু আলেখ-লেখ চাই ফুৰিছে, বিজুলীবেগৰ ঘোঁৰাত উঠি চেৱাৰী কটকীয়ে স্বৰ্গদেৱ পাত্ৰ-মন্ত্ৰীৰ খা-খবৰ আদেশ দিহা অনানিয়া কৰি উজনী ভাটী কম্পমান কৰি তুলিছে, উজনীৰ সেনাপতি ফুকন বৰুৱা যুজাৰুসকলে আহি লতাশিলৰ পৰা কটাশিললৈকে, হাজোৰ পৰা বশিষ্ঠলৈকে, সকলো প্ৰজাৰ হৃদয় ৰণ-জেউতিত মতলীয়া কৰিছে। সেই সময়ৰ সকলো প্ৰজাৰ মন-প্ৰাণ, শঙ্কিত, সচকিত, সুতীক্ষ্ণ, উদ্বিগ্ন, কম্পমান, চিন্তাকুল! ইয়ো এক দৃশ্য!

বাস্তৱিকে অসমীয়াসকলে বলবীৰ্য্য স্বাৰ্থত্যাগ আদিৰে সোনৰ সঁফুৰা অসমভূমিত বিদেশীৰ প্ৰতিপত্তি আৰু পৰাভৱে ঘুনে ধৰিবলৈ নিদিবৰ কাৰণে যি প্ৰাণ-পৰিশ্ৰম কৰিছিল সেই সকলোৰে ফলভোগ কৰিছিল ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে।

ৰণ বিগ্ৰহত লিপ্ত থাকি চক্ৰধ্বজসিংহৰ মৃত্যু হল, তাৰ পাচত দেশৰ বিপ্লৱ, মন্ত্ৰীসকলৰ চক্ৰান্ত, ৰাজসিংহাসনত ৰজা উঠিছে নামিছে। তাৰ পাচত গদাধৰসিংহই যেতিয়া সিংহাসনত উঠে সিয়ো বহু ভাগ্যচক্ৰ দুখ বিপৰ্য্যৰ পাছত। তেওঁৰ ৰাজত্বও ইমান শান্তিময় নাছিল, বঙ্গালৰে ৰণ, মহন্তসকলৰ নিৰ্য্যাতন, এইবোৰে স্বৰ্গদেৱৰ শান্তিৰ মুখ দেখিবলৈ নিদিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱেও মহাসঙ্কল্প পূৰ্ণ কৰিবৰ মনেৰে দাতি কাষৰীয়া জাতিবোৰক শৰণাপন্ন কৰি বঙ্গ আক্ৰমনৰ বিপুল আয়োজন কৰিছিল, পাচত সেই আয়োজনৰ মাজখিনিতে হিয়াৰ কামনা হিয়াতে মাৰ নিয়াই মহাৰাজৰ লোকান্তৰ হয়। শিৱসিংহ ৰজাৰ দিনত দেশত শান্তি আছিল, কিন্তু ৰজাৰ দুৰ্দ্দশা, আৰু গাভৰু সকলে ৰাজ্যভাৰ পাই এদল সবল সম্প্ৰদায়ৰ প্ৰাণত অপমানৰ কুঠাৰাঘাত কৰি মহা অনিষ্টৰ সূত্ৰপাত কৰে। তাৰ পাচত প্ৰমত্তসিংহৰ ৰাজত্ব তেনেই তাকৰ দিনীয়া। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ কোনো কথাতে অতিচাৰ নাছিল। ধৰ্ম্ম অৰ্থ কাম মোক্ষ এই চতুৰ্ব্বৰ্গত গুণসম্পন্ন স্বৰ্গদেৱে সুস্থিৰ সুগম্ভীৰ চিত্তেৰে ৰাজ্যশাসন কৰিবলৈ পাৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱক আমি যদি আহোম-আকবৰ কওঁ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱক আমি আহোম চাজাহান বুলিব পাৰোঁ।

### তুংখুঙ্গীয়া ফৈদ

১৫৯৭ শকৰ পৰা আহোম ৰাজত্বৰ শেষলৈকে সিংহাসনত বহা স্বৰ্গদেৱসকল, চামগুৰিয়া চুহুংৰজা আৰু লৰা ৰজাৰ বাহিৰে তুংখুঙ্গীয়া ফৈদৰ। চুহুংমুং বা স্বৰ্গনাৰায়ন ৰজাদেৱে (১৪১৯-১৪৬১ শক) তেওঁৰ কোঁৱৰসকলক ফৈদ ফৈদ কৰি দিহিং, চাৰিং, তিপাম আৰু তুংখুঙ্গত স্থাপন কৰে, সেই সময়তে এই মহাপৰাক্ৰমী তুংখুঙ্গীয়া নামে ৰজাফৈদৰ সৃষ্টি। ১৫৯৭ শকৰ বহাগৰ ১২ দিন যাওঁতে ৰজাপতা চক্ৰান্তকাৰী দেবেৰা বৰবৰুৱাই তুংখুঙ্গৰ পৰা এজন কোঁৱৰক আনি সিংহাসনত বহুৱাই নিজৰ জীয়েক অহংমাক ৰবকুঁৱৰী পাতে। এৱেঁই তুংখুঙ্গীয়া ফৈদৰ সৰ্ব্বপ্ৰথম ৰজা। এই অজ্ঞাত ৰজাজনে দেবেৰাৰ হাতত প্ৰাণ হেৰুৱায়। তাৰ পিছত চামগুৰীয়া চুহুংকোঁৱৰক দেবাৰাই দেৱ মাহৰ কাৰণে ৰজা পাতি তেওঁক মাৰি আকৌ তুংখুঙ্গীয়া ফৈদৰ গোবৰ গোঁহাইক

সিংহাসনত বহুৱায়, তেওঁক নামত ৰজা কৰি ৰাখি দেৱেৰাই নিজে ৰাজ্য চলাবলৈ ধৰিলে।

বাঁহগড়ীয়া আতন বুঢ়াগোহাই প্ৰমুখ্যে শৰাইঘটীয়াৰ দলে দেৱেৰাই পতা গোবৰ ৰজাক বধ কৰে, আৰু দেৱেৰাকো প্ৰাণহত্যা কৰি চামগুৰীয়া চুলিকফা লৰা ৰজাক সিংহাসনত বহুৱায়। এওঁৰ পাছত বহু কুথযন্ত্ৰনা খাই নিজৰ ভাৰ্য্যাক হেৰুৱাই গোবৰ ৰজাৰ পুতেক গদাপাণি কোঁৱৰ ৰজা হয়। এই গদাধৰ সিংহৰ পুতেক লাই কোঁৱৰে ৰুদ্ৰসিংহ নাম লৈ ১৬১৭ শকৰ ফাগুন মাহৰ ১৩ তাৰিখে সিংহাসনত বহে। তেওঁৰ ভায়েক লেচাই কোঁৱৰক স্বৰ্গদেৱে পোনতে চাৰিং ৰজা পাতিছিল। লেচায়ে চুঙ্গিৰ বৰুৱা সৈতে [illegible]ৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ মন দিলে। সেই সময়ত স্বৰ্গদেৱে চৰাইদেউ পৰ্ব্বতত আছিল। চৰাই উকৱাই নগৰলৈ আহিব খোজা কালত ৰজাক মাৰিবলৈ লেচাই কোঁৱৰে সন্থম হৈ আছিল। এই কথা তেওঁৰ হাঁহচোৰা ডোম এটাই গৈ ককায়েক স্বৰ্গদেৱক জনালেগৈ। ইয়াতে স্বৰ্গদেৱে বিতুষ্ট হৈ ভায়েকক নামৰূপলৈ খেদি তাতে তেওঁৰ আঠুৰ খিলা কাঢ়িলে, আৰু প্ৰধান মন্ত্ৰনাকাৰী চুঙ্গিৰ বৰুৱাক প্ৰাণে মৰা হল! সৰু গোঁহাই নামে আৰু এজনা কোঁৱৰে স্বৰ্গদেৱৰ বিৰুদ্ধে দ্ৰোহ আচৰে, তেওঁকো নামৰূপলৈ খেদি দি চকু কঢ়া হল আৰু তেওঁৰ মন্ত্ৰনাকাৰী সকলকো যথোচিত শাস্তি দিয়া হল।

ডাঙ্গৰীয়া কুকনসকলৰ কূটমন্ত্ৰনাত কোমলমতি কোঁৱৰৰ মন কি ৰূপে বিদ্ৰোহী হয়, আৰু তাৰ পৰা ৰাজ্যত কেনেকৈ বিপ্লৱ হয় ৰুদ্ৰসিংহ স্বৰ্গদেৱে তাক ভালকৈয়ে জানিছিল, আৰু নিজৰ ভায়েকে যে ককায়েকৰ বিৰুদ্ধে দ্ৰোহ কৰিব খুজিছিল এই বিষয়ে তেওঁ বৰ দুখ কৰিছিল; আৰু এক মাতৃ সতী জয়মতীৰ গৰ্ভৰ লেচাই কোঁৱৰক তেওঁ যে খিলা কাঢ়ি নামৰূপলৈ খেদিলে তাৰ কাৰণে তেওঁ সদাই অনুতাপ কৰিছিল।

১৬৩৩ শকৰ ভাদৰ ১৩ দিন যাওঁতে উত্তৰ গুৱাহাটীৰ পাহাৰত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ মৃত্যু হয়। মৃত্যুৰ সময়ত স্বৰ্গদেৱৰ পাঁচজনা কোঁৱৰ কোষতে আছিল, ১ম বৰপুতেক (শিৱসিংহ), ২য় চাৰিংৰজা (প্ৰমত্তসিংহ), ৩য় বাটঘৰীয়া গোঁহাই মোহনমালা কোঁৱৰ, ৪ৰ্থ ভোবোলা গোঁহাই (ৰাজেশ্বৰসিংহ), ৫ম কালমিলীয়া গোঁহাই (লক্ষ্মীসিংহ)। মন্ত্ৰীসকলে কূট মন্ত্ৰনা দি কেনেকৈ কোঁৱৰক ভ্ৰাতৃবিৰোধী কৰে স্বৰ্গদেৱে ভালকৈ জানিছিল। সেই দেখি মুমূৰ্ষু ৰজাদেৱে পাচোজন কোঁৱৰক মৃত্যু-শয্যাৰ কাষলৈ আনি সস্নেহে আলিঙ্গন কৰি অন্তিম উপদেশ দিলে,—

"বোপাইহঁত, বহা। তোমালোক সদাই মিলেৰে থাকিবা। তোমালোকে এজনৰ পাছত এজন ৰজা হব পাৰিবা। তোমালোক অমিল হলে কোনো কাৰ্য্য সিদ্ধ নহব। তোমালোকৰ ভিতৰত দ্ৰোহ-ভাব সৃষ্টি কৰিবলৈ বহুতে চেষ্টা কৰিব, কোনোৱাই তাৰ সংকেত পালে কেতিয়াও তাক নুশুনিবা, কিন্তু সদাই মিলিজুলি একগোট হৈ থাকিবা। আমি দুই ভাই আছিলো, কিন্তু শত্ৰুৰ কথা শুনি সৰু ভাইক খেদাই দিলো, মোৰ ভুল মই এতিয়া বুজিব পাৰিছো। সেইদেখি সদাই মিত্ৰভাবে থাকিবা, তেনেহলে তোমালোকৰ সকলো চেষ্টা সিদ্ধ হব, অমিত্ৰ হৈ থাকিলে একো সিদ্ধ নহব। বুঢ়া হোৱা ডেকা হোৱা, তোমালোকে আটাই কিজনে অনুক্ৰমে ৰজা হবা। মই মোৰ দাতিয়লীয়া ৰাজ্যবিলাকক দমালো, আৰু কৰতোয়া নৈৰ সংলগ্ন দেশবোৰ কৰতলীয়া কৰিবলৈ মই অভিলাষ কৰিছিলো। মোৰ কামনা মোৰ মৃত্যুৰ লগে লগে ধ্বংস হব, হায়, মোৰ বাসনা কাৰ্য্যত পৰিণত কৰিবলৈ কাৰ সমৰ্থ?"

ৰুদ্ৰসিংহৰ মৃত্যুৰ স্বৰ্গী ৰজাৰ অন্তিম ব্যৱস্থামতে বৰকোঁৱৰ গুৱাহাটীৰ বাংৰতে ৰজা হৈ শিৱসিংহ নাম ললে। তেওঁৰ ৰাজত্বৰ কালত কোনো ভ্ৰাতৃদ্ৰোহ হোৱাৰ সম্ভেদ পোৱা নাযায়। ১৬৬৬ শকৰ আঘোণ মাহত শিৱসিংহ স্বৰ্গদেৱৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ চাৰিজনা ভায়েক, আৰু অম্বিকা পৰ্ব্বতীয়া কুঁৱৰীৰ ফালৰ ৰজাদেৱৰ পুতেক তিপাম ৰজা লগত আছিল।

বড়া শিৱসিংহৰ মৃত্যুৰ পিছত তিপাম ৰজাই লিগিৰা গোটাচেৰেক লৈ সন্থম হৈ ৰজা হবৰ আয়োজন কৰিছিল,



কিন্তু ডাঙ্গৰীয়া ফুকনসকলে তেওঁক ৰজা নাপাতি চাৰিং ৰজা প্ৰমত্তসিংহক ৰজা পাতিলে। ৰজাক সিংহাসনত বহুৱাবৰ সময়ত সোণাই বুঢ়াগোহাই ডাঙ্গৰীয়াই এই বুলি উপদেশ দিলে,—"তোমাক মহাপ্ৰভুৱে ৰাজপদ দিলে। সন্তক পালন, দুষ্টক দণ্ড, প্ৰাণীৰ সুখ-দুখ বিচাৰিবা, তোমাৰ ইহে ধৰ্ম্ম। আৰু ডাঙৰ বৃক্ষৰ আশ্ৰয়ত যেনেকৈ তাপ আদি নাপায়, ককাই ৰজাদেৱৰ আশ্ৰয়ত তেনেকৈ দেৱকো দেশৰ প্ৰজাৰ দোষে-গুণে নাপাইছিল, আজি ধৰি পৰমেশ্বৰে দোষগুণৰ আশ্ৰয় কৰালে। যি কাৰ্য্যৰ পৰা দোষ হয়, যি কাৰ্য্যৰপৰা গুণ হয়, ইয়াকে স্বৰ্গদেৱে নিয়ম কৰিব লাগে। আৰু তোমাৰ তিনিও ভাই আছে, ইবোৰক পুত্ৰৱতে প্ৰতিপাল কৰিব লাগে, ইহঁতবোৰেও পিতৃ-বোধে সেৱা কৰিব লাগে। পাছলৈকো বৰ-সৰু ক্ৰমে প্ৰবৰ্ত্তিব লাগে। আৰু তিপাম ৰজাকো নেৰিবা, পুত্ৰৱতে স্নেহ দয়া কৰিবা।"

প্ৰমত্তসিংহ স্বৰ্গদেৱে ৰাজনৈতিক ৰাংধালী ডাঙ্গৰীয়াৰ উপদেশমতে বৰ সুনিয়মে ৰাজ্য শাসন কৰিছিল, তেওঁৰ ৰাজত্বৰ কালত কোনো ৰণ-বিগ্ৰহ হোৱা নাছিল। ৰজাই বুঢ়াগোহাই ডাঙ্গৰীয়াৰ লগত বৰ মিত্ৰভাৱে আছিল, আৰু সদাই দেশৰ মঙ্গলৰ কাৰণে যত্নবান হৈছিল। ১৬৭৩ শকৰ ২৮ আহিনত প্ৰমত্তসিংহ স্বৰ্গদেৱৰ মৃত্যু হয়।

## মোহনমালা গোঁহাই

প্ৰমত্তসিংহৰ মৃত্যুৰ পিছত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ অন্তিম ব্যৱস্থা মতে বাটঘৰীয়া ৰবজনা গোঁহাইদেৱ মোহন বা মোহনমালা কোঁৱৰ ৰজা হব লাগিছিল। কিন্তু এওঁ এবাৰ বসন্ত ৰোগত পৰিছিল, আৰু তেওঁৰ মুখত গুটিসাঁচ আছিল। বসন্ত ৰোগত ভোগা অৱশ্যে ৰাজসিংহাসনলৈ অযোগ্যতাৰ বিশেষ কাৰণ নাছিল, কিন্তু ৰজা হবলৈ গলে ৰজাৰ শৰীৰ নিখুঁতীয়া হব লাগে বুলি যি ধাৰণা আছে তাৰ চেলু লৈ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই মোহনমালা কোঁৱৰক ৰাজ-পাট নিদি ভায়েক ভোবোলা গোঁহাইক সিংহাসনত বহুৱাবলৈ মনস্থ কৰিলে। কিন্তু ভোবোলা গোঁহাইৰ এই কাৰ্য্যত অকণো সম্মতি নাছিল, পৰম পৰাক্ৰমী পিতৃদেৱে ভ্ৰাতৃস্নেহৰ বিষয়ে যি উপদেশ অন্তিম শয্যাৰপৰা দি গৈছিল, তেওঁৰ কাণত দিনৌ বাজি আছিল, গতিকে পিতৃআজ্ঞা তেওঁ লঙ্ঘন কৰিব নুখুজিছিল।

কিন্তু উগ্ৰ প্ৰতাপী মন্ত্ৰীবৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ ক্ষমতা আৰু প্ৰভুত্ব সেই কালত বৰ বেছি আছিল। তেওঁ প্ৰমত্তসিংহৰ নৰীয়া শয্যাৰ গুৰিলৈকে বাটঘৰীয়া মোহনমালা গোঁহাইদেৱক যাবলৈ নিদি আটক কৰি ৰাখিছিল। ডাঙ্গৰ ককায়েক জীয়াই থকাত সৰু ভায়েক ভোবোলা গোঁহাইক ৰাজপাটত বহুৱাই ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ইচ্ছা ব্যৰ্থ কৰি ভ্ৰাতৃদ্ৰোহৰ সূত্ৰপাত কৰা কথাটোত পাত্ৰমন্ত্ৰী বিষয়াসকলে বৰ আপত্তি কৰিছিল, আৰু ভোবোলা গোঁহাইদেৱে নিজেও সহজ প্ৰকাৰে তাত হকাবাধা কৰিছিল। কীৰ্ত্তিচন্দ্ৰ বৰ[illegible]ই পাত্ৰমন্ত্ৰী আৰু ভায়েক গোঁহাইদেৱৰ মৰম বেথাৰ জীৱন্ত কেন্দ্ৰস্থল বাটঘৰীয়া মোহনমালা ৰবজনা গোঁহাইদেৱক চক্ৰান্ত কৰি নামৰূপলৈ খেদিলে আৰু ভায়েক ভোবোলা গোঁহাইদেৱক সিংহাসনত বহিবলৈ বাধ্য কৰিলে। এইদৰে তৰ্ক-বিতৰ্ক লাগি থকাত প্ৰমত্তসিংহ ৰজাদেৱৰ মৃত্যুৰ পিছত দিনচেৰেক সিংহাসন শূন্য হৈ পৰি আছিল। ভোবোলা গোঁহাইদেৱে সেই শূন্য সিংহাসনত উঠিবলৈ পোনতে আপত্তি কৰিছিল, কিন্তু পাকচক্ৰৰ আগত গোঁহাইদেৱে তিষ্ঠিব নোৱাৰিলে, অনিচ্ছা স্বত্বেও তেওঁ সিংহাসনত উঠিল, আৰু পাত্ৰমন্ত্ৰীসকলে বৰবৰুৱাৰ কথাতে দোহাৰি নিদি নোৱাৰিলে। ভোবোলা গোঁহাইদেৱে ৰাজেশ্বৰ সিংহ নাম লৈ ৰাজপাটত বহিল।

ওপৰৰ কথাৰপৰা দেখা গৈছে, মোহনমালা গোঁহাই-দেৱক সিংহাসনৰপৰা বঞ্চিত কৰি নামৰূপলৈ খেদাত সৰু ভায়েক ভোবোলা গোঁহাই বা ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ অকণো দোষ নাই। দোষ এই কেৱা যে, ৰজা হৈ তেওঁ কীৰ্ত্তিচন্দ্ৰক ইমান ক্ষমতাপূৰ্ণ হৈ থাকিবলৈ দিছিল কিয়? কিন্তু কীৰ্ত্তিচন্দ্ৰৰ ক্ষমতা অকল তেতিয়াৰ নহয়, শিৱসিংহ ৰজাৰ দিনৰ পৰা তেওঁ এইদৰে ক্ষমতা চলাই আহিছে। বিশেষতঃ বিষয়া বা সেনাপতিসকলে তেওঁৰ কথা যিমান

মানিব ৰাজকোঁৱৰ অ-মন্ত্ৰী ভোবোলা গোঁহাইৰ কথা তিমান মনাটো সম্ভৱ নহয়।

মোহনমালা গোঁহাইদেৱেও জানিছিল যে, ৰাজ্যৰ পৰা বঞ্চিত হোৱা কাৰ্য্যত তেওঁৰ ভায়েকৰ অকণো দোষ নাই, ই মাত্ৰ বৰবৰুৱাৰ কূট-মন্ত্ৰণাৰ ফলাফলহে। আগলৈ (১৬৯০ শকত) মৰাণে মোহনমালা গোঁহাইদেৱক ৰাইজক দেখুৱা নায়ক পাতি যেতিয়া অসমীয়া সেনাৰ কোঠ আক্ৰমিবলৈ যায়, তেতিয়া মোহনমালা গোঁহাইদেৱে অসমীয়া সেনাপতি দুৱৰীয়াৰ ঘৰৰ হৰনাথ ভিতৰুৱাল ফুকনক এইদৰেহে কৈছিল, "ফুকন, তই দুৱৰাৰ ঘৰৰ, এদিনীয়া নহয়। তোৰ সপ্তম পুৰুষে আমাক সেৱা কৰি গৈছে, মিত্ৰ-সম্বন্ধো আছে। সম্প্ৰতি মইহে ৰজা। আৰু বৰুতিয়ালৰ বৰুৱাই কূট-মন্ত্ৰণা কৰি স্বৰ্গদেৱক লগাই আমাক নাম-ৰূপলৈ খেদালে, এতেকে বৰুতিয়ালৰ ...ৰক মাৰিবৰ নিমিত্তে আলচি ৰণ কৰিছো। ডাঙৰীয়া কেই ঘৰৰো, যাৰ যি বিষয় মৰ্য্যাদা সেইৰূপেই থাকিব, আৰু সামান্য পাইকান মানুহকো একো নকৰো, কাকো কটামৰাও নকৰো।" অধৰ্ম্ম কামৰ নিমিত্তে যে এটা শঙ্কা আৰু দ্বিধা, এয়ে ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ চৰিত্ৰক বিভোপন কৰি তুলিছে। সিংহাসনৰ কাৰণে কতই নিসংকোচে ভ্ৰাতৃহত্যা নৰহত্যা কৰে, কিন্তু ৰাজেশ্বৰসিংহ ৰজাই ককায়েক ৰাটঘৰীয়া মোহনমালা গোঁহাইদেৱৰ কাৰণে ৰাজ-সিংহাসনকো এৰি দিবলৈ সাজু আছিল, আৰু বাধ্য কৰিহে তেওঁক সিংহাসনত বহুৱাব লগাত পৰিছিল। অসমৰ তুংখুঙীয়া বংশৰ পৰা যে এনে এজন ভ্ৰাতৃ-প্ৰেমিক পিতৃভক্ত ভৰত জন্মিছিল তাত আমি বাস্তৱিকে গৌৰৱ পোৱা উচিত।

## ৰাজেশ্বৰ সিংহৰ সিংহাসন-আৰোহণ

১৬৭৩ শকৰ ৩০ আহিন কৃষ্ণা দশমী তিথিত ভোবোলা গোঁহাইদেৱ সিংহাসনত উঠিল, আৰু ১৬৭৪ শকত শিঙৰী ঘৰত উঠি আহোম মতে চুৰমফা আৰু হিন্দুমতে ৰাজেশ্বৰ সিংহ নাম ললে। সেই উৎসৱ সাতদিন ধৰি আছিল, সকলো মহন্ত আহি সেই উৎসৱত যোগ দিছিল। স্বৰ্গদেৱে পৰগঞা গুৱাহাটীয়া সকলোকে যোগ্যানুৰূপে বটা দিলে। ১৬৭৫ শকত স্বৰ্গদেৱ পাটঘৰত উঠে।

ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে ৰাজসিংহাসনত উঠিবলৈ যদিও দোধোৰমোধোৰ কৰিছিল, এবাৰ সেই গুৰু ৰাজ্যভাৰ কান্ধত লৈ নিজৰ সকলো শক্তি তেওঁ ৰাজ্যৰ সুমঙ্গলৰ কাৰণে প্ৰয়োগ কৰিবলৈ ধৰিলে। ৰাজকাৰ্য্যত তেওঁ হেলা কৰা নাছিল, আৰু বিষয়াসকলৰ ওপৰত ৰাজ্যভাৰ অৰ্পণ কৰি ৰং-তামোছাত মগ্ন হৈ কাল কটোৱা নাছিল।

স্বৰ্গদেৱৰ বৰ সৌভাগ্য তেওঁৰ পাত্ৰ-মন্ত্ৰীসকল বৰ বিচক্ষণ ৰাজনীতিজ্ঞ পুৰুষ আছিল। প্ৰমত্তসিংহ স্বৰ্গদেৱৰ দিনত সোণাই বুঢ়াগোঁহাই ৰাজ-মন্ত্ৰী আছিল। এওঁ বৰ কৌতুকপ্ৰিয় আছিল, আৰু নানান কুচুৰি হাঁহি-উঠা কথা কৈ স্বৰ্গদেৱক আৰু পাত্ৰ-মন্ত্ৰীসকলৰ মনত আনন্দ লগাব পাৰিছিল। তেওঁৰ মুখৰ পৰা ওলোৱা হাঁহি-উঠা কথাবোৰ বহুত দিন ৰাইজৰ মাজত প্ৰচাৰিত আছিল। কিন্তু ইফালে সোণাই বুঢ়াগোঁহাই ডাঙৰীয়া ৰাজনীতিত সুনিপুণ বিষয়া আছিল। প্ৰমত্তসিংহ স্বৰ্গদেৱে সিংহাসনত বহোঁতে এওঁ কিদৰে ৰজাক উপদেশ দিছিল সেইটো পাঠকসকলৰ মনত আছে। এওঁৰ মৃত্যুৰ পিছত লাংমাই কলীয়া আৰু কুঁৱৈগয়। ভগী বুঢ়াগোঁহাই হয়, কম্বুকণ্ঠ আৰু ঢেকেঞ্জিয়াল বৰপাত্ৰ গোঁহাই হয়, দোল বন্ধাৰ পুতেক উগ্ৰতেজা ঘুমলী বৰগোঁহাই ৰাজ-মন্ত্ৰী হয়। গুৱাহাটীত বহিখোৱা দশৰথ আৰু তামুলীয়ে বৰফুকনৰ বাব থাইছিল। এই পাত্ৰ-মন্ত্ৰীসকলৰ বাহিৰেও বৰবৰুৱা আসন গ্ৰহণ কৰা গেন্ধেলা কীৰ্ত্তিচন্দ্ৰ ৰাজ্যৰ ভিতৰত সবাতকৈ মুখিয়াল ক্ষমতাপন্ন ৰাজ বিষয়া আছিল।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

---

# প্ৰেমিক সন্ন্যাসী

বা

## দি ক্ৰইষ্টাৰ এণ্ড্ দি হেলথ্

(১)

### গৃহ-চিন্তা

ইলিয়াছে চাহ-পানী খাবলৈ আহি মেজৰ ওচৰলৈ চকি এখন টান মাৰি আনিলে আৰু মূৰে-কপালে হাত দি বহি দীঘলকৈ হুমুনিয়াহ এটি কাঢ়ি ঘৈণীয়েকক কলে, "কেথেৰিন! উপায় কি? ইমানবোৰ লৰা-ছোৱালীৰ কেনেকৈ যতন লোৱা যাব? যিপিনেই হাত দিওঁ সেইপিনেই কেৱল লোকচানহে।" কেথেৰিনে নভবা-নিচিন্তাকৈ টপৰকৈ উত্তৰ দিলে, "মই কি জানো এলি? মই তিৰুতা মানুহ, সেইবোৰ কি কৰিব লাগে? তুমি যি ইচ্ছা তাকে কৰা।" "ইমানকৈ জলি-পকি উঠিলে হয়নে কেট?" এলিয়ে যি ভাবিছিল সি নহল। তেওঁ মাতৰ সুৰ সলনি কৰি তলমূৰকৈ লাহে লাহে কবলৈ ধৰিলে, "বাৰু, তুমি একো কৰিব নোৱাৰা সঁচা, কিন্তু সেই বিষয় কোনো উপায় এটাতো চিন্তা কৰিব লাগে? ছিঃ ছিঃ তোমাৰ অলপো বিবেচনা নাই! ইমান দিন দেখিছা কপাহী কাপোৰ, পাট কাপোৰ, চামৰা আদি নানা ৰকমৰ বেপাৰ কৰি পেট পুহিলো। এটি ছটিকৈ ৯ টা লৰা-ছোৱালীৰ বাপেক হলোহি। এই সামান্য টাৰ্গো ছহৰখনৰ আয়েদি এপাল লৰা-ছোৱালীক পোহপাল দিব পাৰিনে?"

কেথেৰিন নিমাত। এলিয়ে ইমানবোৰ দুখলগা মৰ্ম্মস্পৰ্শী কথা কলে যে শুনোতাৰ মন-প্ৰাণ গলি যায়। এলিয়ে যে কিমান কষ্ট সহ্য কৰি সংসাৰ চলাইছে! কত কষ্ট সহ্য কৰিছে! একো দিন নিজে গা অসুখ, পেটৰ অসুখ হোৱা বুলি কৈ অনাহাৰে থাকি লৰা-ছোৱালীক আৰু তিৰুতাক খুৱাইছে। আহা! এলিৰ দুখ-কষ্টৰ কথা শুনিলে বুকু ফাটি যায়! তথাপি কেথেৰিন নিমাত। গিৰিয়েকৰ ইমান দুখ-কষ্টতো তেওঁৰ অলপো সহানুভূতি দেখা নগল। একো সমাচাৰ নাপাই এলিয়ে আকৌ সুধিলে, "কেট! তেনেহলে মই আজি ঘেণ্ট নগৰলৈ যাওঁ, তাত কিজানি বেহা-বেপাৰৰ কিছু সুবিধাই কৰিব পাৰো!"

কেথেৰিনে অতবেলিৰ মূৰত মাত লগালে, "তুমি যি ভাল দেখা তাকে কৰা, কিন্তু মই হলে বাটখৰচৰ বাবে পইচা এটিও দিব নোৱাৰো।" এই বুলি কেথেৰিনে কথাকেষাৰ একে উশাহতে কৈ ভোঁ ভোঁ কৰে বাহিৰলৈ ওলাই গল। বুঢ়া এলিয়ে একো উপায়ান্তৰ নেদেখি তলমূৰকৈ কিবা-কিবি ভাবি বহি থাকিল।

কিছুপৰ আছে, এনেতে পাছফালৰ পৰা এলিৰ বৰ পুতেক ৰিচাৰ্ডে মাত লগালেহি, "পিতা, আমষ্টাৰ্ডম নগৰৰ কাপোৰৰ কাৰবাৰৰ বৰ ছাহবে মোক কাম এটি দি মাতি পঠাইছে, তেনেহলে মই তালৈ যাওঁ। মই দোকানত থাকিবৰ নিমিত্তে বৰ ভাল পাওঁ, বিশেষতঃ হিচাপ আদি ৰখাত মোৰ সুন্দৰ ব্যুৎপত্তিও আছে। এতেকে অনুমতি দিয়া আৰু আশীৰ্ব্বাদ কৰা মই তালৈ যাওঁ? এনেকৈ মিছাতে ঘৰত বহি থাকিলে কি হব।"

এলিয়ে এই ঘোৰ ভাবনাৰ মাজত পুতেকৰ এনেকুৱা উৎসাহপূৰ্ণ কথা শুনি হাততে স্বৰগ পালে আৰু অতি আনন্দমনেৰে ৰিচাৰ্ডক আশীৰ্ব্বাদ কৰি অনুমতি দিলে। ৰিচাৰ্ডে সৰু ভায়েক জেকোবকো লগত লৈ পিছদিনা ৰাতিপুৱা আমষ্টাৰ্ডম নগৰলৈ যাত্ৰা কৰিলে।

(২)

### পৰিচয়

টাৰ্গো নগৰ য়ুৰোপৰ অন্তৰ্গত হলাণ্ড দেশত। পোন্ধৰশ শতাব্দীৰ তৃতীয় ভাগত, এই টাৰ্গো নগৰত ইলিয়াচ্ নামে

এগৰাকী কাপোৰ-বেপাৰী বাস কৰিছিল। তেওঁৰ ঘৈণীয়েক কেথেৰিন। জীৱনৰ আৰম্ভণতে ইলিয়াছে কাপোৰৰ বেপাৰ কৰি যথেষ্ট ধন ঘটিছিল আৰু টাৰ্গো চহৰত কেথেৰিনৰে সৈতে বৰ সুখেৰে দিন নিয়াইছিল। ঈশ্বৰৰ অনুগ্ৰহত সেই চিৰসুখী গৃহস্থালিখন ১০।১৫ বছৰৰ ভিতৰতে লৰা-ছোৱালীৰে ভৰপূৰ হৈ পৰিল। আগেয়ে যি খৰচেৰে গিৰিয়েক ঘৈণীয়েক দুয়ো মহা সুখেৰে থাব পাৰিছিল, এতিয়া তাৰ দহগুণ হলেও খোৱা-লোৱাত কষ্ট হব ধৰিলে। উপাৰ্জ্জনকৰোতা কেৱল এলি ছাহাব, কিন্তু খাওঁতা হল বন্দীয়ে-বেটীয়ে ১০।১২ জন। তদুপৰি ডাঙৰ লৰা-ছোৱালীহঁতক শিক্ষা-দীক্ষাও দিব লাগে। ইয়াৰ ভিতৰতে এলি ছাহাবৰ বেপাৰত বহুত টকা লোকচান পৰিল। ইপিনে এলিৰ বয়সো ভাটী দিলে; কামকাজ আগৰ ডেকাকালৰ নিচিনাকৈ কৰিব নোৱাৰে গতিকে উপাৰ্জ্জনৰ পৰিমাণো লাহে লাহে কমি আহিবলৈ ধৰিলে। অৱশেষত সংসাৰ চলোৱা তেওঁৰ পক্ষে একৰকম টান হৈ পৰিল।

বিচাৰ্ড এলিৰ প্ৰথম পুত্ৰ। জেকোব দ্বিতীয় পুত্ৰ। যেতিয়া বিচাৰ্ডৰ বয়স ১৮ বছৰ আৰু জেকোবৰ বয়স ১৭ বছৰ, তেতিয়া এলিৰ আৰ্থিক অৱস্থা বৰ বেয়া। তাৰ ফলত তেওঁৰ শাৰীৰিক আৰু মানসিক অৱস্থাও বৰ শোচনীয় হৈ উঠে। বাপেকৰ দুখ-কষ্ট দেখি তেওঁলোকে চাৰিওফালে চাকৰি বিচাৰি ওলাল। বহুদিন হাবাথুৰি খাই ঘূৰি ফুৰি অৱশেষত আমষ্টাৰ্ডম নগৰত এজন কাপোৰৰ সদাগৰৰ অফিচত ভৰ্ত্তি হলগৈ, এই কথা আগতে উল্লেখ কৰা হৈছে। তৃতীয়জনৰো চকু মুকলি হল, তেওঁ কাপোৰ-সিয়া দৰ্জ্জি হলগৈ; চতুৰ্থজন সাজপাৰ বেচোতা হলগৈ। ছিৱাণ্ট নামে লৰা এজন আৰু কৰ্ণেলিয় নামে ছোৱালী এজনী—ইহঁত দুয়োৰো কিন্তু কোনো কামৰ ফালে ধাউতি নাছিল। সিহঁত বৰ এলেহুৱা, মাক-বাপেকৰ ওপৰত ষোল অনা নিৰ্ভৰ কৰি থাকে। জাইল নামেৰে আন এজন লৰা বাওনা গতিকে কামৰ অযোগ্য। কেট নামেৰে কেথেৰিনৰ পেটমোছা ছোৱালীজনীতো ঠিয় হবই নোৱাৰে, আঠুকাঢ়ি চুচৰি ফুৰে। বৰ্ণনা বাকী থাকিল মাথোন এজন লৰাৰ, তেওঁৰ নাম জেৰাৰ্ড। এৱেঁই আমাৰ উপন্যাসৰ নায়ক মাষ্টৰ জেৰাৰ্ড।

জেৰাৰ্ড সৰুৰে পৰা কিবা একৰকমৰ আছিল। ঘৰৰ লগত, ভাই-ককাইৰ লগত, বাই-ভনীৰ লগত সম্বন্ধ ৰোলা, সদ্ভাব ৰোলা, মিলাপ্ৰীতি ৰোলা, যি ৰোলা—তেওঁৰ একো নাছিল। তেওঁ কেৱল একমাত্ৰ ভাল পাইছিল মিছ কেটক। জেৰাৰ্ড ঘৰত কেৱল ৰাতিটো শোৱেহি। দিনৰ দিনটো গাঁৱে গাঁৱে, ঘৰে ঘৰে পইচা খুজি ফুৰে আৰু সেই পইচাৰে মমবাতি, কাগজ, কলম, চিয়াঁহি আদি কিনি আনি নিৰ্জ্জনত বহি বহি লিখিব-পঢ়িবলৈ আৰু ছবি আঁকিবলৈ শিকে। কোনো দিন সকলোকে একলীয়াকৈ থৈ [illegible] থকা সন্ন্যাস-আশ্ৰমলৈ লৰ দিয়ে। তাত গৈ সন্ন্যাসীসকলক ইটো কথা সুধি, সিটো কথা সুধি নানান দিগ্দাৰ দিয়েগৈ। তেওঁলোকৰ মনোৰঞ্জনৰ নিমিত্তে মাজে-সময়ে নানাৰকম সুন্দৰ সুন্দৰ ছবি আঁকি দিয়ে, সময়ে সময়ে পুথি-পাঁজিও দুখন এখন নকল কৰি দিয়েগৈ।

পঞ্চদশ শতাব্দীত শিক্ষা কেৱল পাদ্ৰী ছাহাবসকলৰ মাজতহে প্ৰচলিত আছিল। তেওঁলোকে শিক্ষাৰ নিমিত্তে মন-প্ৰাণ সঁপি দিছিল আৰু এই শিক্ষা যাতে সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ হয় তাৰ চেষ্টা কৰিছিল। য়ুৰোপীয় বৰ্ত্তমান সভ্যতাৰ গুৰিতে এই পাদ্ৰী ছাহাবৰ শিক্ষা। এই পাদ্ৰীবোৰে ৰোম আৰু গ্ৰীক দেশীয় হাতেলিখা পুথিবোৰ সংগ্ৰহ কৰি সেইবোৰ নকল কৰিছিল। এতিয়াৰ নিচিনাকৈ সেই কালত ছাপাখানা অতি কমেই আছিল। সেই পাদ্ৰীসকলে ব্ৰহ্মচৰ্য্য পালন কৰিছিল আৰু শিক্ষা আৰু ধৰ্ম্মপ্ৰচাৰৰ সুচলাৰ্থে সুন্দৰ বন্দোবস্ত কৰিহেই দেশ-বিদেশ ঘূৰি ফুৰিছিল। সেই সময়ত বেহা-বেপাৰ খাইকৈ স্পেন দেশীয় সদাগৰবিলাকৰ হাততে আছিল। দেশত আইনৰ প্ৰচলন বেছি নাছিল। দুই এক শতাব্দীৰ আগৰ আমাৰ ভাৰতবৰ্ষৰ নিচিনা সেই সময়ত দেশভ্ৰমণ বৰ বিপদজনক আছিল। কাৰণ পথ বৰ দুৰ্গম, চোৰ-ডকাইতেৰে ভৰপূৰ আছিল। ইটালী দেশত চিত্ৰবিদ্যাৰ বৰ আদৰ আছিল।



মাষ্টৰ জেৰাৰ্ডে এই পাদ্ৰীবোৰৰ লগত থাকি নানা তৰহৰ সুন্দৰ চিত্ৰবিদ্যা শিকিলে আৰু সংসাৰৰপৰা লাহে লাহে আঁতৰি আহিবৰ উপক্ৰম কৰিলে।

(৩)

## ভাগ্য-নিৰ্ণয়

জেৰাৰ্ডৰ ভাগ্য-বিধি সুপ্ৰসন্ন হল। এদিন ৰাতিপুৱা ফুৰিবলৈ ওলাই যাওঁতে এখন দোকানত এখন নতুন ৰকমৰ ধুনীয়া ছবি দেখিলে। সেই ছবিখন আঁকিবৰ নিমিত্তে তেওঁ ব্যগ্ৰ হৈ উঠিল। কিন্তু ব্যগ্ৰ হলেই বা কি হব? বহুমূলীয়া ৰহন কিনা দূৰৈৰ কথা, আন কি কাগজ এখন কিনিবলৈ পইচা এটি হাতত নাই। জেৰাৰ্ডে ছবিখনৰ নিমিত্তে কাগজ আৰু ৰহন [illegible]নিবৰ কত চেষ্টা কৰিলে, কিন্তু সকলো অথলে গল। অৱশেষত উপায়ান্তৰ নেদেখি মাকৰ ওচৰলৈ গৈ কান্দো-কান্দোকৈ কলে, "আই!" কেথেৰিনে ধমক্ দি কলে, "কি হৈছে?" জেৰাৰ্ডে থত্মত খাই পিছ হুঁহকি গল, মুখ বিৱৰ্ণ হল। তাকে দেখি মাকে চকু পকাই আকৌ সুধিলে, "কি হৈছে? কি লাগে?" জেৰাৰ্ডে কঁপি কঁপি আধা-ফুটা মাতেৰে কলে, "আই! মই দোকানত এখন ধুনীয়া ছবি দেখি আহিছো। সেইটো আঁকি বেচিব পাৰিলে বহুত ধন ঘটিব পাৰিম। কিন্তু আনি ৪।৫ টকামান ৰূপ দিলেই—।" জেৰাৰ্ডে কথা শেষ কৰিবলৈ নাপালে। তেওঁ যমৰ ওচৰত যেন সন্তান-ভিক্ষা মাগিলে। কৃপণ-স্বভাৱা মাকে লৰাক উৎসাহ দিয়ক চাৰি নানাৰকম ডাবি-ধকি দি চকু ঠিয়কৈ কৰলৈ ধৰিলে, "এঃ এঃ গুণমণি! তই যদি এনেকৈ ধন ঘটিবই পাৰ, তেনেহলে ইমান দিনে আমি ৰাজাধিৰাজাই হব পাৰিলোহেতেন। যা, সোণকালে আঁতৰ হ। মোৰ হাতত টকাৰ কথাকে নকও, পইচা এটিকে নাই। মই একো দিব নোৱাৰো।"

জেৰাৰ্ডৰ অন্তৰ ভাগি গল। তেওঁ আকাশ-পাতাল ভাবি শেষত হতাশ হল। মাকৰপৰা কোনো উৎসাহ নাপাই বাহিৰলৈ ওলাই গল, আৰু অলপ বেলিৰ মূৰতে পাদ্ৰী ছাহাবসকলৰ আশ্ৰম পালেগৈ।

আজি কিছুমান দিনৰপৰা টাৰ্গো নগৰত মাৰগেৰেট্ ভান্আইক্ নামেৰে এগৰাকী ব্ৰহ্মচাৰিণীয়ে (পাদ্ৰী মেম ছাহাব) এটি সৰু ঘৰ ভেৰোণীয়া কৰি লৈ তাতেই বাস কৰিছেহি। এই ঘৰটো জেৰাৰ্ডৰ ঘৰৰপৰা বেছি দূৰ নহয়। জেৰাৰ্ডক পাদ্ৰী ছাহাবসকলৰ ওচৰলৈ অহা-যোৱা কৰাটো মাৰগেৰেটে কেবাদিনৰে পৰা লক্ষ্য কৰি আছিল আৰু তেওঁৰ খোৱা-লোৱা, চলা-ফুৰা সম্বন্ধে সকলো খবৰ লবৰ চেষ্টা কৰিছিল। যেতিয়া পাদ্ৰীসকলৰপৰা জেৰাৰ্ডৰ খোৱা-লোৱা, চলা-ফুৰা, চিত্ৰ-বিদ্যাত ধাউতি আদিৰ কথা শুনিলে তেতিয়া তেওঁৰ অন্তৰ আনন্দত নাচি উঠিল। তেওঁ মনতে ঠিক কৰিলে, "এই ডেকাজনেই মোৰ লগৰীয়া হব; এওঁকেই মই মোৰ মনোমত শিক্ষা-দীক্ষা দিব পাৰিম।"

পিছদিনাখন [illegible]তিয়া জেৰাৰ্ড পাদ্ৰী আশ্ৰমলৈ যায়, মাৰগেৰেটে তেওঁক বাটৰপৰা মাতি আনি নানাৰকম প্ৰশ্ন সুধিব ধৰিলে। জেৰাৰ্ডে সকলো কথা ভাঙি-পাতি কলে। তেখেতে সকলো বৃত্তান্ত একান্তমনে শুনি কলে, "তেনেহলে আজিৰপৰা তুমি মোৰ ইয়ালৈ নিতৌ আহিবা। মই তোমাক যি লাগে তাকে দিম। চিত্ৰবিদ্যাৰ প্ৰতি তোমাৰ আগ্ৰহৰ কথা শুনি মই বৰ সন্তুষ্ট হৈছো। মই তোমাক নিতৌ নতুন নতুন চিত্ৰবিদ্যা শিকাম, কেনেকৈ চিৰকলীয়া ৰহন তৈয়াৰ কৰিব লাগে, কেনেকৈ চিত্ৰত ৰহন দিব লাগে, কেনেকৈ শুকুৱাব লাগে, সকলোকে শিকাম তুমি ভয় নকৰিবা।"

মাৰগেৰেট্ ভান্আইকৰ কথা শুনি ডেকা জেৰাৰ্ডৰ মনৰ হতাশ ভাব দূৰ হল, মন আনন্দত নাচি উঠিল, মুখ উজ্জ্বল হল। যি বিদ্যা শিকিম বুলি লৰাকালৰ পৰা মন-প্ৰাণ সঁপি দিছিল, যিহৰ বাবে দিনে-ৰাতি ইমান কষ্ট সহ্য কৰিছিল, যিহৰ নিমিত্তে এদিন মাকৰ ডাবি-ধকি খাই কান্দি কান্দি চকু উথহাইছিল, সেই মহাবিদ্যা শিকিবৰ সুযোগ আজি তেওঁৰ হাততে মিলিল। জেৰাৰ্ডক আৰু পায় কোনে? এই সুবিধাতে জেৰাৰ্ডে জেপৰপৰা লাহেকৈ দুখনমান ছবিৰ নমুনা উলিয়াই মাৰগেৰেটক দেখুৱালে। তেখেতে ছবি কিখন দেখি তবধ মানিলে, "কি আচৰিত! কি সুন্দৰ ছবি! কি সুন্দৰ হাতৰ

লেখা, আহা!" তাৰ পিছত জেৰাৰ্ডক শত শত ধন্যবাদ দি ভৱিষ্যতলৈ ভাল ভাল ছবি সংগ্ৰহ কৰিবলৈ উৎসাহ দিলে। জেৰাৰ্ডেও তাল বুজি সুৰ ধৰিলে,—সিদিনাখন কাগজ আৰু ৰহন কিনিবৰ নিমিত্তে মাকক টকা খুজিবলৈ গৈ কেনেকৈ হতাশ হৈ উলটি আহিছে, মাকে কেনেকৈ গালি-শপনি পাৰিছে, সকলো ঘটনা আদ্যোপান্ত মাৰগেৰেটৰ আগত ভাঙি-পাতি কলে। মাৰ্গেৰেটৰ দয়াৱতী তিৰুতা; তেখেতে লোকৰ দুখ দেখি চাই থাকিব নোৱাৰে। তেখেতৰ জীৱন পৰোপকাৰৰ নিমিত্তেই উছৰ্গা কৰা হৈছে। তেখেত পৰৰ দুখত সমদুখী, পৰৰ সুখত চিৰসুখী, মুঠতে তেখেতৰ পৰৰ দুখেই দুখ, পৰৰ সুখেই সুখ। ধন্য মাৰ্গেৰেট্ ভ্যান্আইক্। তোমাৰ জীৱনেই ধন্য! নহলে আজি অজ্ঞাতকুলশীল নজনা-শুনা ডেকা এজনক এনেকৈ সাবটি ধৰিবা কিয়?

মাষ্টৰ জেৰাৰ্ডৰ আৰ্থিক অনাটন আৰু বিধি-পথালিৰ কথা শুনি মাৰ্গেৰেটৰ হিয়া পমি গল। তেখেতে তেতিয়াই প্ৰতিজ্ঞা কৰিলে, "তোমাক মই আজীৱন সকলো প্ৰকাৰে সহায় কৰিম জেৰাৰ্ড! তুমি কেতিয়াও নিৰাশ নহবা, ভয় নাই।" জেৰাৰ্ডৰ মনৰ পৰা ধুৰঁলি-কুঁৱলী, আন্ধাৰ সকলো দূৰ হল। কাণে কাণে কোনোবাই যেন তেওঁক কৈ গল "ভয় নাই জেৰাৰ্ড!" চাৰিফালে বতাহে কুৰ্ কুৰ্ কৈ কৈ গল "ভয় নাই জেৰাৰ্ড!" গছৰ ডালত পৰি পখীবিলাকে সুৰ লগাই গীত ধৰিলে "ভয় নাই জেৰাৰ্ড!" গহীন বনত পশুবোৰে চীৎকাৰ কৰিলে "ভয় নাই জেৰাৰ্ড।" পৰ্ব্বত-পাহাৰত প্ৰতিধ্বনি উঠিল "ভয় নাই জেৰাৰ্ড!" জেৰাৰ্ডৰ হিয়া সুপ্ৰসন্ন হল।

(আগলৈ)

শ্ৰীশান্তিৰাম দাস

---

# গীত আৰু স্বৰলিপি

(অপ্ৰকাশিত "শোণিত কুঁৱৰী" নাটৰ পৰা)

কথা আৰু সুৰ—লিখক ; স্বৰলিপি—শ্ৰীবজ্ৰেশ্বৰ বৰদলৈ বি-এছ্-ছি

বোৱাঁ বোৱাঁ দখিণ মলয়া, তটিনী গোৱাঁ, ই কিনো মায়া, ই কিনো মায়া!
সমীৰণে আহি পৰাণ জুৰালে আ—হা—আ! ই কিনো ই কিনো
কোন নন্দনত পাৰিজাত ফুলে ই কিনো মায়া
বিলাই সুগন্ধ বিয়াকুল কৰে! ই কিনো ই কিনো
কোন তটিনী বয় ই কিনো মায়া
কুলু কুলু কুলু ই কিনো, ই কিনো
কুলু কুলু কুলু ই কিনো মায়া
কুলু কুলু কুলু কই (১) ই কিনো, ই কিনো
নিজৰি নিজৰি, নিজৰি নিজৰি (২) ই কিনো মায়া
কোন সুৰে গান গায়! ই কিনো ই কিনো
প্ৰাণ মতলীয়া কৰা আলসুৱা ই কিনো মায়া! (৩)

(১) এই বেখাৰি গাওঁতে পোনতে ডাঙৰকৈ, মাজতে সৰুকৈ, আকৌ শেষত প্ৰথম বাৰতকৈও ডাঙৰকৈ গাব লাগে।
(২) এই শাৰী প্ৰথমৰ দুটা সৰুকৈ আৰু পিছৰ দুটা ডাঙৰকৈ গাব।
(৩) "ই কিনো ই কিনো ই কিনো মায়া" এইটো প্ৰথমতে স্পষ্টকৈ গাই ক্ৰমে মাত ক্ষীণকৈ আনি শেষৰ বাৰৰ আগৰ বাৰত মাত নোহোৱা কৰিব লাগে আৰু শেষবাৰ কেৱল মুখৰ আৰু চকুৰ ভাব আৰু ইঙ্গিতেৰেহে প্ৰকাশ কৰিব লাগে। যন্ত্ৰৰ মাতো সেই অনুসাৰে হব।



সা গা মা পা | ধা পা মা গা মা পা | ধা পা
বো বাঁ বো বাঁ | দ খিণ ম ল অ য়া | ত টি

মা গা সা
নী গো বাঁ

সা সা সা সা সা সা | পা ধা ন ধা পা
স মী ৰ ণে আ হি | প ৰা ণ জু ৰা

পা | সা গা ধা পা মা গা ঋ গা সা
লে | আ হা হা া া া া া া

মা পা পা ন ন | সা সা সা সা সা
কো ন্ ন ন্দ নত | পা ৰি জাত ফু লে

সা সা ন সা সা ঋ নি সা নি ধা পা
বি লা ই সু গ ন্ধ বি য়া কু ল কৰে

পা ধা সা ধা সা ঋ গা | ন ঋ যা ন পা
কো ন্ ত টি টি নী বয় | কু লু কু লু কু

ধা | ন ঋ সা ন পা ধা | ন ঋ সা ন
লু | কু লু কু লু কু লু | কু লু কু লু

ধা ন পা | ধা পা মা গা মা পা
কু লু কই | নি জ ৰি নি জ ৰি

ধা পা মা গা মা পা | গা পা মা গা সা
নি জ ৰি নি জ ৰি | কো ন সু ৰে গান

সা গা মা পা | পা ধা ন ধা ন সা
গা আ আ আয় | প্ৰা ণ ম ত লী য়া

ধা ন সা সা সা সা সা | গা গা গা ঋ ঋ
ক ৰ া আ ল সু ৱা | ই কি নো মা য়া

সা সা ন ধা ধা
ই কি নো মা য়া

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| সা | ন | ধা | সা | ন | ধা | সা | ন | ধা | পা |
| ই | কি | নো | ই | কি | নো | ই | কি | নো | মায়া |
| ন | ধা | পা | ন | ধা | পা | ন | ধা | পা | মা |
| ই | কি | নো | ই | কি | নো | ই | কি | নো | মায়া |
| ধা | পা | মা | ধা | পা | মা | ধা | পা | মা | গা |
| ই | কি | নো | ই | কি | নো | ই | কি | নো | মায়া |
| পা | মা | গা | পা | মা | গা | পা | মা | গা | ৰে |
| ই | কি | নো | ই | কি | নো | ই | কি | নো | মায়া |
| মা | গা | ঋ | মা | গা | ঋ | মা | গা | ঋ | সা |
| ই | কি | নো | ই | কি | নো | [illegible] | [illegible] | নো | মায়া |

# ৰূপ-প্ৰসঙ্গ

জগতত ৰূপৰ আদৰ আছে। সেই গুণেই আমাৰ প্ৰত্যেক পুৰুষাৰ্থ, প্ৰত্যেক কৰ্ম্ম আমি ৰূপৰ ৰূপালি ৰহন সানি চকুমকীয়া কৰি সাফল্য-মণ্ডিত কৰি তুলিবলৈ যত্ন কৰো, ৰূপৰ মাজেদি পৰম দুৰ্ব্বোধ্য বিশ্ববিধাতৃৰ ৰহস্য-ভৰা চৰিত্ৰ-বৈচিত্ৰ্য বুজিবলৈ প্ৰয়াস কৰো, ৰূপৰ অঞ্জনেৰে তনয়ন ৰঞ্জিত কৰি সংসাৰৰ যেই সেই বস্তুকে ৰূপময় কৰি তুলিবলৈ চেষ্টা কৰো।

পৃথিবীত ৰূপৰ অভাৱ নাই। তেও কবিয়ে কাব্যত নতুন নতুন ৰূপৰ কাৰণে হা-হুতাশ কৰে, ৰূপৰ কত কাল্পনিক ছবি আঁকে! প্ৰকৃতি ৰাণীয়ে নদ-নদী ফল-মূল বৃক্ষ-পত্ৰ সুশোভিত বিচিত্ৰ ৰূপৰ ডালি নিপুণ হাতেৰে সজাই তোমাৰ সমুখত ধৰি ৰূপৰ স্নিগ্ধ মাধুৰী ঢালি দিছে, সুন্দৰী কামিনীয়ে ৰূপৰ ষোড়শোপচাৰ আগ-বঢ়াই মোহৰ মদিৰা উগ্ৰ কৰি ৰূপৰ তীব্ৰ জ্বালা উগা-ৰিছে। ৰূপৰ মাদকতাই মানুহক উদ্‌ভ্ৰান্ত কৰি তুলিছে। আকৌ ৰূপৰ শান্তি সিচনিয়ে মানুহৰ শৰীৰত তুষাৰ প্ৰলেপ লেপি দিছে, ভীমসিংহৰ—ৰাজপুতৰ কপালত সৰ্ব্বনাশৰ চাব বহুৱাই দিছে, আকৌ শৰ্ম্মিষ্ঠাৰ কত শত দৈন্য-প্ৰপীড়িত কন্যাদায়গ্ৰস্ত জীৱনৰ দুৰ্ব্বহ ভাৰ কাঢ়ি লৈছে নগৰে নগৰে ৰূপৰ বেচা-কিনা প্ৰভৃতি ঘৃণাদৃশ্য সৃজন কৰিছে, আকৌ দূৰাবস্থিত চুবুৰি গাৱঁৰ ক্ষুদ্ৰ পৰিয়ালৰ ভিতৰত আনন্দমুখৰিত পবিত্ৰ কোলাহল তুলিছে। সেইহে ৰূপত স্বৰ্গৰ সুনিৰ্ম্মল জ্যোতি আছে, আকৌ নৰকৰ পূতিগন্ধী ঘোৰ অন্ধকাৰো আছে।

দাম্পত্য জীৱনত ৰূপৰ বিপুল সাৰ্থকতা আছে, বিশেষকৈ হিন্দুৰ। কাৰণ হিন্দুজাতিৰ পূৰ্ব্বৰাগ, ডাইভৰ্চ (divorce), কুৰি বছৰৰ গৌৰীদান প্ৰভৃতি প্ৰথাৰ কোনো আপদ নাই। নৱপৰিণীত যুগলৰ পৰস্পৰৰ প্ৰতি আকৰ্ষণ সিহঁতৰ ভবিষ্য জীৱনৰ গতিৰ ধাৰা অনেক সময়তেই সুস্পষ্টৰূপে কৈ দিবলৈ সমৰ্থ হয়। নিচিনা, নজনা, পৰ এজনক আপোন কৰি লব লাগিব। অৱলম্বন কি? ৰূপ। নাৰী পতিৰ সমুখত নিজ ৰূপৰ নগ্নো-




ভাসিত অনাবৃত জ্যোতি স্বামীৰ উপভোগৰ কাৰণে প্ৰকাশিত কৰে। ইয়াতেই ৰূপজ মোহৰ সৃষ্টি হয়; (হিন্দুৰ বিবাহপদ্ধতিৰ নিগূঢ় পবিত্ৰভাৱ স্বীকাৰ্য্য। কিন্তু তথাপি ৰূপৰ মোহেই আগৰণুৱা হৈ কৰ্ত্তব্যৰ পূৰ্ব্বভাগ সমাপন কৰে বা মূল উদ্দেশ্য সূচিত কৰে।) ৰূপজ মোহৰ এই যথাসাময়িক বিকাশ স্বামী-স্ত্ৰীৰ সমস্ত ব্যৱধান মনৰ পৰা মচি পেলাই দিয়ে, পৰ আপোন হৈ যায়। এইদৰে কাল কটায়, কিন্তু ৰূপৰ মোহ চিৰতিকাললৈ নাথাকে। কালৰ বিধানানুযায়ী ৰূপ যেতিয়া টুটি আহে, বাণ যেতিয়া ভাটী দিয়ে, তেতিয়া প্ৰতিক্ৰিয়াৰ কাল উপস্থিত হয়, ৰূপজ মোহৰ বন্ধন-জাল খহি পৰে, মোহ অন্তৰ্হিত হয়। পতি-পত্নীৰ মনত তেতিয়া জানো অমিলৰ [illegible] দিয়েহি? নিদিয়ে। সময় প্ৰভাৱে ৰূপজ মোহৰ ভিতৰেদি মিলৰ যি প্ৰীতি-চাব ছুটি জীৱৰ অন্তৰত আঁকি দিছে সি আৰু মচ নেযায়। ৰূপ-মদিৰা-বিহ্বল মন তেতিয়া ৰূপৰ মোহ কাটি আনফালে চকু ঘূৰাবলৈ আজৰি পায়, তেতিয়া গুণ চকুত পৰে। এই অৱস্থাতেই প্ৰকৃত প্ৰেমে চেগ বুজি দখলি স্বত্ব ঘোষণা কৰে।

প্ৰত্যেক ইন্দ্ৰিয়ৰেই একো একোটা স্বাভাৱিক বৃত্তি আছে। যেনে জিহ্বাৰ বৃত্তি ৰসাস্বাদন। চকুৰো সেইদৰে স্বাভাৱিক বৃত্তি দৰ্শন। মনৰ প্ৰবৃত্তিৰ লগত দৰ্শনশক্তিৰ অতি ঘনিষ্ঠ সম্বন্ধ আছে। দৰ্শনীয় বস্তু সৌন্দৰ্য্যশালী হলে সাধাৰণতঃ আমি তাক অধিক সময় চাই থাকো, কিন্তু কদৰ্য্য হলে চায়েই চকু ঘূৰাই আনো। দৰ্শনীয় বস্তু, সু কিম্বা কু, চকুৱে তাক চাবই। কিন্তু অধিকক্ষণ কি অল্পক্ষণ অৰ্থাৎ চাই থকা ন্যায় নে অন্যায় বিচাৰ কৰিব মনে—বিবেকে। ৰূপ দৰ্শনেন্দ্ৰিয়গ্ৰাহ্য। সেইদেখি চকুৱে যতে ৰূপৰ সন্ধান পায়, ততে দৃষ্টি নিক্ষেপ কৰে। অনেক সময় কোনো বিধি নিষেধ পৰ্য্যন্ত নামানে। পৰৰ স্ত্ৰী-বোৱাৰী কাষত কলহ লৈ পানী আনিবলৈ যায়, তুমি একদৃষ্টে তাইঁহঁতৰ পদ-বিন্যাস-লালিত্য চাই থাকা; তুমি বুজিছা যে ই তোমাৰ অনুচিত কৰ্ম্ম, বিবেকে তোমাক পীড়ন কৰিব লাগিছে; কিন্তু তেও তুমি তোমাৰ দৃষ্টি তুলি লব পৰা নাই। ইয়াত ৰূপৰ টান উপলব্ধিৰ বিষয়। যি বস্তু সৌন্দৰ্য্যৰ আধাৰ নহয় সেই বস্তুৰ পৰা আমি চকু ঘূৰাই আনো, কাৰণ ৰূপৰ প্ৰবল তৃষ্ণা নিবাৰণ কৰিবলৈ তাত কোনো সুচল পোৱা নাযায়। কুভাবসম্পন্ন বহুবিধ পদাৰ্থৰো ৰূপ থাকে কিন্তু তাৰ উপভোগ কৰা-নকৰা সি ৰুচি-প্ৰবৃত্তিৰ কথা। কাব্যাদিত বৰ্ণিত ৰূপ আমি মনেৰে অনুভৱ কৰো। চকু ইয়াত অচল, তথাপি এই ৰূপ সম্যক্‌ৰূপে অনুভৱ আৰু সহজে বোধগম্য কৰিবলৈ চকুৰে অৰ্জ্জিত পূৰ্ব্ব অভি-জ্ঞতাৰ প্ৰয়োজন। অৰ্থাৎ, কাব্যত যদি 'হৰিণাক্ষি'ৰ বৰ্ণনা থাকে আৰু আমি যদি কাৰবাৰ তেনেকুৱা চকু আগেয়ে দেখিছো তেনেহলে কাব্যবৰ্ণিত 'হৰিণাক্ষি' অনুভৱ কৰিবলৈ আৰু বুজিবলৈ আমাৰ পক্ষে সহজ হৈ পৰে। তেতিয়া চকু এক প্ৰকাৰে সচল। কিন্তু কাব্যাদিত এনে কিছুমান ৰূপৰ চিত্ৰ আছে যিবোৰ অনুভৱ কৰিবলৈ আৰু বুজিবলৈ পূৰ্ব্বাৰ্জ্জিত অভিজ্ঞতাৰ সহায় কোনোৰূপেই নোৱাৰা নাযায়। পৃথিবীত যি নহয়, নাইবা তোৰা নাই, তাক চকুৰে দেখা সম্ভৱপৰ নহয়; চকুৰ শক্তি সীমা-বদ্ধ। চকুৰ অদৃশ্য ৰূপৰ সৃষ্টিকৰাত ৰূপতৃষ্ণাৰ যি প্ৰাবল্য দেখা যায় সিও উপলব্ধিৰ বিষয়।

কালপাত্ৰ অনুযায়ী ৰূপে দৰ্শকৰ মনত বিভিন্ন ভাব বা ৰস উদ্দীপিত কৰে। সেইদেখি সুকুমাৰমতি প্ৰিয়-দৰ্শন বালকৰ ৰূপবাৎসল্য ৰসাভিষিক্ত ভাব উদয় কৰে, কিন্তু সৌম্য মূৰ্ত্তি বৃদ্ধজনৰ ৰূপে সাধাৰণতে ভক্তিৰসৰেই প্ৰস্ৰৱন বোৱাই থাকে; গাভৰু ৰমণীৰ বিতোপন ৰূপে কামতৃষ্ণা বঢ়ায়, কিন্তু প্ৰকৃতি সুন্দৰীৰ দিগন্তব্যাপী অনন্তৰূপে অপৰিমেয় ঐশ্বৰ্য্যশালী ব্ৰহ্মাণ্ডৰ গৰাকী ভগৱানৰ গুণ-গৰিমাহে গাবলৈ শিকায়।

শ্ৰীপ্ৰভাতচন্দ্ৰ অধিকাৰী



# নাটঘৰ

## নাট্যকলা

আমি আমাৰ শাস্ত্ৰত চৌষষ্টি কলাৰ নাম পাওঁ। এই চৌষষ্টি কলাৰ ভিতৰত নাট্যকলা এটি প্ৰধান। ই চকু আৰু কাণ দুয়োটা ইন্দ্ৰিয়কে আশ্ৰয় কৰে। সেই কাৰণে ই মনক বেছি পৰিমাণে তন্ময় কৰিব পাৰে আৰু আত্মাকো পৰম সুখৰ আস্বাদ দিব পাৰে। পণ্ডিতপ্ৰবৰ হৰপ্ৰসাদ শাস্ত্ৰীৰ এই বিষয়ে লিখা এটি বহুমূলীয়া প্ৰবন্ধৰ পৰা এই বিষয়ত আমি বহুত পোহৰ পাওঁ।



পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰী

সকলো সভ্য দেশতেই নাটক আছে; আমাৰ দেশতো আছিল—বহু আগৰে পৰা। কালিকাপুৰাণ মতে চৌষষ্টি কলাৰ জন্ম সৃষ্টিৰ আদিতে। ব্ৰহ্মাৰ মানসকন্যা সন্ধ্যাৰ কামদেৱৰ শৰত কামভাব উপস্থিত হোৱাৰ ফলতেই চৌষষ্টি কলাৰ জন্ম।

বিব্বোকাদ্যাস্তথা হাবাশ্চতুঃষষ্টি কলাস্তথা।
কন্দৰ্পশৰবিদ্ধায়াঃ সন্ধ্যায়া অভৱন্ দ্বিজাঃ॥

চতুঃষষ্টি কলাৰ ভিতৰত নাট্যকলা। নাট্যকলাৰো সৃষ্টিৰ আদিতেই জন্ম হল। এই আখ্যানৰ উপৰিও নাট্যশাস্ত্ৰত আৰু এটি আখ্যান আছে। দেৱতাসকলে যেতিয়া অসুৰবোৰক যুদ্ধত হৰুৱালে তেতিয়া স্ফূৰ্ত্তি কৰিবৰ কাৰণে তেওঁলোকে ধ্বজা পুতিলে। সেই ধ্বজাৰ নাম ইন্দ্ৰধ্বজ। সেই ধ্বজাৰ তলত কেনেকৈনো অসুৰবোৰক হৰুৱাইছিল তাকে অভিনয় কৰি দেখুৱালে। কিছু দেৱতা হল, কিছু অসুৰ হল; কেনেকৈ যুদ্ধ হৈছিল, অসুৰবোৰ কেনেকৈ হাৰিছিল তাক দেখুৱালে। ইয়াতে অসুৰবোৰৰ বৰ খং উঠিল। সিহঁতে তাৰ প্ৰতিশোধ লবলৈ দেৱতাৰ নাটক ভাঙি দিবলৈ আহিল। ইন্দ্ৰৰ হাতত এডাল বাঁহ আছিল। তাৰ সাতোটা পাব আছিল। তাৰে তেওঁ অসুৰবোৰক এনেকৈ কোবালে যে ওপৰৰ পাবটো থেতেলা খাই গল। অসুৰবোৰ পলাল। ইন্দ্ৰই কলে "এই থেতেলা-খোৱা বাঁহডালেই নাটৰ দেৱতা হক।"



তাৰ পিছত দেৱতাসকলে ব্ৰহ্মাক মাতি আনি নাটক দেখুৱালে, বিষ্ণুক মাতি আনি সমুদ্ৰমন্থন নাটক দেখুৱালে, আৰু শিৱক মাতি আনি ত্ৰিপুৰদাহ নাটক দেখুৱালে। সকলোৱেই আনন্দিত হৈ যাৰ যি আছিল সকলো দেৱতাক দিলে। কেৱল শিৱই কলে "তোমালোকৰ সকলোৱেই ভাল হৈছে, কিন্তু এটা বস্তুহে নাই। সেইটো হৈছে নৃত্য। মই তুণ্ডু মুনিক পঠাই দিম। তোমালোকে তেওঁৰ পৰা নৃত্য শিকা।" তেতিয়াৰে পৰা নাটকলৈ নৃত্য আহিল। এয়েই আমাৰ নাটক উৎপত্তিৰ আখ্যান।

আমাৰ দেশত এক শাস্ত্ৰ আছে সি হৈছে নাট্যশাস্ত্ৰ। এনে শাস্ত্ৰ আন কোনো দেশতেই নাই। নাট্যশাস্ত্ৰৰ আগতে আৰু এটা বস্তু আছিল সি হৈছে নাট্যসূত্ৰ। ভাৰতৰ এই ৰীতি যে আগেয়ে সূত্ৰ হয়, তাৰ পিছতহে শাস্ত্ৰ। পাণিনিয়ে দুখন নাট্যসূত্ৰৰ কথা কয়। সেই কাৰণে আমি ধৰিব পাৰো যে তাৰ আগেয়েই বহুতো নাট আছিল। বহুতো নথকাহেতেন সূত্ৰলিখাৰ আৱশ্যক নাছিল।

ভৰত মুনিকে আমাৰ নাটকৰ জন্মদাতা বুলি কয়। ভৰত নাট্যশাস্ত্ৰ বুলি এক শাস্ত্ৰ আছে, তাত নাট্যকলাৰ উৎপত্তিৰ পৰা নাটক সম্পৰ্কীয় সকলো কথা বাহুল্যকৈ বৰ্ণনা কৰা আছে। এই শাস্ত্ৰখনৰ জাৰ্ম্মানী আৰু ফৰাচী অনুবাদহে আছে। এজন বঙ্গালী লিখকৰ পৰা তলত এই শাস্ত্ৰৰ বিষয়ে উদ্ধৃত কৰি দিয়া হল—

প্ৰথম অধ্যায়—নাটকৰ উৎপত্তি বৰ্ণিত আছে। নাটকৰনো কেনেকৈ উৎপত্তি হল ব্ৰহ্মাই তাক বৰ্ণনা কৰে। তাৰ পিছত মনুৰ প্ৰশ্নত ভৰত মুনিয়ে ইয়াক পৃথিৱীত প্ৰচাৰ কৰে। ভৰত মুনিৰ মতে নাট্যশাস্ত্ৰ পঞ্চম বেদ। সাম, ঋক, যজু, আৰু অথৰ্ব্ব বেদৰ পাছতেই ইয়াৰ স্থান। স্বয়ং ব্ৰহ্মাই বেদৰ পাছত যাক স্থান দিছিল, সি যে প্ৰাচীন আৰ্য্যসকলৰ জীৱনত কিমান প্ৰভাৱ বিস্তাৰ কৰিছিল তাক সহজে অনুমান কৰিব পাৰি। বৈদিক যুগত যজ্ঞত ইন্দ্ৰাদি দেৱতাৰ আবাহন সাম গান, ঋত্বিকসকলৰ বিভিন্ন কাৰ্য্যকলাপে আৰ্য্যসকলৰ মনত অভিনয়ৰ স্পৃহাৰ অঙ্কুৰ বপন কৰে। পিছলৈ এই অঙ্কুৰেই ভাৰত মহীৰুহ হৈ বহু কলাবিদক শীতল ছায়াৰে তৃপ্ত কৰিছিল।

দ্বিতীয় অধ্যায়ঃ—প্ৰেক্ষাগৃহ লক্ষণ। এটা কথাতে কবলৈ হলে, 'ষ্টেজ' কেনেকুৱা তাৰেই বৰ্ণনা। প্ৰথমতে বাস্তুশাস্ত্ৰৰ কথা—মাটি পৰীক্ষা, মাটি সমান কৰা ইত্যাদি। প্ৰেক্ষাগৃহ (stage) তিনি বিধঃ—(১) বিকৃষ্ঠ, (২) চতুৰস্ৰ আৰু (৩) ত্ৰ্যস্ৰ।

(১) বিকৃষ্ঠ নাটশাল দেৱতাৰ হাতেৰে এশ আঠ হাত হব লাগে। ইয়াকেই জ্যেষ্ঠ বা সকলোতকৈ ডাঙৰ নাটশাল বোলা হৈছে।

(২) চতুৰস্ৰ নাটশাল মানুহৰ হাতেৰে চৌষষ্টি হাত হব লাগিব। ইয়াক মধ্যম বোলা হৈছে।

(৩) ত্ৰ্যস্ৰ—ইয়াক কনিষ্ঠ বোলা হৈছে; ই বত্ৰিশ হাত আৰু ত্ৰিকোণ হব লাগিব।

এই তিনি বিধ নাটশালৰ কথা। তাৰ পিছত মুনিয়ে ৰঙ্গশালাক (stage) তলত লিখা সাতটি অংশত বিভক্ত কৰিছে।—

(ক) ৰঙ্গপীঠ (actual stage), (খ) নেপথ্য গৃহ (green room) বা চোঁ ঘৰ, (গ) চিত্ৰকৰ্ম্ম (painting) (ঘ) স্তম্ভস্থাপন, (ঙ) ভিত্তিলেপন, (wall-painting), (চ) দ্বাৰান্ (wings), (ছ) proscenium.

তৃতীয় অধ্যায়—সেই সময়ৰ নিয়ম অনুসাৰে ভৰত মুনিয়ে পূজা, বলি, নৈবেদ্য ইত্যাদিৰ ব্যৱস্থা কৰিছে। এই অধ্যায়ৰ নাম "ৰঙ্গ দৈবত পূজা বিধান।" বহু দেৱতা পূজাৰ কথা ইয়াত আছে। যেনে—দ্বাৰ দেৱতা, ষ্টেজৰ মাজৰ দেৱতা, পূব, পশ্চিম, উত্তৰ, দক্ষিণকালে একজন একজন দেৱতাৰ পূজা আৰু বলিৰ (নৈবেদ্য) বিধান আছে।

চতুৰ্থ অধ্যায়ঃ—তাণ্ডৱ লক্ষণম্—নৃত্যৰ কথা। যেতিয়া ষ্টেজৰ বৰ্ণনাৰ পাছত নাচৰ বৰ্ণনা আছে, তেতিয়া স্পষ্টকৈয়ে বুজা যায় যে তেতিয়াও নাচৰ স্থান প্ৰথম আছিল। কিন্তু বৰ্ত্তমান আমাৰ দেশৰ ষ্টেজবোৰত ভাৰতীয় নৃত্যৰ আদৰ্শ একেবাৰেই লোপ পাইছে। স্বয়ং মহাদেৱেই ইয়াৰ বক্তা। নাচক স্বয়ম্ভৰ বোলা হৈছে, অৰ্থাৎ

নাচৰ কোনো স্রষ্টা নাই। মানুহৰ মনত নৃত্যৰ ঢৌ নেখেলালে বাহিৰৰ অঙ্গপ্ৰত্যঙ্গলৈ নাচ নাহে। অন্তৰত নৃত্যৰ তাণ্ডৱৰ আৰম্ভ নহলে বাহ্যপ্ৰকৃতিত তাৰ প্ৰকাশ নহয়। ইয়াকেই নৃত্যৰ কাৰণ নিৰ্ণয় কৰি ভৰত মুনিয়ে নাচক নৃত্যকৰ্ম্ম (actual dancing) বুলিছে। এই নৃত্যকৰ্ম্ম (dancing pose) এটা দুটা নহয়, এশ আঠ প্ৰকাৰৰ। এশ আঠ প্ৰকাৰৰ বিভিন্ন নৃত্যৰ গতি আৰু ভঙ্গী বিশেষভাৱে এই অধ্যায়ত বৰ্ণিত আছে। তাৰ ভিতৰত যেনে—তলপুষ্পপুট, ললিত, অপবিদ্ধ, ঘূৰ্ণিত, নূবৃত্ত, দোলাপদ, নাগপাশিত, গঙ্গাৱতৰণ ইত্যাদি। এইবিলাকৰ বিকল্পত ৩২ বিধ নাচৰ কথা আছে। তাৰ পাছত গান (music), অভিনয় (acting), আৰু বাদ্যৰ (concert) কথা কৈ ভৰত মুনিয়ে ষষ্ঠ অধ্যায় শেষ কৰিছে। প্ৰাচীন ভাৰতত নৃত্য কিমানদূৰ উন্নত হৈছিল তাক ইয়াৰ পৰা বেছ বুজা যাব।

প্ৰাচীন ভাৰতত কেৱল বিশেষ বিশেষ আনন্দোৎসৱতহে অভিনয়ৰ উদ্যোগ হয়। দেৱতাৰ উৎসৱ, বিবাহ-উৎসৱ, বিজয় উৎসৱ ইত্যাদি। কিন্তু বসন্তোৎসৱেই অভিনয়ৰ কাৰণে প্ৰশস্ত আছিল। প্ৰাচীন গ্ৰীছ ৰোমৰো এনে ব্যৱস্থা আছিল। গ্ৰীছত, তেতিয়া Dionysus ৰ উৎসৱ হৈছিল; উৎসৱত গান-বাজনা হৈছিল আৰু বেদীৰ চাৰিওফালে নাচ হৈছিল। ইয়াক সিহঁতে Dithyrambos বুলিছিল। ইয়াৰ পৰাই গ্ৰীছৰ থিয়েটাৰৰ উৎপত্তি।

সংস্কৃত কাব্য নাটকত অভিনেতাক 'নট' বোলে। বৈদিক সাহিত্যত 'নট' বুলি কোনো শব্দৰ প্ৰয়োগ নাই। কিন্তু বাজসনেয়ী সংহিতাত (৩০।৪) আৰু তৈত্তিৰীয় ব্ৰাহ্মণত (৩।৪।২) 'শৈলুষ' শব্দ পোৱা যায়। পিছে 'শৈলুষ' শব্দই 'নট' বা অভিনেতা বুজাইছিল নে নাই কোৱাটো টান। 'শৈলুষ'ক নৰ্ত্তক বা গায়ক (musician) হে বুলিব পাৰি। কৌষিতকী ব্ৰাহ্মণত (২৯।৫) আছে যে কিছুমান বৈদিক সূক্তৰ প্ৰধান অংশ আছিল নৃত্যগীত আৰু বাদ্য। এইবোৰক কলা বা আৰ্ট বুলিয়েই ধৰা হৈছিল। বৈদিক যুগত কিছুমান নিয়ম প্ৰচলিত আছিল। তাত দেখা যায় যে সামবেদৰ গানবোৰ গোৱা হৈছিল আৰু ক্ৰিয়া-কলাপত নৃত্যৰ ব্যৱস্থা আছিল। মহাব্ৰত যজ্ঞত গাভৰুবোৰে যজ্ঞকুণ্ডৰ চাৰিওফালে নাচিছিল। সেই যজ্ঞত কাজিয়াৰ আৰু যুদ্ধৰ খেমালিৰ চলেৰে ভাও ধৰি অভিনয়ো হৈছিল। সোম বিক্ৰয় ব্যাপাৰৰ পৰা হোৱা কাজিয়াৰ ভাও আৰু শূদ্ৰ আৰু আৰ্য্যৰ যুদ্ধানুকৰণৰ অভিনয় মহাব্ৰত লক্ষ্য কৰিবলগীয়া।

নৃত্যগীত, অনুকৰণাভিনয়—এইবোৰ বৈদিক যুগত বেছ দেখা যায়। এইবোৰেই আন গঢ় লৈ লাহে লাহে নাটমন্দিৰৰ অভিনয়ত পৰিণত হব পাৰে।

নাটকৰ মূল বেদতো বিচাৰিব পাৰি। কেউফালৰ পৰা নহলেও অন্ততঃ উক্তি-প্ৰত্যুক্তিৰ ফালৰ পৰাও ঋগ্বেদৰ দশম মণ্ডলত (১০।১ সূক্ত) পণি আৰু সৰমাৰ কথাত নাটকৰ আভাস পোৱা যায়। যথাৰ্থতে দুজনে এইবোৰৰ আবৃত্তি কৰিছিল।

## পণিবোৰ আৰু সৰমা

১। (পণিবোৰ) তুমি কি ভাবি ইয়ালৈ আহিছা? ই বহু দূৰণী বাট। এই বাটেদি আহিবলৈ হলে পিছলৈ চালে আহিব নোৱাৰি। আমাৰ নো এনে কি বস্তু আছে যাৰ বাবে তুমি আহিছা? কেই ৰাতি আহিছা? নদী কেনেকৈ পাৰ হলা?

২। (সৰমা)—ইন্দ্ৰৰ দূতী হৈ মই আহিছো। পণি-সকল, তোমালোকে অনেক গোধন সংগ্ৰহ কৰিছা। মোৰ সেইবোৰ নিয়াৰ ইচ্ছা। পানীয়ে মোক ৰক্ষা কৰিছে। মই উলঙ্ঘন কৰি যাওঁ বুলি পানীৰ ভয় লাগিল। এই দৰেই নদীৰ পানী পাৰ হৈছো।

৩। (পণিবোৰ)—সৰমা! তুমিতো ইন্দ্ৰৰ দূতী হৈ আহিছা? তোমাৰ ইন্দ্ৰ কেনেকুৱা? তেওঁক দেখিবলৈ কেনে? বাৰু! তেওঁ আহক, আমি তেওঁক বন্ধু বুলি স্বীকাৰ কৰিবলৈ সন্মত আছো। তেওঁ আমাৰ গাই-বোৰ লৈ অধিকাৰ কৰোক।

দশম মণ্ডলৰ (১০ সূক্তত) এনে আৰু এটি কথা-বতৰা আছে। সেইটো হৈছে যম-যমীৰ উক্তি। ডক্টৰ হাৰ্টেলে (Dr. Hertel) কয় যে এইবোৰৰপৰাই



ক্ৰমে নাটকৰ উৎপত্তি। বৈদিকযুগৰ পাছতেই "সম্পূৰ্ণাধ্যায়" নামৰ এনে এখন নাটকৰ চিনাকি পোৱা যায়। সুপণ্ডিত কীথে (Keith) এইখন সম্পূৰ্ণ নাটক বুলি স্বীকাৰ কৰা নাই যদিও, নাটক বুলি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে।

এতিয়া আমি বুজিব পাৰো যে নাটক কিমান পুৰণি। সংসাৰত যিমানবোৰ বস্তু আছে সকলোবোৰেই নাটকত আৱশ্যক। শাস্ত্ৰকাৰসকলে এই কথা বহুকাল আগৰেপৰা কৈ আহিছে। মনৰ যিমানবোৰ ভাব আছে সকলো নাটকত থাকিব। সেই কাৰণেই আমাৰ নাটক বিশ্বব্যাপী হৈ পৰিছিল। নাটক ভাৰতত কেতিয়াও বন্ধ হোৱা নাছিল। 'নট' বুলি সদায় এক জাতি আছিল তেওঁলোকে নাটক কৰিছিল আৰু লিখিছিল।

প্ৰথমতেই ইন্দ্ৰধ্বজাৰ তলত নাটক হৈছিল। তাৰ পাছত মুকলি ঠাই এৰি দেৱমন্দিৰৰ আগত, ৰজাৰ ঘৰত এইদৰে নাটঘৰ হবলৈ ধৰিলে। এই বিষয়ে ওপৰত কৈ অহা হৈছে।

কিন্তু ভাৰতবৰ্ষ যেতিয়া পৰাধীন হৈ দুখীয়া হল তেতিয়া আৰু এইদৰে নাটঘৰ কৰিবলৈ ধনৰ অভাৱ হল। আকৌ মুকলি ঠাইত নাটঘৰ হবলৈ ধৰিলে, কিন্তু নাটক কৰাৰ প্ৰবৃত্তি নগল।

এতিয়া আমি আমাৰ অসমৰ নাট্যজগতৰ সম্পৰ্কে আৰু অসমীয়াৰ নাট্যকলাৰ সম্পৰ্কে কিছু আলোচনা কৰো। বৰ্ত্তমান অসমত যি শিক্ষিত সমাজৰ থিয়েটাৰ সি সম্পূৰ্ণ বিজাতীয়— য়ুৰোপীয় নাট্যকলাৰ হীন অনুকৰণ মাত্ৰ। নাট্যকলাৰ প্ৰকৃত চৰ্চ্চা অসমত নাই বুলিলেও মিছা কোৱা নহয়।

অসমত বহু আগেয়ে নিশ্চয় নাটক আছিল। আৰ্য্যসভ্যতাৰ বিস্তাৰৰ লগে লগে তাৰো নিশ্চয় প্ৰচাৰ আৰু বিস্তাৰ হৈছিল। কিন্তু মাজতে অৰ্থাৎ শঙ্কৰদেৱৰ জন্মৰ আগৰ যুগত ই লোপ পাইছিল বা ইয়াৰ অৱনতি হৈ লোপ পোৱাৰ অৱস্থাত আছিল।

ভাওনাৰ বৰ্ত্তমান যথেষ্ট অধঃপতন হৈছে, আৰু অশিক্ষিত (uncultured) মানুহৰ হাতত পৰি তাৰ সৌন্দৰ্য্যহানি ঘটিছে। আমি অলপ সুক্ষ্মভাৱে চালে তাক বুজিব পাৰো। নাচবোৰো সুক্ষ্মভাৱে চালে তাৰ motive, অঙ্গ-প্ৰত্যঙ্গৰ চালনাত বুজিব পাৰো। সেই Art for art's sake বুলি বোধকৰো চৰ্চ্চা নকৰিছিল, সমাজসংস্কাৰ, ধৰ্ম্মপ্ৰচাৰেই মুখ্য উদ্দেশ্য আছিল আৰু তাৰ লগে লগে যে আৰ্টৰ ফালেও মন নাছিল তাক বুজিব নালাগে। বৰণ সনা, সাজ-পোচাক কৰা—এইবোৰৰ যথেষ্ট উন্নতি হৈছিল। ভাওনাত যাৰ যেনে মূৰ্ত্তি সেইদৰে উলিওৱাৰ চেষ্টা কৰাৰপৰা reality ৰ ফালে ধাউতিৰ গম পোৱা যায়। অৱশ্যে কথা কোৱা (acting) অস্বাভাৱিক হব পাৰে, কিন্তু সেই সময়ত সাধাৰণ মানুহৰ মন আকৰ্ষণৰ কাৰণে তেনে কৰাৰ প্ৰয়োজন হৈছিল।

ভাওনা উলিয়াবলৈ শঙ্কৰদেৱে প্ৰথমে এখন 'চিহ্নযাত্ৰা' নামে নাট ৰচে। তাৰ কাৰণে তেওঁ আজিকালিৰ থিয়েটাৰৰ দৃশ্যপটবোৰৰ দৰে বৈকুণ্ঠৰ চিত্ৰপট নিজ হাতে আঁকিছিল। এইবিলাকৰ পৰা আৰু বৰ্ত্তমান ভাওনা চালে ভালকৈ বুজিব পৰা যায় যে আসামত নাট্যকলাৰ কেনে চৰ্চ্চা হৈছিল। আমাৰ অসমীয়াৰ নাট্যকলা বুলিবলৈ এই ভাওনাই। কিন্তু বৰ্ত্তমান ভাওনাই সময়ৰ লগত নিজৰ সামঞ্জস্য ৰাখিব নোৱাৰি লাহে লাহে পাছ পৰিছে আৰু তাৰ সলনি য়ুৰোপীয় থিয়েটাৰে আমাৰ নাট্যকলাৰ ঠাই অধিকাৰ কৰিছে। বৰ্ত্তমান যি আমাৰ নাট্যকলা, তাক আমি আমাৰ বুলিব নোৱাৰো। আমাৰ শিক্ষিত সমাজৰ ভিতৰত অসমীয়া নাট্যকলাৰ চৰ্চ্চা হোৱা নাই। ভাওনা আমি দূৰতে পেলাইছো। কিন্তু অসমীয়াৰ যদি নিজত্ব কিবা আছে তেন্তে সি ভাওনা। অৱশ্যে ভাওনা বৰ্ত্তমানৰ সময়োপযোগী নহব পাৰে, কিন্তু আমাৰ বৰ্ত্তমান নাট্যকলা বা থিয়েটাৰ সেই ভাওনাৰ ওপৰতে ঠিয় কৰিব লাগিব। ভাওনাৰ অৱশ্যে বহুতো বাদ দিবলগীয়া আছে। যেনে—কৃত্ৰিম acting, প্ৰৱেশ কৰোতে নাচি অহা, বৰ্ত্তমান যিবোৰ অশ্লীলতা সোমাইছে, কৃত্ৰিম কিছুমান অঙ্গিভঙ্গি। ষ্টেজ অৱশ্যে লাগিব। বৰ্ত্তমানৰ যিবোৰ আমাৰ পক্ষে আৱশ্যক সেই সকলোখিনি লোৱা।

ভাৱনাৰ এটি প্ৰধান ৰাখিবলগীয়া আৰু সংস্কাৰ কৰি বৰ্ত্তমানৰ উপযোগী কৰি লবলগীয়া হৈছে ভাৱনাৰ নাচ। এই নাচৰ দোষখিনি গুচাই নাচিব পাৰিলে গোটেই পৃথিবীৰ সভ্যজাতিয়ে ইয়াৰ মোল বুজিব পাৰিব বুলি আমাৰ বিশ্বাস।

বৰ্ত্তমান আমাৰ ষ্টেজবোৰত বিজাতীয় ভাবত, বিজাতীয় নাটক, বিজাতীয় দৃশ্যপটৰ মাজত, বিজাতীয় সাজ-পোছাকেৰে, বিজাতীয় সুৰত, বিজাতীয় কথা কোৱাৰ অঙ্গি-ভঙ্গিত অভিনয় কৰে। এইবোৰ এনেভাৱে আমাৰ অভিনেতাৰ মজ্জাগত হৈছে যে, তাৰ বাহিৰে অসমীয়া নাটক বা অসমীয়া নাট্যকলা ভাল নালাগেই।

বৰ্ত্তমান আমাৰ যিবোৰ নাটঘৰ আছে সকলোবোৰেই দোষেৰে পৰিপূৰ্ণ, অৰ্থৰ অনাটনৰ দোহাই দিলেও ইয়াক সমৰ্থন কৰিব নোৱাৰোঁ। কাৰণ দৃশ্যপটাদি সকলো বিজাতীয়া ভাবৰ। ষ্টেজবোৰত কেৱল বাবে-বঙ্গলুৱা ভাবৰ দৃশ্যপটহে দেখিবলৈ পাওঁ। অভিনয়ৰ দশাও সেই। অভিনয় কেৱল চিঞৰ-বাখৰ, পদাঘাত, তৰোৱাল ঘূৰোৱা, এবাৰ সৰুকৈ এবাৰ ডাঙৰকৈ, নাইবা এবাৰ হাত জোকাৰি, এবাৰ কঁপাই বা নকঁপাই, আৰু এটা সুৰীয়াকৈ কৈ যোৱাকেই অভিনয়কৰা বুলি ভাবে। প্ৰকৃত অভিনয় যে মনৰ ভাব, চৰিত্ৰ, অন্তৰৰ নিগূঢ় ভাব, হাব-ভাব, প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গ, প্ৰত্যেক পদ-বিক্ষেপত, কথাত, চকুৰ দৃষ্টিত, প্ৰত্যেক অঙ্গুলি-সঞ্চালন ফুটাই মূৰ্ত্তকৰি তুলিব লাগে—তাক ভাবে যেন নালাগে।

গুৰিতেই আমাৰ জাতীয় নাটকেই আমাৰ ষ্টেজত তেনেই কমকৈ অভিনয় হয়। হলেও, সাজ-পোছাক কথা কোৱাৰ গঢ়, সকলোবোৰ কিবা বিজাতীয়া আদৰ্শৰ। সেই কাৰণেই কৈছোঁ, আমাৰ নাট্যকলাৰ প্ৰকৃত চৰ্চ্চা হোৱা নাই।

আমাৰ নৃত্যবো সেই একে গতি। আমি মাথোন আনৰ অনুকৰণ কৰি নাচিবলৈ শিকিছোঁ। ঘুণ্ডুৰা পিন্ধি ভৰি মৰাকে আৰু তাৰ লগতে দুই এপাক দিয়াকেই আমি আমাৰ নাচ বুলি সন্তুষ্ট আছোঁ। গানৰ কথা আৰু সুৰেৰেই হৈছে নৃত্যভঙ্গিমাৰ ভেটি। কাৰণ গানৰ কথা আৰু সুৰক ফুটাই তোলাই হৈছে নাচৰ উদ্দেশ্য। অৱশ্যে এনে বহুতো উদাহৰণ আছে যত নাচনীয়াৰে গীত নাগাই নীৰৱে ভাৱ, গল্প বা নাটক কৰিবৰ কাৰণে নৃত্যাভিনয় কৰে। তাত গীত নাথাকিলেও সেই বিশেষ ভাব বা গল্প বা নাটাই নৃত্যৰ অৱলম্বন। আচলতে নৃত্য কেতিয়াও স্বয়ং প্ৰধান হব নোৱাৰে, এটা নহয় এটা অৱলম্বন থাকিবই লাগিব।

কিন্তু আমাৰ ষ্টেজত যি নাচ হয় সি কেৱল গানৰ আৰু সুৰৰ মাধুৰ্য্য হানিহে কৰে। নাচৰ আদৰ্শৰ কাৰণে আমি বিচাৰিবৰ একো আৱশ্যক নাই। আমাৰ দেশতেই কত ভগা মন্দিৰৰ গাত, শিলৰ গাত, কত ৰকমৰ নৃত্য-ভঙ্গী আছে তাক চালে বিস্ময় মানিব লাগে। এইবিলাক চাই আমা নাচ গঢ়িব লাগিব। বিশ্ববিখ্যাত নৰ্ত্তকী এনাপাভলভা ভাৰতলৈ তেওঁৰ নাচ দেখুৱাবলৈ আহিছিল



বিশ্ববিখ্যাত নৰ্ত্তকী এনাপাভলভা

কিন্তু তাজাহাৰ নৃত্যভঙ্গী দেখি তেওঁ ইমান মুগ্ধ হল যে তেওঁ সেইবোৰৰ অনুকৰণেৰে য়ুৰোপত নৃত্য দেখুৱাইছেগৈ। কিন্তু আমাৰ নিজৰ ঘৰৰ বস্তুকে আমি নিজে দেখা নাই। আসামতো তেনে কত শিলৰ মূৰ্ত্তি পৰি আছে



অলপ চকু মেলি চালেই সকলোৱে গম পাব। আমাৰ গাঁৱে-ভূঞে যি আছে তাকো চালি-জাৰি বৰ্ত্তমানৰ উপযুক্ত কৰি লব লাগিব।

বৰ্ত্তমান আমাৰ নাট্যকলাবিদসকলে যাতে আমাৰ পুৰণিৰ ওপৰত বৰ্ত্তমান ভেটি বান্ধি, আমাৰ নিজৰ ঘৰুৱা নাট্যকলাৰ চৰ্চ্চা কৰে তাৰ কাৰণেহে আজি এই প্ৰবন্ধ লিখাৰ উদ্দেশ্য। আমাৰ নাট, নাটৰ ভাষা, গীত, নৃত্য, ভাও দিয়াৰ ভঙ্গী, কথাকোৱাৰ সুৰ সকলো আমাৰ নিজৰ আছে, তথাপিও আমি সেইবোৰ পাহৰি আনৰ হীন অনুকৰণত ব্যস্ত। ইয়াতকৈ আৰু কি দুখৰ কথা হব পাৰে!

## মস্কো আৰ্ট থিয়েটাৰ

আজিকালি নাট্যজগতৰ সকলোৰেই মুখে মুখে মস্কো আৰ্ট থিয়েটাৰৰ কথা। প্ৰকৃততে চালে ইয়াৰ পৰা শিকিব লগীয়া যথেষ্ট কথা আছে।

এজন ডাঙৰ কলাবিদে (artist) কয় যে যিদিনাৰ পৰা থিয়েটাৰ ব্যৱসায়ত পৰিণত হৈছে সেইদিনাৰ পৰাই তাৰ ইজ্জৎ গল। এই কথা কেৱল থিয়েটাৰতেই নাথাকে, ললিত কলা (fine art) ক যেতিয়াই জনসাধাৰণৰ মাজলৈ টানি অনা হয় তেতিয়াই তাৰ মৰ্য্যাদা ক্ষুন্নকৰা হয়। কাৰণ, আৰ্ট বিশেষকৈ উচ্চ আৰ্ট, বুজিবৰ সকলোৰে ক্ষমতা নাথাকে। সেই কাৰণে সকলোৱে বুজাকৈ ইয়াক কৰিবলৈ হলে তাৰ পৰা আৰ্টত্ব কিছু বাদ দি ব্যৱসায়িত্ব সুমাবলগীয়া হয়। উন্নত দেশৰ কথা বেলেগ, তাৰ জনসাধাৰণে অনন্ত আৰ্টৰ মূল কথাটো জানে; কিন্তু জনা আৰু হৃদয়ত অনুভৱ কৰা একে কথা নহয়।

এইবোৰ দেখি শুনি ৰুছিয়াৰ এদল আৰ্টিষ্টে ঠিক কৰিলে যে তেওঁলোকে এনে এটা থিয়েটাৰ পাতিব, তাত কেৱল উচ্চ আৰ্টৰ উৎকৰ্ষসাধন কৰা হব, ব্যৱসায়ৰ কাৰণে তেওঁলোকে আৰ্টক ক্ষুন্ন নকৰে।

ৰুছিয়াৰ এই নতুন আৰ্টিষ্টদল গঠনকৰাৰ গুৰিতে হৈছে ষ্টানিছ্লাভ্স্কি আৰু নেমিৰোভিছ ডান্‌চেংকো। এওঁলোকৰ বাহিৰে আৰু যি আনসকলে এই দলত যোগ দিলে তেওঁলোক ৰুছদেশৰ ভাল মানুহৰ ঘৰৰ লৰা-ছোৱালী। ষ্টানিছ্লাভ্স্কি নিজে এজন ডাঙৰ প্ৰথম শ্ৰেণীৰ অভিনেতা।

মস্কো আৰ্ট থিয়েটাৰে ১৮৯৮ খৃষ্টাব্দত ষ্টানিছ্লাভ্স্কিৰ উপদেশ অনুসাৰে আৰু তেওঁৰ শিক্ষকতাত ইটালিয় নাটক অভিনয় কৰে। প্ৰথমে থিয়েটাৰৰ অভিনেতা অভিনেত্ৰী আৰু প্ৰতিষ্ঠাতাসকলৰ টকাৰেই থিয়েটাৰ স্থাপিত হয়। তেওঁলোকৰ কাৰো বন্ধা দৰমহা বন্দোবস্ত নাছিল। সম্প্ৰদায়ৰ সকলোৰেই চেষ্টা যাতে অভিনয় ভাল হয়। যেনে তেনেকৈ পইচা ঘটা তেওঁলোকৰ উদ্দেশ্য নাছিল। তেওঁ আছিল আৰ্টৰ একনিষ্ঠ উপাসক। প্ৰথমতে মানুহে তেওঁলোকক বলিয়া বুলিছিল, কিন্তু তেওঁলোকৰ অভিনয় দেখি সকলোৰে সেইভ্ৰম গুচিল। আনকি, তাৰ ডাঙৰ ব্যৱসায়ীয়ে তেওঁ-লোকলোকৰ থিৰ অংশ কিনিবলৈ ধৰিলে। বাহিৰৰ মানুহে যদিও অংশ কিনিছিল কিন্তু অভিনয় সম্পৰ্কে তেওঁলোকৰ কোনো প্ৰকাৰেই হস্তক্ষেপ কৰিবৰ উপায় নাছিল।

এই থিয়েটাৰৰ অভিনেতৃসম্প্ৰদায়ে প্ৰধানতঃ তিনটা নিয়ম অৱলম্বন কৰিছিল:— (১) তেওঁলোকৰ থিয়েটাৰৰ এটা সাহিত্য-বিভাগ আছিল, ইয়াত অভিনয়, কলা আৰু আৰ্টৰ আন আন বিষয়ে আলোচনা হৈছিল, (২) তেওঁ-লোকে নিয়ম কৰিছিল যে কোনো নাটক নাইবা অভিনয় ব্যৱসায়ৰ অনুকূল হবনে নহয় সেই বিষয়ে তেওঁ-লোকে একেবাৰেই মনযোগ নিদিব, (৩) দুই তিনিবছৰ একে নাটককে অভিনয় নকৰে।

এইদৰে তেওঁলোকৰ ভালকৈ চলিবলৈ ধৰিলে। মানুহে তেওঁলোকক যথেষ্ট প্ৰশংসা কৰিবলৈ ধৰিলে। এনেদৰে ১৮৯৮ খৃষ্টাব্দৰ পৰা ১৯১৪ চনলৈকে মস্কো আৰ্ট থিয়েটাৰ ভালেই চলি আহিল, কিন্তু তাৰ পাছত ৰুছৰ ৰাজনৈতিক কাৰণত থিয়েটাৰ ভাগিল।

ৰুছিয়াত ছভিয়েট গৱৰ্ণমেণ্ট প্ৰতিষ্ঠিত হোৱাৰ পাছত তাৰ সকলো ব্যৱসায় Working men's union ৰ হাতলৈ আহে আৰু কোনো বিশেষ মানুহ বা সম্প্ৰদায় কোনো ব্যৱসায়ৰ মালিক হব নোৱাৰে বুলি নিয়ম হোৱাত

এওঁলোকৰ হাতৰ পৰা থিয়েটাৰৰ মালিকত্ব খহি পৰিল। অভিনেতা-অভিনেত্ৰীৰ সকলোৰে দৰমহা সমান হৈ পৰিল। তাৰ উপৰিও যি দৰমহা হল তাৰ দ্বাৰাই দুবেলা দুসাঞ্জ খাবলৈকে নাটে, সেই কাৰণে তেওঁলোকে অভিনয় কৰাৰ বাজেও আন আন কাম কৰি পেট প্ৰৱৰ্ত্তাবলৈ লাগিল। থিয়েটাৰ ঘৰটোও বাজেয়াপ্ত হল। গোটেই থিয়েটাৰ এটা চৰকাৰী ধনভৰাল হৈ পৰিল।

এনে অৱস্থাত থিয়েটাৰৰ অভিনেতৃবোৰ তাৰ চাকৰী এৰি দি আনফালে গল। তেওঁলোকৰ ইমান সাধনাৰ এই থিয়েটাৰটো শেষত উঠি যাবলৈ বাধ্য হল। কিন্তু যি সকলে এই আৰ্ট থিয়েটাৰৰ অভিনয় দেখিছিল তেওঁলোকে সেই অপূৰ্ব্ব অভিনয়ৰ কথা পাহৰিব পৰা নাছিল। তেওঁলোকে আকৌ কি... অভিনেতৃবৰ্গক মাতিবলৈ ধৰিলে। কিন্তু তেওঁলোকে কলে ...কাৰী মতে তেওঁলোকে থিয়েটাৰ চলাব আৰু অভিনয় কৰিব নোৱাৰে। তেওঁলোক আটৰ সেৱক চৰকাৰৰ দাসত্ব কৰি তেওঁলোক চলিব নোৱাৰিব। এনে হোৱাত থিয়েটাৰ আৰু কিছুদিনৰ কাৰণে বন্ধ থাকে। তাৰ পাছত আটৰ জয় হল। ছভিয়েট গৱৰ্ণমেণ্টে থিয়েটাৰ তেওঁলোকৰ হাতত দিলে, আনকি অলপ অলপকৈ সাহাৰ্য্যও কৰিবলৈ ধৰিলে।

সেই সময়ত ৰুছিয়াৰ অৰ্থনৈতিক অৱস্থা বৰ শোচনীয়। চৰকাৰৰ পৰা অহা সাহায্যত থিয়েটাৰ নচলা হল। দেশৰ মানুহৰ খাবলৈকে নাই, আৰু নো থিয়েটাৰ কি চাব? আন আন ডাঙৰ ডাঙৰ থিয়েটাৰ এই সময়ত উঠি গল, কিন্তু এই অনুষ্ঠানটো কোনোমতে জীয়াই থাকিল। তাৰ পাছত তেওঁলোকে য়ুৰোপ আমেৰিকালৈ গৈ তাত থিয়েটাৰ কৰি অৰ্থ উপাৰ্জ্জনৰ কথা ভাবি, ১৯২২ খৃষ্টাব্দত তেওঁলোকে ভ্ৰমণ আৰম্ভ কৰে। ১৮৯৮ পৰা ১৯১৭ চনলৈকে তেওঁলোকে ৬১ খন নাটকৰ অভিনয় কৰিছে। এই ভ্ৰমণত তেওঁলোকে বিশ্ববিখ্যাত হৈ পৰিছে। য়ুৰোপ আমেৰিকাত তেওঁলোকে কেৱল অভিনয়-কৌশলহে দেখুৱাব পাৰিছে কিন্তু ৰঙ্গমঞ্চ বা দৃশ্যপটৰ কোনো নতুনত্ব দেখুৱাব পৰা নাই। সম্প্ৰতি তেওঁলোকে ভ্ৰমণ শেষ কৰি আহি আকৌ নিজৰ দেশতে অভিনয় কৰিছে। লাহে লাহে এই থিয়েটাৰৰ বিষয়ে খবৰ-বাতৰি গোটেই প্ৰকাশ কৰি থাকিবৰ চেষ্টাত থকা হৈছে।

## টোকা

বিলাতৰ এজন প্ৰাচীন বিশেষজ্ঞই নবীন অভিনেতা-সকললৈ এই উপদেশ দিছে :—

Here lies the golden secret : learn to feel
Or fool, or monarch, happy or distrest,
No actor pleases that is not possesed.

মানুহে হাঁহে কিয় :—

"দি মেৰি ...-অৱ্ রিণ্ডছৰ্" নাটকত বিলাতৰ বিখ্যাত অভিনেতা ছাৰ হাৰ্ব্বাটট্ৰিয়ে ফলষ্টাফৰ ভাও লৈছিল।

এবাতি তেওঁ অভিনয় কৰি আছে। তেওঁৰ লগতে অভিনয় কৰা এলেনটেৰি আৰু মিছেছ কেণ্ডেলে দেখিলে যে তেওঁৰ শৰীৰ ক্ৰমে ক্ষিণাই যাবলৈ যাবলৈ ধৰিছে। প্ৰথমতে তেওঁলোক বৰ আচৰিত হল। কিন্তু তাৰ পাছত ট্ৰিৰ 'কমৰপেটি' যেতিয়া সুলকি পৰাৰ অৱস্থা হল তেতিয়া তেওঁলোকে আচল কথাটো বুজিব পাৰিলে।

ফলষ্টাফৰ ভাৱত অসাধাৰণৰূপে শকত হবৰ কাৰণে ট্ৰিয়ে ৰবৰৰ ফোপোলা চোলা আৰু পাইজামা ব্যৱহাৰ কৰিছিল। সেই ফোপোলা ৰবৰৰ পোছাকত বতাহ ভৰাই তেওঁক শকত যেন দেখুৱা গৈছিল। এতিয়া সেই ৰবৰৰ পোছাকৰ কৰনাত বিন্ধা ওলোৱাত এনে অৱস্থা। অৱস্থা দেখি দৰ্শকবৃন্দই হা হা কৈ হাঁহিবলৈ ধৰিলে। ট্ৰি কিন্তু অভিনয়তেই প্ৰমত্ত—কোনো দুৰ্ঘটনাৰ কথা তেওঁৰ গাত তেতিয়াও লগা নাই। দৰ্শকৰ হাঁহিয়ে তেওঁক আৰু উৎসাহিত কৰিহে দিলে—কাৰণ তেওঁ ভাবি ললে যে তেওঁৰ অভিনয় দেখিহে দৰ্শকসকলে হাঁহিছে। এলেনটেৰি আৰু মিছেছ কেণ্ডেলেও দুষ্টালি কৰি তেওঁৰ ভ্ৰম ভাঙি নিদি সাৰ্ব্বজনীন হাঁহিত যোগ দিলে।

তাৰ পাছত টিৰ "কমৰপেটি" যেতিয়া মাটিত সুলকি



পৰিল, তেতিয়া তেওঁ গম পালে—দৰ্শকৰ হাঁহিৰ অৰ্থ বুজিলে। আৰু এক মুহূৰ্ত্ত ৰঙ্গপীঠত থাকিলে তেওঁৰ পাইজামাও সোলকে! তেওঁ একেজাপেই ৰঙ্গপীঠৰ পৰা ওলাই নেপথ্যত অন্তৰ্হিত হলগৈ।

বিলাতত নট-মৰ্য্যাদা—

বিলাতত আগেয়ে নট-মৰ্য্যাদা বৰ প্ৰীতিকৰ নাছিল। আজিকালি নট-সমাজৰ লগতে যেনেকৈ সাহিত্য-সমাজ আৰু সম্ভ্ৰান্ত-সমাজৰ ঘনিষ্ঠতা হৈ পৰিছে সেই কালত তেনে মিল সপোনবো অগোচৰ আছিল। আন কি, সেই সময়ত সম্ভ্ৰান্ত আৰু মধ্যবিত্ত সমাজৰ বিদ্যালয়ত অভিনেতাসকলৰ লৰা-ছোৱালীবোৰে পঢ়া-শুনাও কৰিব নোৱাৰিছিল। বেছি দিনৰ কথা নহয় ... শতাব্দীৰ আগভাগত বিলাতৰ অভিনেতাৰ দল যদি গাঁৱে-ভূঞে অভিনয় কৰিবলৈ যায়, তেতিয়া গোটেই গাঁৱতে কিছু চাঞ্চল্য হৈছিল—"নটুৱাবোৰ আহিছে! নটুৱাবোৰ আহিছে! কাঁহি-বাটি কাপোৰ-কানি চন্তালি ৰাখিবা।" যোৱাযুগৰ সাময়িক সাহিত্যত প্ৰসিদ্ধ এডমণ্ড্ য়েট্ছে কয়—"মোৰ বৃদ্ধ পিতামহ অভিনেতা আছিল। এবাৰ নিউকাছল্ ছহৰৰ বাটত উত্তেজিত জনতাই এইবুলি তেওঁৰ পিছে পিছে খেদিছিল "প্লে এক্টৰ! প্লে এক্টৰ! তাৰ মুৰ দেৱালত মাৰি গুৰি কৰি দেহঁক"!—বুজিবই পাৰিছে বিলাতী নটসকলৰ পক্ষে আগেয়ে জন-সমাজত মুখ দেখুৱাটো কিমান বিপদজনক আছিল।

ৰুছ নট-নটী—

ৰুছ নট-নটীসকলে বিদেশলৈ গৈও ৰুছ ভাষাতেই অভিনয় কৰে সঁচা, কিন্তু সমালোচকসকলে কয় "তেওঁলোকৰ মুখভঙ্গি আৰু অঙ্গ-ভঙ্গি এনে সুন্দৰ আৰু নিখুত যে, আন জাতিসকলৰ পক্ষেও ৰুছ নাটকৰ অভিনয় বুজা একো টান নহয়।"

দৃশ্য-পৰিকল্পনা—

ৰঙ্গমঞ্চৰ দৃশ্য-পৰিকল্পনাকাৰী বা Scenic designerৰ যথাৰ্থ আদৰ এতিয়াহে হৈছে। শ্বেক্সপীয়াৰ বা মাৰ্লৰ যুগত তেওঁলোকৰ নামো কোনেও নাজানিছিল। প্ৰতীচ্যৰ গ্ৰীকসকলৰ সময়ৰ পৰা সোতৰ শতাব্দীলৈকে ৰঙ্গমঞ্চত অতিৰিক্ত চাবলগীয়া বা শুনিবলগীয়া আছিল কেৱল পোছাক আৰু বাজনা। ইংলণ্ডৰ অভ্যুত্থানৰ সময়ত ৰঙ্গমঞ্চ অস্তিত্ব আছিল সঁচা, কিন্তু সি কেৱল Court masqueত। তাৰ পৰা সৰ্ব্বপ্ৰথমে ইটালীয় গীতিনাট্যৰ প্ৰসাদত দৃশ্য-পৰিকল্পনা কৰা ৰঙ্গমঞ্চত ঠাই পায়। কিন্তু কুৰিশতিকাৰ আগেয়েও ... শ্ৰেণীৰ চিত্ৰকৰসকলে ৰঙ্গালয়বৰসৈতে ... স্থাপনকৰা নাছিল।


## লৰাছোৱালীৰ নাটশাল

য়ুৰোপৰ নানা দেশত লৰাছোৱালীৰ কাৰণে বিশেষ ৰঙ্গালয় আছে। বহুতো ৰঙ্গালয়ত আকৌ প্ৰধানতঃ লৰাছোৱালীৰ দ্বাৰাই অভিনয়ৰ কাম কৰাই লোৱা হয়। ৰুছিয়াত এই বিভাগৰ ভাৰ লৈ শ্ৰীমতী Henrietta Paskar বিখ্যাত হৈছে। তেওঁ মস্কোৰ চৰকাৰি children's theatreৰ পৰিচালিকা।

## তেজপুৰ বাণ থিয়েটাৰ

এই বহাগৰ বিহুৰ কাৰণে তেজপুৰ বাণ থিয়েটাৰৰ পৰিচালকসকলে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ "জয়মতী" নাটকৰ ভাৱনাৰ যো-যা কৰিছে, আশাকৰো সকলো আয়োজন সুবিধামতে সমাধা হৈ যাব। অসমীয়া মৌলিক নাটকৰ কাৰণে এইদৰে আমাৰ চকুগজাটো মঙ্গলৰ কাৰণ বুলি ভাবো।


১ নং



দূতৰ প্ৰবেশ—(তাৰে পৰা ক[illegible]াকোৱাকৈ প্ৰস্থান আৰু তাতে কম্পন ।)

অভিনেতা—উস্ কি বজ্ৰবাতৰি··· !

২ নং



অভি :—দিয়া দিয়া বিদায় মোক হাঁহি-মুখেৰে···।:

[ নিজেই হাঁহি প্ৰস্থান ]

৩ নং



অভি :—হায় হায় ! বধিলে মোক ।

এই চোৰা ক্ষত্ৰিয় মৰণ !

৪ নং



কুৰি শতিকাৰ

পিজো গাভৰু




৫ নং



ভীষণ প্ৰতিহিংসা আৰু পদাঘাত


৬ নং



অভিনেতা—আজি [illegible]ই ঘোৰ নিশা······

দৃশ্যপটৰ বেলি—( আচৰিত হৈ ) মই থাকোতেইনে !

৭ নং




আমাৰ নাচ ! !

৮নং



কুৰি শতিকাৰ লাচিত বৰফুকন

# আহৰি সময়

[ এই ঠাইত নানাতৰহৰ গণিত, জ্যামিতি, বিজ্ঞান আদি বিষয়ৰ সৰু সৰু সমস্যা থাকিব, আৰু ঠাই বুজি তাৰ সমাধানৰো ইঙ্গিত দিয়া হব। আহৰি সময়ৰ ই আমোদজনক বিষয় হব বুলি আশা কৰো, আৰু এই "আহৰি সময়ত" কোনোবাই নতুন সমস্যা যোগ দিব খুজিলে সাদৰে গ্ৰহণ কৰা হব। ]

## ১। অঙ্ক-সমস্যা

(১)

পণ্ডিতে ছাত্ৰসকলক কলে—তোমালোকে গাইপতি একোটা সংখ্যা লেখা।

প্ৰথম ছাত্ৰই ১৩২৫, দ্বিতীয় ছাত্ৰই ৭৮৪৩৮, আৰু তৃতীয়জনে ৭২৯ লেখিলে।

পণ্ডিতে কলে—"এতিয়া তোমালোকে লেখা অঙ্কেটা আকৌ নকৈ পাতি তাৰ সোঁ-ফালে দহতকৈ সৰু যেই সেই সংখ্যা, ধৰা যেনিবা ৫ এটাকেই বহুৱাই, আনটোৰ লগত যোগ দিয়া।

লৰাইতে এইদৰে কৰিলে :—

১৩২৫+১৩২৫৫=১৪৫৮০ —(১)

৭৮৪৩৮+৭৮৪৩৮৫=৮৬২৮২৩—(২)

৭২৯+৭২৯৫=৮০২৪ —(৩)

পণ্ডিত— তোমালোকে কি অঙ্কেটা লৈছিলা, আৰু সিহঁতৰ যোগফল কি হৈছিল মই নেজানো। কিন্তু এই অঙ্কটোৰ লগত ১ৰ পৰা ১১ লৈ যি সংখ্যাকে যোগদি ১১ ৰে হৰি যি বাকী থাকে তাক কলেই মই তত্তালিকে সেই সংখ্যাকেটা কৈ দিম।

লৰাইতে প্ৰথমটোৱে ৪, দ্বিতীয়টোৱে ৯, আৰু তৃতীয় টোৱে ৬ লৈ এইদৰে অঙ্ক কৰিলে।

```
   ১৪৫৮০             ৮৬২৮২৩             ৮০২৪
       ৪                  ৯                ৬
১১)১৪৫৮৪          ১১)৮৬২৮৩২         ১১)৮০৩০
   ১৩২৫-৯বাকী       ৭৮৪৩৯-৩বাকী        ৭৩০-০বাকী
```

১ম লৰা—"মোৰ ৯ বাকী।" পণ্ডিত—"তেন্তে তুমি ৪ লৈছিলা।" ২য় লৰা— "মোৰ ৩ বাকী।" পণ্ডিত —"তুমি ৯ লৈছিলা।" ৩য় লৰা—"মোৰ বাকী শূন্য!" পণ্ডিত—"তেন্তে তোমাৰ ছয়।" লৰাইত আচৰিত হল।

[উত্তৰ :-ভাগৰ বাকী সংখ্যাটোত ১১ যোগ দিব। এই যোগফলৰ পৰা প্ৰথমে লৰাইতে লোৱা সংখ্যাকেটাৰ সোঁহাতে বহুৱাব দিয়া অঙ্কটো বিয়োগ দিব। এই বিয়োগফলৰ ১১ ৰে হৰি যি বাকী ৰয় সেইটোৱেই লৰাইতে শেহত ধৰা অঙ্ক। যেনে :--

```
(৯+১১)−৫=১৫        ১১)১৫
                       ১—৪ উঃ
(৩+১১)−৫=৯         ১১)৯
                       ০—৯ উঃ
(০+১১)−৫=৬         ১১)৬
                       ০—৬ উঃ ]
```

(২)

পণ্ডিত :—"মই নেদেখাকৈ তোমালোকে গাইপতি এটা অঙ্ক লোৱা।"

লৰাইতে ললে ৩৭৫, ৬৮০৯, আৰু ১২৩৪৫।

পণ্ডিত—এতিয়া অঙ্কেটাৰ সোঁফালে যেই সেই অঙ্ক মোক কৈ পেলাই বহুৱাই আন এটা অঙ্ক তৈয়াৰ কৰা।"

লৰাইতে "মই ৮", "মই ২৩", "মই ৮১৭ বহুৱালো" বুলি অঙ্ক পাতিলে।

পণ্ডিত—এতিয়া তোমালোকে ইটোৰ পৰা সিটো বিয়োগ দি ৯ৰে হৰণ কৰিলে ক্ৰমান্বয়ে ৮, ৫ আৰু ৭ বাকী থাকিব।

লৰাইতে এইদৰে কৰি চালে।

```
  ৩৭৫৮         ৬৮০৯২৩        ১২৩৪৫৮১৭
   ৩৭৫           ৬৮০৯           ১২৩৪৫
 ─────        ───────       ─────────
৯)৩৩৮৩       ৯)৬৭৪১১৪      ৯)১২৩৩৩৪৭২
 ─────        ───────       ─────────
  ৩৭৫-৮ বাকী   ৭৪৯০১-৫ বাকী  ১৩৭০৩৮৫-৭বাকী
```



লৰাইতে উত্তৰ সাইলাখ মিলি যোৱা দেখি অবাক হল। পণ্ডিতে তেওঁক কোৱা ৮, ২৩ আৰু ৮১৭ সংখ্যাক ৯ৰে হৰণ কৰিলে যি বাকী ৰয় তাকেই জানি কৈছিল।

(৩)

পণ্ডিতে কলে—৯ ৰ মাহাত্ম্য, কিমান কবা! যেই সেই সংখ্যা এটাক ৯ ৰে পুৰণ কৰা। পুৰণফলৰ অঙ্কবোৰ পৰস্পৰ যোগকৰা। এই যোগফলৰ অঙ্কবোৰ পৰস্পৰ যোগকৰা; যেতিয়ালৈকে এটীয়া সংখ্যা নোপোৱা তেতিয়ালৈকে এইদৰেযোগ দি থাকা। এই শেহৰ সংখ্যাটো কি জানানে? সেইটো ৯ হবই হব, তেহেলৈ যি সংখ্যাকে নোলোৱা।

লৰাইতে প্ৰমাণ চালে :—

১৪৫৩×৯=১৩০৭৭; ১+৩+০+৭+৭=১৮, ১+৮=(৯)

৫৬৮০৯৮×৯=৫১১২৮৮২; ৫+১+১+২+৮+৮+২=২৭, ২+৭=(৯)

১১০৩২১১০৫৪৩২১×৯=৯৯২৮৮৯৯৪৮৮৮৮৯

৯+৯+২+৮+৮+৯+৯+৪+৮+৮+৮+৮+৯=৯৯, ৯+৯=১৮, ১+৮=(৯)

সেইদেখি সংস্কৃত সমস্যা-লিখকে কৈ গৈছে :—

"স্বভাবেন হি যঃ ক্ষুদ্রঃ দ্বিগুণাদ্যুন্নতোঽপি সঃ।
ন জহাতি নিজং ভাবং সংখ্যাঙ্কে লাকৃতির্যথা ॥*
(*স্বৰ বৰ্ণৰ ৯ৰ নিচিনা যাৰ আকৃতি)

(৪)

আৰু এটা ৯ৰে মাহাত্ম্য :—

পণ্ডিতে কলে— যেই সেই সংখ্যা এটা লোৱা—যেনে ৫৭৬৮ ইয়াক ৯ৰে হৰিলে ৮ বাকী থাকে। এই সংখ্যাটোৰ অঙ্কবোৰ ওলট-পালট কৰি কত নতুন সংখ্যা কৰিব পাৰি! তাতে আকৌ যিমান ইচ্ছা সিমান ০ বা ৯ থাকিলে অলেখ নন সংখ্যা হয়। এতিয়া মোক এইদৰে এনে এটা সংখ্যা গঢ়ি দিব পাৰিবানে যিহক ৯ৰে হৰিলে ৮ নহৈ আন বাকী ৰব?"

লৰাইতে অনেক চেষ্টা কৰিলে—শেহত হাৰিলগৈ আৰু। কাৰণ তেওঁলোকে ৯ৰ ভেলেকী বাজী বুজিবলৈ আৰু দিন আছে। যেনে :—

```
৯)৫৮৬৭         ৯)৭৬০৫৮        ৯)৭৯৬০৯৫০০৮
 ────            ─────          ────────
 ৬৫১-৮;          ৮৪৫০-৮         ৮৮৪৫৫০০০-৮

          ৯)৮৯০০৯৭০৯০৬০৯৫
            ──────────
           ৯৮৮৯৯৬৭৬৭৩৪৩-৮
```

(৫)

তলত অঙ্কৰ পিৰামিড দুটা দিয়া গল, বেলেগে বুজাবৰ আৱশ্যক নকৰে।

০×৯+১ =১
১×৯+২ =১১
১২×৯+৩ =১১১
১২৩×৯+৪ =১১১১
১২৩৪×৯+৫ =১১১১১
১২৩৪৫×৯+৬ =১১১১১১
১২৩৪৫৬×৯+৭ =১১১১১১১
১২৩৪৫৬৭×৯+৮ =১১১১১১১১
১২৩৪৫৬৭৮×৯+৯ =১১১১১১১১১
১২৩৪৫৬৭৮৯×৯+১০=১১১১১১১১১১

১×৮+১=৯
১২×৮+২=৯৮
১২৩×৮+৩=৯৮৭
১২৩৪×৮+৪=৯৮৭৬
১২৩৪৫×৮+৫=৯৮৭৬৫
১২৩৪৫৬×৮+৬=৯৮৭৬৫৪
১২৩৪৫৬৭×৮+৭=৯৮৭৬৫৪৩
১২৩৪৫৬৭৮×৮+৮=৯৮৭৬৫৪৩২
১২৩৪৫৬৭৮৯×৮+৯=৯৮৭৬৫৪৩২১


(আগলৈ)

## ২। চকুৰ ভ্ৰম

এই বিষয়ে সকলোৱে জীৱনত অলপ নহয় অলপ ঠগ খাইছেই। কেৱল চকুৰ ওপৰত নিৰ্ভৰ কৰিয়েই কাম কৰাহেতেন আমি কেতিয়াবাই থালে-বামে আমাৰ শ থৰ লগা হলহেতেন, ভাগ্যে বিবেক-বুদ্ধি আছে। কিন্তু এনেকুৱা কিছুমান চকুৰ ভ্ৰম উৎপাদক পৰীক্ষা দেখুৱাব পাৰি যিবোৰ দেখি মনৰো ভ্ৰম হয়। আমি stereoscope ৰ সহায়েৰে দুখন ছবি একেলগে চাই ছবিৰ দৃশ্যবোৰ আছলতে গোটা যেন দেখো। বায়স্কোপত ছবিবোৰে জীৱন্ত বস্তুৰ দৰে লৰি-চৰি ফুৰা প্ৰায় সকলোৱে দেখিছে, ইত্যাদি। আমি এটা দুটাকৈ চকুৰ ভ্ৰমৰ নমুনা দি থাকিবৰ আশা কৰিলো, যদিও

সেইবোৰ পাতনি চাই বহুাৰম্ভে লঘুক্রিয়া তথাপি অৱসৰৰ অযোগ্য নহব বুলি দিয়া গল। কোৱা বাহুল্য যে গোটাইবোৰৰ বিস্তৃত বাখ্যা দি গোলমাল লগাবৰ মন নাই।

(১) এটুকুৰা ডাঠ কাগজ (কাৰ্ডবোৰ্ড) ঘূৰণীয়াকৈ কাটি দুমুৰে দুটা বিন্ধা কৰি দোল দুদাল বান্ধি লব লাগে। ছবি চোৱা। কাৰ্ডখনৰ এপিঠিত এটা সুদা সঁজা আৰু আন পিঠিত এটা চৰাই অকা। এতিয়া যদি



দুমুৰৰ দোল দুদাল দুয়ো হাতে টানি ধৰি আঙ্গুলীৰে পকাই কাগজ খন এবাৰ এপাকে এবাৰ ওলোটা পাকে এনেকৈ ফুৰ ফুৰকৈ ঘুৰোৱা যায় তেনেহলে চৰাইটো বাহৰ ভিতৰত দেখা যাব।



একে থৰে কিছু[illegible]কা। পিছে চকু নলৰোৱাকৈ তাচখন সাউৎকৈ আঁতৰোৱা। কি দেখিবা? দেখিবা যে বগা কাগজখনৰ ওপৰতে এটা পাচহলিৰ ছবি ফটফটীয়াকৈ ওলাইছে। কিন্তু হৰতনৰ ফুটবোৰ ৰঙ্গা নহৈ নীলা বৰণীয়া!

(২) দুটুকুৰা কাৰ্ড ছবিত দিয়া নমুনাৰে একে সমান কৰি কাটি লোৱা।

এতিয়া যদি ইটোৰ ওপৰত সিটো ২ নং ছবিত থোৱাৰ দৰে থোৱা যায় তেনেহলে ওপৰৰ কাৰ্ড টুকুৰা তলৰ টুকুৰাতকৈ সদায়ে সৰু দেখা যাব যদিও আচলতে তেনে কেতিয়াও নহয়।

(৩) এখন হৰতনৰ পাচহলি তাচ এখন বগা কাগজৰ ওপৰতে ভালকৈ পোহৰ পৰা ঠাইত থৈ তালৈ

এইদৰে আন আন ৰঙৰ ছবিও চাই প্ৰমাণ লোৱা। নীলা ছবিৰ ঠাইত ৰঙা, কলাৰ ঠাইত বগা দেখিবা ইত্যাদি। ছবিটো একেথৰে চাই থাকি সাউৎকৰে বগা বেৰ এখনলৈ চালেও হয়। ছবিখনৰ ৰং উজ্জ্বল হব লাগে, ছবিত আৰু দেৱালত খুব ভাল পোহৰ পৰিব লাগে, আৰু ছবিটো একেথৰে চাব পাৰিব লাগে তেহে ভ্ৰমটো আচৰিতৰকমে স্পষ্ট হৈ উঠে।

(আগলৈ)

## বিজ্ঞান-সমস্যা

(১) ঘোপমৰা নিশা। লেমটো চিমিকচামাক কৰি নুমাই গল! হাবিৰ মাজ। দুই বন্ধু মহা বিপদত পৰিল।

প্ৰথম—হেঃ! কি হল হেঁ? এয়া তেল দেখোন আছেই।

দ্বিতীয়— (লিৰিকি-বিদাৰি চাই) এ! ফিটাদাল চুটি। তেল ঢুকি নাপায়গৈ।

প্ৰথম— কি হব এতিয়া— কেনেকৈ যাও এতিয়া?

দ্বিতীয়— (ভাবি) মুখলৈকে তেল হোৱা হলে জলি-হেতেন। সৌ ডোঙৰপৰা পানীকে আনি ভৰাই দিওঁ দিয়া; কাৰণ শাস্ত্ৰত কৈছে 'মধ্বাভাবে গুড়ং দদ্যাৎ।'

প্ৰথম— যোৱা, কি পেংলাইথন কৰা?

যি হক, দ্বিতীয়জনে ডোঙৰ পানীকে চলুচলুকৈ লেমত ভৰাই দি দিয়াচলাই কাঠি এডাল মাৰি ফিটাত লগাই দিয়া মাত্ৰকে জলি উঠিল। প্ৰথম জন বিচূৰ্তি হল।



দ্বিতীয় জনে বুজাই দিলে যে পানী পাই তেল ওপঙি উঠি ফিটাত লাগিল আৰু গতিকে আকৌ জুই দিয়া মাত্ৰকেই জলি উঠিল। পানী দিয়াত একো আশঙ্কা নাই কাৰণ ফিটাদাল আগেয়ে তেলত তিতা কাৰণে পানীত ডুব গলেও পানী নোশোহে তেলহে টানিব।

(২) এজন অকলশৰীয়া মানুহৰ ঘৰত তিনিজন আলহী বন্ধু গোট খালে। চকত চাৰিজনলৈ ভাত নাটে। দুবাৰ ৰান্ধিব লগা হল। কিন্তু মানুহজন বৰ ধোদ, তেওঁ ভাবি-চিন্তি এবেলিতে ৰান্ধিবলৈ ঠিক কৰিলে। বন্ধু কেজনে দচাই দচাই বাধা দিলে; কাৰণ তেওঁলোকৰ তলিত লগা পোৰা বা ছঁটাই থকা ভাত পেটে নসয়। কিন্তু তেওঁ দুগুনা দেখি কপালে-মুৰে হাত দি তেওঁৰ কাৰ্য্যকলাপকে চাই থাকিল।

মানুহজনে চকত পানী দি খুব একুৰা জুই লগাই উতলাইলৈ চাৰিজনৰ জোখাই চাউল বহাই মুখলৈকে দিলে! কিন্তু প্ৰথম উতল আহোতেই জুইকুৰা একেবাৰেই কমাই দি যাতে চেচা নহয় এই আন্দাজেৰে নামমাত্ৰ ৰাখিলে। কাৰণ তেওঁ জানিছিল যে চাউলখিনিৰ জোখাই কথমপিহে পানী আছে। তাক জুইৰ তাপত শোহাই পেলালে ছঁটা চাউলেই গতি হব আৰু ভাত তলত লাগি ডেই যাব। চাওঁতে চাওঁতে চাউলবোৰ উতলাৰ সমান তপতপানীত লাহে লাহে ওফন্দি আহি চকৰ মুখলৈকে উপচি পৰিল। পানী এটোপাও নৰল – আৰু উতলাৰ কাৰণে চাউলে চাউলে খহনি নোখোৱাত মাৰো নোলাল। বন্ধুসকলে এই অভিনৱ প্ৰথাৰে ৰন্ধাভাত খাই পেট তৃপ্তি কৰিলে।

আমাৰ পাঠক-পাঠিকাসকলে এনেকৈ ভাতৰান্ধি চাব পাৰে আৰু ছঁটাভাত খাই গালি পাৰিলেও কোনো কথা নাই, সিও এটা ৰহস্য হব। পানী জোখাৰে নহলে কিন্তু নহব।

---

## বৰকাণীয়া

আকাশত আছিল ফুল বুলি পাৰিজাত।
পৃথিবীত পৰি হল আফু নামে খ্যাত ॥
আ-পদে আকাশৰ ফু-পদে ফুল।
কাণি ওলাই অসমীয়াৰ তাৰিলে সাতাম কুল ॥
হেনজানি এই কথা সাৰোগত কৰা।
কাণিৰ খোলাত বহি সবে কাণিৰ নাম ধৰা ॥
কলিৰ পৰম বস্তু কাণিকে জানিবা।
ইহেন কাণিক এৰি থিয়াতি নানিবা ॥

সকলো দেশতে আজি কাণি-মেল পাতি।
বথানিছে সকলোৱে কাণিৰ কিৰিতি ॥
হেনজানি কাণি খোৱা মনকাণ পুতি।
কাণিয়ে হাততে দিয়ে ভুকুতি মুকুতি ॥

নপটি দুগুনি যদি হব খোজা ওজা।
অলপ অলপকৈ বঢ়াই নিয়া নিতে কাণিৰ বোজা ॥
দুখ-লথ নকৰাকৈ হব খুজিলে ধনী।
কাণি খাবলৈ ধৰিব লাগে একণি একণি ॥

গোহালীত যদি গৰু নাই ভড়ালত নাই ধান।
খাই চাবাচোন তুমি বাৰু কাণি এধানমান ॥
খেতি-বাতি কৰিবলৈ যদি বন্ধা পোৱা নাই।
খোলা পাতি পৰীখ চোৱা নেপালে দিবা দাই ॥

নাম পাতি নামতী নেপালে কাণিৰ জান দিবা।
লৰালুৰীৰ নৰিয়া হলে কাণীয়া সুবিধা ॥
দেশ উধাৰ কৰিবৰ যদি কাচিৎ মন যায়।
একে আষাৰে বোলো মই কাণিত ধৰা ভাই ॥

গৰুৱে যদি জেওৰা ভাঙে চাকৰে নকৰে কাণ।
কাণি খোৱাত বাজে আৰু উপায় নাই আন ॥
জাৰকালি যদি জাৰ লাগে জহকালি ঘাম।
সকলো আঁতৰি যাব লবা কাণিৰ নাম ॥

ডাঙৰৰ খিতাপ পাব খুজিলে সৰহ কাণি খাবা।
মাহেকে-পখেকে গৈ হজুৰত চেলাম দিবা ॥
নোপোৱা যদিহে মোৰ নামটো সলাই থবা।
পালে কিন্তু দহোকুৰি মন্ত্ৰী পাতি লবা ॥

কাণিৰ গুণকৈ কোনে কৰিব ওৰ।
কাণিৰ ভকত সাধু যেনে কাণিৰ ভকত চোৰ ॥
বিয়া দিবলৈ ছোৱালী যদি দৰা পোৱা নাই।
ধুৰুপ পাবা ধুৰুপ পাবা কাণি খোৱা ভাই ॥

ঘৈণীৰ লগত সততে যদি থোটামোজা লাগে।
মই ভাবিছো কাণি খাবলৈ ধৰা নাই চাগে ॥
যদিহে তোমাৰ মনতলগা লগৰীয়া নাই।
দেখ-নেদেখকৈ কাণিৰ টেমাটি দিবাচোন উলিয়াই ॥

হেনজানি সকলোৱে কাণিত দিয়া মন।
অপুত্ৰৰ পুত্ৰ হব নিধনীৰ ধন ॥
"সৰ্ব্বধৰ্ম্ম" এৰি লোৱা কাণিত শৰণ।
অন্ধজনে চকু পাব বন্ধ বিমোচন ॥

ধইন্ ধইন্ অসমীয়া ধইন্ ধইন্ কাণি।
মৰোতেও মৰো যেন মুখত কাণিৰ পানী ॥
কথন-মঠন [illegible] সাগৰ কামৰ বেলিকা কুজা।
মোকে এজন অসমীয়া বৰকাণীয়া বুজা ॥

---

# পেড়া-কাকত

পেড়া-কাকত অৰ্থে অসম ৰজাৰ দিনত মানুহ আৰু মাটিৰ লেখৰ কাকতক বুজায়। এই কাকত পেৰাত ভৰাই যতনেৰে ৰখা হৈছিল বুলি ইয়াৰ নাম পেড়া-কাকত হৈছে। পেড়া-কাকতবোৰ বুৰঞ্জীৰ প্ৰধান সম্বল। স্বৰ্গদেৱ শিৱসিংহৰ দিনত কামৰূপ আৰু বৰুটাত মাটি পিয়ল হয়। এই মানুহ আৰু মাটিৰ হিছাপ কাকতত লিখি পেৰাত যত্নকৈ থোৱা প্ৰথা তেতিয়াৰ পৰাহে প্ৰচলিত হল। যদিও এইজনা স্বৰ্গদেৱৰ আগেয়ে মাটি আৰু মানুহৰ পিয়ল হৈছিল তথাপি 'পেড়া-কাকত' বুলি মাটিৰ জমাবন্দি থকা সুকীয়া কাগজ-পত্ৰৰ কোনো সম্ভেদ পোৱা নাযায়। পেড়া-কাকত ঘাইকৈ তুলাপাতত লিখা হৈছিল। কোনো ঠাইত সাঁচিপাতত লিখা পেড়া-কাকতো পোৱা গৈছে। এই কাকতবোৰৰ ছয়ো পিঠিতে লিখা হৈছিল আৰু কাপোৰ-জপাদি জাপিথোৱা হৈছিল। জমাবন্দিথকা পেড়া-কাকতত ৰজাৰ নাম নাইবা বৰফুকনৰ নাম সাধাৰণতঃ নাথাকে। কিন্তু প্ৰতিখন কাকততে ৰজাৰ মোহৰমৰা থাকে। এই বিধ পেড়া-কাকতত কোন মৌজাত, কি গাৱঁত, কি হদৰ ভিতৰত, কিমান মাটি কাৰ নামত আছে তাৰ হিছাপ পুৰা, কঠা, লোচা বা পোৱাত লিখা থাকে। যেনে—

মাটিৰ পেড়াকাকত

শ্ৰীৰাম

শকে ১১৫৪

পুঃ নাম বৰভাগ

ৰজাৰ মোহৰ

মৌঃ • • * •

জোখৰ মাটি——— ৪১৭॥•

* • পৰগণাৰ ওপৰ

বৰভাগত দিয়া——— ৬

থাকিল—৪১৩॥•

সোণধনক দিয়া——— ৬

বোন গাঞত দিয়া——— ১৩॥•

থাকিল— ৩৮৪॥•

মাটিৰ জমাবন্দি বাদেও মাটি মানুহ বিষয়ক বিচাৰ আদিৰ সিদ্ধান্তও পেড়া-কাকতত লিখা হৈছিল যেনে :—

"স্বস্তি শ্ৰীবিষ্ণুচৰণাম্বুদ • [illegible] কমলেশ্বৰ সিংহ ভূপো • • •

কামৰূপ দেশৰ বড়ুৱা ও বড়কায়স্থ ও চৌধাৰী ও পটোৱাৰী ও তালুকদাৰ ও ঠাকুৰিয়া ওগায়ৰহ সকলেও সাৱধানে জানিব পূৰ্ব্বে বঙ্গলা আমোলত চুলতান গেয়াচদ্দিন বলবন্ত মৃত্যু হোৱা থান হাজোৰ গৰুড়াচল পৰ্ব্বতৰ ওপৰে পাওঁ মোকা মচ্ছিদত এবং ৰজোৱাত চাংজাহানৰ পুত্ৰ মহম্মদ চুজায়ে ফতিহা কৰি থাকিবৰ অৰ্থে দি জোৱা মাটি মানুহ আৰু আচামি আমোল হৰত সন্দিকৈ বৰফুকনে পৰে দৰজিৰভাই দি যোৱা মাটি মানুহ এই সকলোবোৰত ভাগি বন্ধ হৈছে যে শ্ৰীশ্ৰীকমলেশ্বৰ সিংহে শুনি ৰাজমন্ত্ৰি শ্ৰীবুড়াগোহাঞি ডাঙৰীয়াক বাচবৰিয়া ৰুদ্ৰ-কটকীক পঠাই শ্ৰীবড়ফুকনত আজ্ঞা কোৰাই ফুকনৰে সজাতি কটকীএ মোকালৈকে গৈ মাটি মানুহ বুজ বিচাৰ কৰি আহি শ্ৰীবুড়াগোহাঞি ডাঙৰীয়াত জনালতহি শ্ৰীবুড়া-গোহাঞি ডাঙৰীয়াই চুজাই দি যোৱা মহজৰ বোৰো আগ-লৈকে নিয়াই মজুন্দাৰ বড়ুৱাক আগত থৈ দেশি বিদেশি পাৰ্চ্ছিপড়াৰ মুখে সেই মহজৰ বোৰ শুনি, মহজৰো জীৰ্ণ, অক্ষৰো উৰা, ফটাচিটা জোৰা দিয়া দেখি আৰু সকলো-বোৰ মাটি মানুহ পীড়ৰ নামে নোলোৱাত হালমোৰলুক নামে ওলোৱাত তাতে সন্দিগ্ধ জন্মি শ্ৰীশ্ৰী৮৮লৈ জনালত শ্ৰীশ্ৰী৮৮ৰে ধৰ্ম্মধানত অলিবন্ধ হোৱা যুক্তি নহয় যেন দেখি সকলোবোৰ মাটি মানুহ পীৰৰ বৌজা আৰু মোক্কাৰ নামে সিদ্ধান্ত মহজৰ পত্ৰ কৰি দিলে। মাটিৰ নাম—চৌৰাচি থাতা পৰগণাৰ আৰঙ্গ মৌ তালুকৰ ধুচাই গ্ৰামৰ চাৰি হদৰ ভিতৰে পিয়লত পেৰা-কাকতত মাটি মানুহ যি আছে সেইদৰে পেৰাৰ আচল কাটল সোধাই থাকিব। আত বাজে ৰূপিত ফৰিঙ্গতি হাবি দলনি মাটি যি আছে পূৰ্ব্বনিৰ্ব্বন্ধে দিলে। তাৰে ভিতৰত সন্দিকৈ বড়ফুকনে দিয়া মাটি মানুহ যি আছে তাৰে সহিতে পাইক ২৫ টা এই ধুচাই গ্ৰামৰ হদ্দ পশ্চিমে। পূবে ননানদি উত্তৰে সন্ধিকাৰি ৰাঙজান, দক্ষিণে কাৱিৰ জান আৰু মদন মোহন পৰগণাৰ ডিমু গাঞত দৰঙ্গি ৰজা চন্দ্ৰনাৰায়ণে দিয়া চাৰিহদৰ ভিতৰে মাটি ৩ বিহি পাইক ৪॥ পোৱা ওঠাৰ পোৱা এই সকলেও পাৰৰ কাৰ্য্যত প্ৰবৰ্ত্তি থাকিব। ইহাৰ কৰ ক[illegible] বেঠবেগাৰ, চোৰ চিনলা ধুমাচ মাৰেচা জলকৰ জৰক্ষৰ চৌকি হাট ঘাট ফাট দান খুত ৰাজদণ্ড ব্যতিৰেকে সৰ্ব্ববাব পৰিত্যাগ হৈল ইহাত কোনো ওনে অন্যথা নকৰিব ইতি শক ১৭২৬, ২১ মাঘ।"

ওপৰত দিয়া পেড়া-কাকতখনে কামৰূপৰ হাজো দেৱালয়ৰ ওচৰত থকা পোৱামক্কা নামে মুছলমানৰ মছজিদৰ কথা উল্লেখ কৰিছে। মোগল সম্ৰাট ছাহ-জাহানৰ ৰাজত্বকালত লুতফুল্লা চিৰাজী হাজো অঞ্চলৰ ফৌজাদাৰ আছিল। এওঁ পোৱামক্কাৰ মছজিদ নিৰ্ম্মাণ কৰায়। পিছত এই মছজিদ্ সম্বন্ধে মাটি মানুহ বিষয়ে বিশেষ সন্দেহ হোৱাত আৰু সেই অঞ্চল তেতিয়া অসম ৰজাৰ হাতলৈ অহাত স্বৰ্গদেৱৰ আদেশমতে বুঢ়াগোঁহাই ডাঙৰীয়াই সেই বিষয় বিচাৰ কৰে আৰু বিচাৰৰ সিদ্ধান্ত পেড়া-কাকতত লিখি থোৱা হয়। 'কৰকাটল,' 'পৰপক্ষক' "বেঠ বেগাৰ" ইত্যাদি বিবিধ বিষয়ক বাবৰ পৰা কিন্তু বেহাই দিয়া নহল। এইবোৰ শব্দ তেতিয়াৰ কালত ঘাইকৈ যি যি অৰ্থত ব্যৱহৃত হৈছিল তাৰ টোকা দিয়া গল।

কৰ—ৰজাক দিবলগীয়া মাটিৰ খাজনা আৰু গুৰুধৰক দিবলগীয়া ধন বা বস্তু।

কাটল—ৰজাঘৰত পাইকে খাটি দিয়া বাব।

পদপঙ্কক—পচাঁ, চাদাঁ, বা বৰঙ্গনিক বুজাইছিল।

বেঠ—হাতী মহলৰ বা আন বনৰীয়া জন্তুধৰাৰ বাবদ ৰজাক দিবলগীয়া ধন বা বস্তু।

বেগাৰ—ৰজাঘৰত মাজে সময়ে খাটি দিয়া বাব।

চোৰ-ছিনলা—চুৰকৰা, পৰস্ত্ৰী হৰণকৰা ইত্যাদিৰ শাস্তি।

ধুমচি—হ্ৰাবিছ নোহোৱা সম্পত্তি ৰজাঘৰলৈ যোৱা বাব।

মাবেছা—কন্যাদানৰ বাবে ৰজাক দিবলগীয়া বাব।

জলকৰ, জলঙ্কাৰ—পানীৰ মাছমৰাৰ বাবদ আৰু হিলৈৰ খাৰযোগোৱাৰ বাবদ ৰজাৰ প্ৰাপ্য।

হাট—বেচা-কিনা কৰা ঠাইৰ বাবদ ৰজাৰ প্ৰাপ্য।

খুন্ত—মাটিৰ খাজানাত বাহে আন বস্তুৰ ৰূপে দিবলগীয়া বাব।

শ্ৰীসৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

---

# দৃষ্টিহীন *

দেখাতেই গহীন এখন অতি [illegible]ণিকলীয়া হাবি, ওপৰত ঘন তৰাৰে ভৰপূৰ আকাশ।—— হাবিৰ মাজত প্ৰায় মাজনিশা এটা বহল চোলা পিন্ধি বহি আছে এজন ভাটীবয়সীয়া সাধু। তেওঁৰ মূৰ আৰু ওপৰভাগ অলপ পাছফালে আওঁহা আৰু ভয়ানকৰূপে থিৰ হৈ ধোন্দেৰে থকা-সৰকা হোৱা প্ৰকাণ্ড বৰ এজোপাৰ গুৰিত লাগি আছে। তেওঁৰ মুখখন ভয়ঙ্কৰৰূপে শেঁতা আৰু তেওঁৰ ক'লা ওঁঠ দুটা মেলখোৱা। তেওঁৰ নিমাত থৰ চকুযোৰে আৰু অনন্তৰ দ্ৰষ্টব্যভাগ নেদেখে, আৰু সেই চকুজোৰে কিবা স্মৃতিৰ অতীত বেজাৰৰ ভাৰ লৈ, চকু পানীৰ সলনি তেজ উলিয়া যেন দেখি। তেওঁৰ দেখিলেই মূৰ দোঁ-খোৱা, গহীন বগাচুলিৰ ঠৰঙা আৰু তাকৰীয়া খোপা-বোৰ সেই খোৰমূৰ্ত্তি হাবিৰ অভেদ্য স্তব্ধতাৰ মাজত সকলো বস্তুতকৈ বেছি ভাগকৰা আৰু বেছিকৈ জলিপকা মুখখনৰ ওপৰত ওলমি ওলমি পৰি আছে। তেওঁৰ অতি-ক্ষীণ হাতকেখন কঠিনভাৱে ইখনে সিখনে বান্ধখাই কোচৰ ওপৰত পৰি আছে।— সোঁহাতে শিল, গছৰমূঢ়া আৰু শুকান পাত-চোতৰ ওপৰত বহি আছে ছটা কণা বুঢ়া মানুহ; বাঁওহাতে উভালিপৰা গছ এডাল আৰু কিছুমান ভগা-ছিগা শিলৰ সিফালে, বুঢ়ামানুহ কেটাৰ মুখামুখিকৈ বহি আছে ছজনী তিৰোতা, সিহঁতো কাণী। তিনি-জনীয়ে নীৰৱে ভগামাতেৰে ঈশ্বৰক প্ৰাৰ্থনা কৰিছে আৰু ইনাই-বিনাই কান্দিছে। এজনী আলৰ-আথৰ, এজনী নিকুট বলিয়ালিৰ ভৰত নিজৰ আঁঠুৰ ওপৰত টোপনিত লালকাল কেচুৱা এটা লৈ আছে। বাকীজনী আচৰিতৰকমে কুমলীয়া, তাইৰ চুলিতাৰে তাইৰ গোটেই গা ঢোৱাই থৈছে। মটা-মাইকী আটাইবোৰ গহীন, একেধৰণৰ ঢিলা কাপোৰ-কানি পিন্ধা। সৰহভাগেই কিলা-কুটি আঁঠুত থৈ আৰু মূৰবোৰ হাত দুখনৰ মাজত গুজি কাৰাবাটৈ বাটচাই আছে, আৰু সকলোৰেই ব্যৰ্থ অঙ্গ-ভঙ্গি বা সেই দ্বীপৰ এহাওধীয়া গোলমালত মূৰ জোকৰাৰ অভ্যাস পাহৰিলে যেন দেখা যায়। প্ৰকাণ্ড আৰু গহীন আঁহত, জৰী, চন্তিয়নাবোৰে সিহঁতৰ চিৰবিশ্বাসী ছাঁৰে ইহঁতক আবৰি ধৰিছে। সাধুজনৰ পৰা অদূৰত কিছুমান লেঙ্‌লেঙীয়া আৰু নীৰস গধূলি-গোপাল, ৰাতিৰ খোপ-মৰা এন্ধাৰত ফুলি আছে। অ'ত-ত'ত জোপোহা গছৰ পাতবোৰৰ পৰা জোনৰ পোহৰে সেই ভয়ঙ্কৰ 'খোৰতা' গুচাবৰ প্ৰয়াস কৰিছে যদিও ৰাতিটো কিন্তু অসা-ধাৰণৰূপে এন্ধাৰ।

প্ৰথম কণা—তেখেত এতিয়াও অহা নাইনে?

দ্বিতীয় কণা—এঃ! তই মোৰ টোপনি ভাঙিলি?

প্ৰথম কণা—মোৰো টোপনি আহিছিল।

তৃতীয় কণা—মোৰো আহিছিল।

প্ৰথম কণা—তেখেত এইখিনি পৰেও অহা নাইনে?

দ্বিতীয় কণা—ওঃ, মই একো শুনা নাই।

তৃতীয় কণা—আশ্ৰমলৈ যাবৰ সময় হব পায় অ'।

প্ৰথম কণা—আমিনো আছো ক'ত?

দ্বিতীয় কণা—তেখেত যোৱাতকৈ জাৰ পাইছো।

প্ৰথম কণা—আমিনো আছোহি ক'ত?

সকলোতকৈ বুঢ়া কণা— আমি ক'ত আছো কোনো-বাই জাননে?

সকলোতকৈ বুঢ়ী কাণী—আমি বহুত [illegible] খোজ কাঢ়িলো; আশ্ৰমৰ পৰা [illegible] পাওঁ।

প্ৰথম কণা—আ! মাইকীমানুহবোৰ ঠিক আমাৰ সন্মুখতে আছে।

সকলোতকৈ বুঢ়ী কাণী—আমি তহঁতৰ ঠিক মুখামুখি হৈ আছো।

প্ৰথম কণা—ৰবি, মই তহঁতৰ ওচৰলৈ গৈছো [সি উঠি থপিয়াই ফুৰে] তহঁত ক'ত আছ অ'? কথা কচোন! তেতে যদি শুনো তহঁত ক'ত আছ।

সকলোতকৈ বুঢ়ী কাণী—এয়া ইয়াতে; আমি শিলৰ ওপৰত বহি আছো।

প্ৰথম কণা—[সি আগবাঢ়ি গৈ পৰিথকা গছ-ডাল আৰু শিলবোৰত উজুটি খায়] আমাৰ মাজত কিবাবোৰ আছে ............

দ্বিতীয় কণা—ৰ'ব মানুহ ত'তে থকাই ভাল।

তৃতীয় কণা—তহঁত কোনখিনিত বহি আছ? আমাৰ ওচৰলৈ আহিবিনে কি?

সকলোতকৈ বুঢ়ী কাণী—আমাৰ ঠিয় হবৰে সাহ নাই।

তৃতীয় কণা—আমাক তেখেতে কিয় আঁতৰ কৰিলে?

প্ৰথম কণা—তিৰুতাবোৰৰ ফালে প্ৰাৰ্থনা কৰা শুনিছো।

দ্বিতীয় কণা—এৰা তিনিজনী বুঢ়ীয়ে উপাসনা কৰিছে।

প্ৰথম কণা—এতিয়াতো উপাসনা কৰাৰ সময় নহয়!

দ্বিতীয় কণা—তহঁতে পাছে-পৰেও দেখোন ঘৰত উপা-সনা কৰিব পাৰ। [বুঢ়ী তিনিজনীয়ে প্ৰাৰ্থনা কৰিয়েই থাকে।]

তৃতীয় কণা—মই ঠিক কাৰ পাছতে বহিছো অ'?

দ্বিতীয় কণা—মোৰ মনেৰে তোৰ পাছতে মই। [সিহঁত দুয়ো কেউফালে খেপিয়াই ফুৰে]

তৃতীয় কণা—আমি ইটোৱে সিটোক চুব নোৱাৰো দেখোন।

প্ৰথম কণা—তথাচ আমি ইটোৱে সিটোৰে সৰহৰ আঁতৰা-আঁতৰি নহওঁ। [সি নিজৰ কেউফালে খেপিয়াই ফুৰোতে পঞ্চমটো কণাৰ গাত তাৰ লাঠিডাল লাগে, আৰু সি দুখ পাই উস্ কৰি উঠে।] সেই কাণেৰে শুনুনাটো আমাৰ কাষতে বহি আছে।

দ্বিতীয় কণা—মই [illegible]হিৰে মাত শুনা নাই; আমি এতিয়াই চৰোটা আহিলো নহয়!

প্ৰথম কণা—মই লাহে লাহে কথাবোৰ বুজিব পাৰিছো। আমি মাইকীমানুহ কেজনীকো সোধোহঁক: কথাবোৰ নো কোনটো পাকে গৈছে আমি জনা উচিত। মই এতিয়াও বুঢ়ী কেজনীয়ে উপাসনা কৰি থকা শুনিছো! সিহঁত একেলগে বহি আছেনে কি?

সকলোতকৈ বুঢ়ী কাণী—সিহঁত মোৰ কাষতে শিল এটাৰ ওপৰত বহি আছে।

প্ৰথম কণা—মই শুকান পাতৰ ওপৰত বহি আছো।

তৃতীয় কণা—আৰু আমাৰ সুন্দৰী;—তেওঁ ক'ত?

সকলোতকৈ বুঢ়ী কাণী—তেওঁ উপাসনাকৰা কেজনীৰ ওচৰতে আছে।

দ্বিতীয় কণা—বলিয়ানীজনী আৰু তাইৰ লৰাটো কেনি আছে?

গাভৰু কাণী—তাৰ টোপনি, নজগাবা তাক।

প্ৰথম কণা—আও, তুমি আমাৰ পৰা ইমান দূৰত! মই ভাবিছিলো তুমি ঠিক মোৰ মুখামুখি হৈ আছা।

তৃতীয় কণা—ঠিক, আমি এতিয়া জানিব লগাখিনি কথাৰ অলপ উদ্ধাৰিত পালো, আমাৰ সাধু আহে মানে আন কথা অলপকে পাতোহঁক।

(আগলৈ)

* জগদ্বিখ্যাত বেলজিয়ান কবি মৰিছ মেটাৰলিঙ্কৰ "দি ব্লাইণ্ড" নামৰ গ্ৰন্থৰ ভাঙনী।

# প্ৰাপ্তি-স্বীকাৰ

আমি তলত নাম দিয়া কিতাপবোৰ পাইছো। কোনো কোনোখন পোৱা ভালেমান দিন হল। পাই সমালোচনা কৰিব পৰাটো দূৰৰ কথা, ইমান দিনে প্ৰাপ্তি-স্বীকাৰ নকৰিও দোষ কৰিছো। গ্ৰন্থকাৰসকলৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰাৰ বাহিৰে এতিয়া আৰু আন উপায় নাই। দয়া কৰি ক্ষমা কৰক।

সমালোচনা (প্ৰায়শ্চিত্ত বিষয়ে) — বিদ্বন্তিসহ শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামিনা কৃতা। দক্ষিণপাটসত্ৰৰ পৰা।

এই কিতাপৰ পাতনিত কিতাপৰ উদ্দেশ্যৰ বিষয়ে গোঁসাই ঈশ্বৰে লিখিছে:— "সনাতন আৰ্য্যধৰ্ম্ম ৰক্ষা কৰাই এই কিতাপৰ ঘাই উদ্দেশ্য; বাদানুবাদ কৰা কিতাপৰ উদ্দেশ্য নহয়। ... দোষ নকৰাকৈ জেল খাটিলে প্ৰায়শ্চিত্ত হব নেলাগে, দোষ কৰি জেল খাটিলেহে প্ৰায়শ্চিত্ত হব লাগে এই কথাৰ অৰ্থ কি? দোষ কৰি জেল খটা মানুহেনো কি দোষত প্ৰায়শ্চিত্ত হব লাগে, যি দোষত জেল খাটে সেই দোষত নে, জেলত আচাৰাদি ভ্ৰষ্ট হোৱাৰ দোষত? ... মানুহে পাপ কৰি ৰাজকৰ্ত্তৃক দণ্ডিত হলে নিষ্পাপ হৈ পুণ্যবানলোকৰ দৰে স্বৰ্গলৈ যায়। যদি জেলত থাকোতে আচাৰাদি ভ্ৰষ্ট হোৱাৰ বাবে প্ৰায়শ্চিত্তৰ বিধান কৰে, তেনেহলে বৰ্ত্তমান ক্ষেত্ৰত নো প্ৰায়শ্চিত্ত হব নলগাত পৰিল কিয়? অতএব আমাৰ দেশহিতৈষী শ্ৰুতি স্মৃতিধৰ্ম্মাবলম্বী লোকসকলক সাদৰেৰে কওঁ যে তেওঁলোকে ধৰ্ম্মস্য সূক্ষ্মাগতিঃ এই সত্যবাক্যলৈ মনোযোগ ৰাখি ধৰ্ম্মচ্যুত নোহোৱাকৈ থাকিলে অৱশ্য সুমঙ্গল হব। ধৰ্ম্মত থাকিলে কেতিয়াও বিনাশ নাই। ধৰ্ম্মোৰক্ষতি সৰ্ব্বদা।"

ফুল— উপন্যাস। দ্বিতীয় তাঙ্কৰণ। বেচ—৸৹ আৰু ১৲। শ্ৰীযুত দণ্ডিনাথ কলিতা প্ৰণীত আৰু প্ৰকাশিত। উপাদেয় গ্ৰন্থ।

ঈচপৰ উপকথা— শ্ৰীযুত ৰোমেশ্বৰ শৰ্ম্মা বি, এ, বি, টিৰ দ্বাৰাই অনুবাদিত। এই কিতাপখনক আমি আদৰি অসমীয়া সাহিত্য-ভঁৰালত ঠাই দিলো। শৰ্ম্মাদেৱৰ যত্নত এটা অভাৱ গুচিল। ঈচপৰ ১৭৭ উপকথাৰ অসমীয়া ভাঙনি এই কিতাপত দিয়া হৈছে। ভাষাও ভাল। ঈচপৰ জীৱনীও কিতাপখনত দি, তাক আৰু লাগতিয়াল কৰা হৈছে:

"হৰিণা আৰু সিংহ" উপকথাত "এজনী হৰিণাই" নেলেখি 'এজনী হৰিণী' লেখাহেঁতেন ভাল পালোহেঁতেন। ১৪শ উপকথাত "এজনী প'ৰী" লেখা হৈছে। 'প'ৰী'টো অসমীয়া [illegible] নে? আমি হলে নহয় বুলি ভাবো। 'প'ৰী'ৰ সলনি [illegible] শৰ্ম্মাদেৱে অসমীয়া শব্দ নেপালেনে? নিজৰ থাকোতেও পৰৰ ওচৰত হাত পতাটো জানো ভাল? তেওঁ এখন "গাওঁ ললে" আমি-যেই কৈ দিব পাৰিলোহেঁতেন কিজানি। ১২ নম্বৰ উপকথাৰ moralঅত আছে,— "বেয়াৰ প্ৰতি ধাৰ্ম্মিকো ঘৃণাৰ পাত্ৰ।" "প্ৰতি" শব্দটোৰ এইখিনিত সদ্ব্যৱহাৰ হোৱা নাই। "পক্ষে" শব্দ ব্যৱহাৰ কৰাহেঁতেন ঠিক অৰ্থবোধক হলহেঁতেন। ১৮ নম্বৰ সাধুটোত আছে— "এদিন তাৰ ফন্দিত চিলনী এটা হে ধৰা পৰিল।" 'ফন্দিত" নে 'ফান্দত'? "গৰাইদ চোৰ" নে 'গভাইত চোৰ'? (১০১) "যা হওক" নে যি 'হওক'? (১১৫)।

প্ৰতিমা-পূজা ও দুৰ্গোৎসব — বিধিৰ বিধানে ভাৰতে ইংৰাজ-ৰাজত্ব প্ৰণেতা শ্ৰীযুত সুৰেশচন্দ্ৰ বন্দোপাধ্যায় প্ৰণীত। মূল্য ৵৹ দুই অনা। কিতাপ পাবৰ ঠিকনা পুলিশবাজাৰ, শীলং, বি, এন. দে, এণ্ড কোং অথবা যশমন্ত ৰোড্ গৌহাটী। কিতাপখনি আমাক উপহাৰ স্বৰূপে দিয়া বাবে গ্ৰন্থকাৰৰ শলাগ লৈছো। মূল্যবান কিতাপ।

চন্দ্ৰহাৰ — শ্ৰীযুত মিত্ৰদেৱ মহন্ত প্ৰণীত। পাঁচোটা সৰু গল্পৰ এখন কিতাপ। বেচ আধলি এটি।

বিয়া-বিপৰ্য্যয়— (প্ৰেমেলীয়া, সামাজিক নাট) শ্ৰীযুত মিত্ৰদেৱ মহন্ত প্ৰণীত। ভাল হৈছে।



চপলা—(উপন্যাস) শ্ৰীযুত দণ্ডীধৰ সোণোৱাল প্ৰণীত। বেচ ॥/৹। পঢ়ি ভাল পালো।

সেৱা — কবিতাৰ কিতাপ। ৰচক শ্ৰীযুত ভৈৰবচন্দ্ৰ খাটনিয়াৰ। প্ৰকাশিকা শ্ৰীমতী ৰাসেশ্বৰী খাটনিয়াৰ বেচ ।৹। কবিতাবোৰৰ ভাব ওখ, ভাষা ভাল। ৰচকে তেওঁৰ 'নিবেদন'ত খুলি কৈছে "যি সময়ত কবিতাবোৰ লিখা হয় সেই সময়ত ৰবি ঠাকুৰৰ প্ৰভাব মোৰ অন্তৰত প্ৰবেশ কৰিছিল।" এতেকে সৰহ কোৱা নিষ্প্ৰয়োজন।

বত্ৰিশ সিংহাসন — মহাকবি কালিদাসৰ সংস্কৃত বত্ৰিশ সিংহাসনৰ অসমীয়া ভাঙনি। ভাঙোতা শ্ৰীযুত উৎসবানন্দ গোস্বামী, অধিকাৰ-পুৰণিমাটি সত্ৰ। গোস্বামীদেৱৰ এই দান অসমীয়া সাহিত্য-ভঁৰালে [illegible] গ্ৰহণ কৰিব বুলি আমাৰ বিশ্বাস। কিতাপখনত শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱাৰ "ভূমিকা," আৰু গোস্বামীদেৱৰ "অৱতাৰণা" সুলিখিত প্ৰবন্ধ।

মূলা-গাভৰু—(বুৰঞ্জীমূলক নাটক) ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ প্ৰণীত। সন্দিকৈ ডাঙৰীয়াৰ practical দেশপ্ৰীতিৰ ইয়ো এটি নিদৰ্শন। অসমত থিয়েটৰ কৰোতাসকলে মূলা-গাভৰুৰ অলেখবাৰ অভিনয় কৰি দেশ-প্ৰীতিৰ চিনাকী দিলে আমি পৰম প্ৰীতি লাভ কৰিম। এনে নাটৰ অভিনয়ত দেশৰ ইষ্ট হব বুলি আমাৰ ডাঠ বিশ্বাস।

অশ্ৰু—শ্ৰীযুত তাৰিনীচৰণ দাসৰ দ্বাৰাই ৰচিত। ২৪ টা খণ্ড কবিতাৰ সমষ্টি। কবিতাবোৰ ভাল হৈছে।

কৰ্ম্মবীৰ চন্দ্ৰনাথ— শ্ৰীযুত দণ্ডিনাথ কলিতা প্ৰণীত। এই কিতাপখনি পাই আমি সন্তোষ পাইছো। মূল্যবান কিতাপ।

বৰফুকনৰ গীত— সম্পাদক আৰু প্ৰকাশকঃ— অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল। বেচ আঠ অনা। ভূঞাদেৱে বৰ পুৰুষাৰ্থ কৰি এই গীতটো উদ্ধাৰ কৰি ছপাই উলিয়াইছে; সেইবাবে তেওঁ নিশ্চয় শলাগৰ পাত্ৰ। কিতাপখনত "ভূমিকা" "অসম বুৰঞ্জীৰ ঘটনা," "ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই", বদনচন্দ্ৰ বৰফুকন, পিজৌ-গাভৰু, মানৰজাৰ কুৱঁৰী, আৰু ৰাজমাওৰ চৰিত্ৰ আলোচনা, "গীতৰ ভাষা" গীত আৰু বুৰঞ্জীৰ ঘটনা ইত্যাদিৰ আলোচনাত সম্পাদকে তেওঁৰ কৃতিত্বৰ পৰিচয় দিছে। মুঠতে, কিতাপখন অসমীয়া সাহিত্য ভঁৰাললৈ মূল্যবান দান। অসমৰ টেক্সট্ বুক কমিটিয়ে এই কিতাপখন স্কুলত চলোৱা দেখিলে আমি সুখী হম।

এইখিনিতে কোৱা উচিত যে একাদশ বছৰৰ ৭ম সংখ্যা বাঁহীত শ্ৰদ্ধাস্পদ শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ "মধুপৰ্ক" নামৰ সংগ্ৰহ-প্ৰবন্ধত "বৰফুকনৰ গীত এছোৱা ওলাইছিল।" ভূঞাদেৱে সেইটো তেওঁৰ "নিবেদনত" উল্লেখ কৰাহেঁতেন আমি ভাল পালোহেঁতেন। বাঁহীত প্ৰকাশিত সেই গীতছোৱা শ্ৰুতিমধুৰতা বিষয়ত বৰ্ত্তমান কিতাপৰ গীততকৈ কোনো অংশে হীন নহয় বুলি আমি ভাবো।

---

## বিহুৱান

আবেলি বেলিকা জুৰ বতাহত
ব'দ-জিলিঙনি লই
কুলি কেতেকীৰ ন-মাত শুনি
আছিলো পাৰতে বই।
সোণবৰণীয়া সোৱণশিৰীৰ
ৰূপালী ঢৌটি চাই

আপোন পাহৰি ৰঙ পাইছিলো
প্ৰাণৰ গীতটি গাই।
এনে সময়ত কোন বাৰু তেওঁ
সিপাৰে দূৰৰ পৰা,
কাক নো ধিয়াই গালে গীতফাকি
চেনেহ-অমিয়া ভৰা:—

"অতি চেনেহৰে মুগাৰে মহুৰা
অতি চেনেহৰে মাকো;
অতি চেনেহৰে বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।"

শুনি নপলায় ভোক নো পিয়াহ
আৰু কিবা লাগে মোক?
কোনে আনি দিব কোনে গাই যাব—
"জুৰণি দি যাওঁ তোক।"

* * *

এনেতে ক'ৰনো নিচিনা চেনেহী
লগৰী আহিল চাপি
গালেহি কাণত সুৰদি সুৰত,
— হাতে সৰুদৈয়া জাপি:—

"ঘৰতো নপৰে মনে সমনীয়া
পথাৰত নপৰে মন
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

ডিঙ্গি ধৰাধৰি কৰি দুয়োজনে
সোঁতত এৰিলো নাও;
কোনে কব পাৰে বিহুৰ বলিয়া
কেনি নো কলৈ যাওঁ?

শ্ৰীনকুলচন্দ্ৰ ভূঞা




## চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণৰ বিষয়ে একাষাৰ

[ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ মত ]

৺চন্দ্ৰকান্ত আৰু ৺ইন্দ্ৰকান্ত সন্দিকৈৰ ককাইদেৱেক শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই ফ্ৰান্সদেশৰ পোৰী চহৰৰপৰা তলত লিখা চিঠিখন আমালৈ পঠাইছে। সুদূৰ য়ুৰোপত থাকিও এই বিষয়ে মনোযোগ দিয়াৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। বাইজে চিঠিখনৰ প্ৰতি বিশেষ মনোযোগ দিব বুলি আশা কৰা হল।

ওপৰত উল্লেখ কৰা গ্ৰন্থ দুখনিৰ সঙ্কলন সম্পৰ্কে ইতিপূৰ্ব্বে ভালেমান আলোচনা হৈ গৈছে। কিন্তু তাৰ ভিতৰত শ্ৰীযুত বেজবৰুৱা ডাঙৰীয়াই তেখেতৰ সভাপতিৰ অভিভাষণত এই বিষয়ে যি কৈছে তাক বিশেষকৈ মন কৰিব লগীয়া। সাহিত্য সন্মিলনে যি টকা পাইছে তাৰ দ্বাৰা প্ৰকৃততে লাগতিয়াল কোনো কামো হব লাগে



দাতাৰ উদ্দেশ্যও সফল হব লাগে। কিন্তু সন্মিলনে যি প্ৰস্তাব কৰিছে তাৰপৰা লক্ষ্য সিদ্ধি হবনে নহব সেই বিষয়ে আমাৰ ঘোৰ সন্দেহ। প্ৰথমতে বৰ্ত্তমান হেমকোষ আৰু হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণৰ পৰাই অসমীয়া ভাষাৰ ছাত্ৰসকলৰ আৰু অসমীয়া লিখকসকলৰ কাম চলি গৈছে। ইফালে এই দুখনিতকৈ ওখ থাপৰ অভিধান আৰু ব্যাকৰণ লিখিবৰ কাৰণে যেনে বিধৰ পাতনি গৱেষণাৰ প্ৰয়োজন তাৰ নাম-গন্ধও আমাৰ ভাষাত পাবলৈ নাই। অথচ প্ৰথমতে কিছুমান বিশেষ বিষয়ৰ সূক্ষ্ম আলোচনা নহলে অসমীয়া ভাষাৰ সৰ্ব্বাঙ্গপূৰ্ণ ব্যাকৰণ আৰু অভিধান লিখা এক প্ৰকাৰ অসম্ভৱ। যেনে, প্ৰাকৃত আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ আৰ্য্যবংশীয় ভাষাসমূহৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক, ন আৰু পুৰণি অসমীয়া ভাষাৰ গঠন আৰু শব্দাৰ্থৰ ক্ৰমবিকাশ, অপ্ৰকাশিত পুথিসমূহৰ ভাষা'ৰ পৰীক্ষণ, বানান সমস্যা ইত্যাদি। এনে বিধৰ সূক্ষ্ম আলোচনা পৃথক পৃথককৈ কিছুমান দিন কৰাৰ পাছত আৰু নানা তৰহৰ সজুলি গোটখোৱাৰ পাছতহে উচ্চ শ্ৰেণীৰ অভিধান নাইবা ব্যাকৰণ লিখা সম্ভৱপৰ হব পাৰে,—যাক সকলো অসমীয়াই প্ৰমাণ স্বৰূপ গ্ৰহণ কৰিব। ইয়াকে নকৰি ধনদিয়েক অভিধান সমিতি ব্যাকৰণ সমিতি সাজি খপৰাই অভিধান নাইবা ব্যাকৰণ এখন উলিয়াই দিলে সি বেজবৰুৱা ডাঙৰীয়াই কোৱা দৰে লোহাৰাম, জয়ৰাম পণ্ডিতৰ গ্ৰন্থৰ নিচিনাহে হব। কলাপ বা শব্দকল্পদ্ৰুমৰ শাৰীলৈ নাযায়।

তদুপৰি বৰ্ত্তমান সাহিত্য সভাৰ কৰ্ত্তৃপক্ষই অভিধান ব্যাকৰণ উলিয়ালেও অহা অৰ্দ্ধশতাব্দীৰ ভিতৰতে আকৌ নতুন অভিধান, ব্যাকৰণ উলিয়াবৰ আৱশ্যক হব। লাহে লাহে যেতিয়া অসমীয়া ভাষাৰ গঠন, ক্ৰমবিকাশ আদি সমস্যাৰ সমাধান হব আৰু তাৰ প্ৰকৃত স্বৰূপ পৰিস্ফুট হৈ ওলাব, তেতিয়া আকৌ এখন নতুন ব্যাকৰণ আৱশ্যক হৈ পৰিব; সেইদৰে ভবিষ্যতৰ উৰ্দ্ধগামী অসমীয়া সাহিত্যত মানৱ জ্ঞানৰ নানা শাখা সম্পৰ্কে আলোচনা আৰম্ভ হব আৰু তাৰ ফল স্বৰূপে নানা নতুন শব্দ আৰু বাক্য-ভঙ্গীৰ আমদানি হব, তেতিয়া এইবিলাক সামৰি-সুতৰি লবলৈ আকৌ এক নতুন অভিধানৰ প্ৰয়োজন হব। এয়ে হলেই চন্দ্ৰকান্ত অভিধান আদিৰ নাম পৰ্য্যন্ত লুপ্ত হব, দাতাৰ উদ্দেশ্য একেবাৰেই ব্যৰ্থ হব আৰু ইমানখিনি টকাৰো অপব্যয় ঘটিব। ভবিষ্যতৰ কথা এৰি দিলেও সম্প্ৰতি লোকমত সাহিত্য সভাৰ প্ৰস্তাৱৰ প্ৰতিকূল হৈ উঠা যেন দেখা যায় আৰু সৰবশেহত অসমীয়া সাহিত্যৰ গুৰু, বেজবৰুৱা ডাঙৰীয়াৰ নিচিনা মানুহে ইয়াৰ বিৰুদ্ধে মত দিছে। ইয়াকে ভাবি চিন্তি সময় থাকোতেই টকাৰ এই অপব্যয়ৰপৰা সাহিত্য সভা নিবৃত্ত হোৱা উচিত। যোৰহাটত চন্দ্ৰকান্ত কলাভৱন হৈছে সি ভাল কথা। গুৱাহাটীটো বোলে প্ৰাচীন অসমীয়া শিল্প আদিৰ নিদৰ্শন ৰাখিবৰ কাৰণে এটা মিউজিয়াম পতাৰ প্ৰস্তাৱ চলিছে। বাকী টকা তেনে কোনো কামত ( ) কৰাই ভাল।—'অসমীয়া'

## নোবেল প্ৰাইজ

এইবাৰৰ নোবেল প্ৰাইজ পোলাণ্ডৰ উপন্যাসিক মিঃ ৰ'মল ৰেমতে পাইছে। এখেতৰ নাম য়ুৰোপৰ আন আন ঠাইত সিমান জনাজাত নহলেও পোলাণ্ডৰ বৰ্ত্তমান লেখকসকলৰ ভিতৰত এখেতেই শ্ৰেষ্ঠ। এখেতে ১৮৬৮ খৃষ্টাব্দত জন্মগ্ৰহণ কৰে। এখেত এজন খেতিয়কৰ সন্তান, এখেতে প্ৰথমে টেলিগ্ৰাফ বিভাগত কাম কৰি পিছত ৰেল বিভাগত কাম কৰে। এখেতে কিছুমান দিন মঠত শিক্ষানবীশৰ কামো কৰিছিল।—'বসুমতী'

## ধপাত গছৰ সহায়েৰে প্লেগ নিবাৰণ

বেমাৰী এন্দুৰেই প্লেগ বেমাৰৰ কাৰণ আৰু সেই এন্দুৰৰ গাত মাখি পৰি মাখিয়ো প্লেগ বেমাৰৰ কাৰণ হয়। এনেকুৱা মাখিয়ে যি মানুহক কামোৰে তাৰে প্লেগ বেমাৰ হয়। সম্প্ৰতি নিজাম ৰাজ্যৰ হাইদৰাবাদ নগৰত ডাক্তৰ এছ মল্লনাই পৰীক্ষা কৰি পাইছে যে ধপাতৰ গোন্ধত আৰু স্পৰ্শত এইবিলাক মাখি অতি সহজে মৰে। হাইদৰাবাদ নগৰত প্লেগৰ প্ৰাদুৰ্ভাৱ হওঁতে তেখেতে মিউনিছিপালিটি আৰু পুলিছৰ সাহাযোৰে এই

উপায়ে বহু মানুহৰ প্ৰাণ ৰক্ষা কৰে। যি ঘৰত প্লেগ বেমাৰ হৈছিল সেই ঘৰৰ এন্দুৰৰ গাঁতত ধপাতৰ গুৰি ছটিয়াই দি তাক চুণ-চুড়কাৰে বন্ধ কৰি ঘৰৰ মজিয়াখন ধপাতৰ পাতেৰে ঢাকি থৈছিল আৰু পাত-বিলাক যাতে একেবাৰে শুকাই যাব নোৱাৰে সেই কাৰণে দিনে এবাৰকৈ পানী ছটিয়াই দিছিল।—'প্ৰবাসী'

## ৰাসায়নিক উপায়ে সোণৰ উৎপাদন

বাৰ্লিনৰ টেকনিকেল স্কুলৰ প্ৰফেছাৰ মিথি নামে এজন অধ্যাপকে বহু চিন্তা আৰু পৰীক্ষাৰ ফলত পাৰৰ পৰা সোণ তৈয়াৰ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ আগেয়ে এই পৰীক্ষাৰ ফল বৈজ্ঞানিকসকলৰ মনত সপোন যেন হে লাগিছিল। কিন্তু বিজ্ঞানৰ কৃপাত এই সপোন দিঠকত পৰিণত হৈছে। এই পৰীক্ষাৰ কাৰণে খৰচ হৈছে সৰ্ব্বমুঠ প্ৰায় নলাখ আৰু এই খৰচৰ সকলো টকা জৰ্ম্মান গৱৰ্ণমেণ্টে দিছে।—'ভাৰতবৰ্ষ'

## বিচিত্ৰ গছ

আমেৰিকাৰ বনবিভাগে নানা দেশৰ পৰা নানা ৰকম গছ আনি ৰাখিছে। তাতে সম্প্ৰতি একপ্ৰকাৰ গছ অনা হৈছে যত আনকি বান্দৰো উঠিব নোৱাৰে। এই গছ দক্ষিণ চিলিৰ পৰা অনা। ইয়াৰ ডালবিলাক একেবাৰে লগালগি, পাতবিলাক তিনিকোণীয়া আৰু বৰ ডাঙৰ। দীঘলে ৮ ইঞ্চি আৰু বহলে প্ৰায় ৭ ইঞ্চি। গছবিলাক দেখিবলৈ ধুনীয়া কিন্তু বৰ চনকা।

মিছ লরি ডি ভাইন





এওঁ এজনী আমেৰিকাৰ "কণ্টৰশ্যানিষ্ট" অৰ্থাৎ এওঁ শৰীৰৰ অঙ্গী-ভঙ্গী দেখুৱাত পটু।

এটা বাদ্যযন্ত্ৰতে চৌধ্ৰ ৰকমৰ বাজনা



সম্প্ৰতি একপ্ৰকাৰ বাদ্য যন্ত্ৰ আবিষ্কৃত হৈছে যাৰ দ্বাৰা এজন বাদকেই একেলগে চৌধ ৰকমৰ বাজনা বজাব পাৰে।

# কাঁহুদী আৰু খাৰলি

আমাক এতিয়া যাইকৈ লাগে সাধাৰণৰ ভিতৰত শিক্ষা (education)। যি উপায়েৰে হওক, যাতে আমাৰ দেশৰ সকলো মানুহৰ ভিতৰত শিক্ষাৰ বিস্তাৰ হয়, প্ৰাণপণে আমি তাৰ চেষ্টা কৰা উচিত। শিক্ষাই সাধাৰণৰ চকু মুকলি কৰি দিব। চকু মেল খালেই সাধাৰণে তেওঁলোকৰ কোনটো হিতকৰ কোনটো অহিতকৰ বুজিব পাৰিব। ৰাজনীতি, সমাজ, স্বাস্থ্য, অৰ্থনীতিৰ মূল কথাবোৰ উজুকৈ সাধাৰণৰ ভিতৰত প্ৰচাৰিত হব লাগিব, নতুবা আমাৰ উদ্ধাৰ নাই। আমি এমুঠিয়ে দৰ্শন, বিজ্ঞান, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি জানি [illegible] আছো দেখি, আমাৰ ৯৯ জন অজ্ঞ অন্ধলোক আমি পৰিহাৰকৈ লেখত নলৈ আমাৰ দেশ উন্নত হৈছে বুলি যদি ভাবো সেইটো আমাৰ ভয়ানক ভুল, ভীষণ মূৰ্খতাৰ কথা হব।

• • • •

মিছা দন্দ-হাই পৰিহাৰ কৰি আমি সকলো মিলিজুলি একেটা হোৱা আৱশ্যক; নতুবা আমি গলো। ৰাজ-নৈতিক বিষয়বোৰত অন্ততঃ আমি একেমতি হবই লাগিব; আৰু সেইটো নহলেই নচলে। হবৰ বাটত বাধাও নাই, যদি আমি ক্ষুদ্ৰ স্বাৰ্থক তুচ্ছজ্ঞান কৰি ডাঙৰ স্বাৰ্থলৈ চকু দিওঁহক। এশ এটা জাতি আৰু এশ এটা ধৰ্ম্মৰ মানুহেৰে গঠিত আমেৰিকাই এইটো যে সম্ভৱ সেইটো পৃথিবীৰ মানুহৰ চকুত আঙুলি দি দেখুৱাই আছে, চালেই দেখিম; নেদেখি আমি যদি কণা হৈ থাকো, তেন্তে কাৰ দোষ। আমেৰিকাত ৪৮ খন প্ৰদেশৰ ৪৮ ডাল ধানখেৰ গোটাই একেডাল শকত ৰাজনৈতিক জৰি বাটি পকাই তাৰে প্ৰবল আমেৰিকাৰ শুকুলা ৰাজহাতীক বান্ধি থোৱা হৈছে। স্যুইট্‌জৰ্লেণ্ড দেশখন কি? পৃথিবীৰ মানচিত্ৰত ফুটুক এটা। ইটালিয়েন, ফ্ৰেঞ্চ, জৰ্ম্মানকে আদি কৰি নানা ভাষা ভাষী মানুহৰ সমষ্টি সেই দেশৰ অধিবাসী। সি মানুহেৰে চহকী নহয়, ধনেৰে চহকী নহয়, কিন্তু মিলিত যুদ্ধশক্তি আৰু দেশহিতৈষিতাৰ শক্তিৰে খুব শক্তিমন্ত।

• • •

ৰুছ পৰ্য্যটক নিকলাছ নটভিচে (Nicolas Notovitch) তিব্বতৰ হিমিছ নামৰ বিহাৰত যীচুৰ বিষয়ে যিখন পুথি পাইছিল তাৰ বিষয়ে তেওঁ যি লিখি গৈছে, তাৰ সাৰাংশ তলত দিলো:—

১৮৭৭-১৮৭৮ খৃষ্টাব্দত ৰুছ আৰু তুৰ্কীৰ মাজত হোৱা যুদ্ধৰ অন্তত মই পূৰ্ব্ব দেশত ফুৰিবলৈ ওলালো। ১৮৮৭ খৃষ্টাব্দত মোৰ চাবলৈ হেপাহৰ দেশ ভাৰতবৰ্ষ পালোগৈ। ফুৰোতে ফুৰোতে মই লামা এজনৰপৰা শুনিলো যে তিব্বতৰ লাছা নগৰৰ পুথিৰ ভঁৰালত যীচুখৃষ্টৰ বিষয়ে অনেক প্ৰাচীন পুথি আছে আৰু [illegible]ক ঠাইৰ বৌদ্ধমন্দিৰতো সেই পুথিবোৰৰ [illegible] আছে। মই লে (Leh) নগৰত থাকোতে হিমিছৰ (Himis) মন্দিৰ চাবলৈ গলো। তাৰ লামাই মোক কলে যে সেই মন্দিৰৰ পুথিৰ ভঁৰালতো তেনেকুৱা খনদেক পুথি আছে। মই এজন দোভাষীৰ সহায়ত এখন সেই পুথিৰ ভাঙনি কৰি ললো; আৰু তাৰ সত্যতাৰ বিষয়ে মোৰ মনত কোনো খুকুৱী নাই। মই য়ুৰোপলৈ উভতি আহি সেই পুথিৰ ভাঙনি ছপা কৰি প্ৰকাশ কৰিবৰ মনেৰে কেইবাজনো বিখ্যাত পাদ্ৰীৰ সহায় বিচাৰিলো, তেওঁলোকে অস্বীকাৰ কৰিলে, আৰু মোকো প্ৰকাশ নকৰিবলৈ বৰকৈ কলে। ইয়াৰ এবছৰৰ পিছত মই ৰোমলৈ আহিলো, আৰু তাৰ কাৰ্ডিনেলক সেইখন দেখুৱালো। তেওঁ মোক কলে "তুমি কিয় এইখন প্ৰকাশ কৰি উলিয়াবা? তেনেকুৱা কৰিলে, তুমি তোমাৰ অলেখ শত্ৰুহে তৈয়াৰ কৰি লবা।" তাৰ পিছত পেৰি চহৰলৈ আহি কাৰ্ডিনেল ৰটেলিক (Cardinal Rotelli) মোৰ অভিপ্ৰায় জনালত তেৱোঁ তাত বাধা দিলে। ইয়াৰ পিছত "Life of Jesus" অৰ্থাৎ যীচু খৃষ্টৰ জীৱন-চৰিত ৰচোতা ৰেনানৰে (M. Renan) সৈতে মই দেখা কৰি সেই বিষয়ে কলত তেওঁ সেইখন তেওঁৰ হাতত ৰাখি তাৰ বিষয়ে একেডেমিত (Academy) প্ৰবন্ধ লিখিবৰ প্ৰস্তাৱ কৰিলে। মই তেওঁৰ কথাত ইতস্ততঃ কৰি থকাৰ কিছু দিনৰ পিছত ৰেনানৰ মৃত্যু হয়।

"মই লামাক গোটাচেৰেক প্ৰশ্ন কৰিছিলো। সেই প্ৰশ্নকেইটা আৰু তাৰ উত্তৰ তলত দিলোঁ:—

ঈছাৰ জীৱনৰ বিষয়ে যাই পুথি কেইখন কোন ভাষাত লিখা?

লামাই উত্তৰ দিলে:—যি কেইখন ভাৰতৰপৰা নেপাল পাইছিলগৈ আৰু নেপালৰ পৰা তিব্বত, সেই কেইখন পালি ভাষাত লিখা। কিন্তু আমাৰ হাতত এখন আছে, সেইখন তিব্বতী ভাষাত।

ঈছা তিব্বতত কেনে বিবেচিত হয়?

সাধাৰণে ঈছাৰ কথাকে নাজানে; কিন্তু ডাঙৰ লামাসকলে যি সেই পুথিবোৰ পঢ়িছে তেওঁলোকে হে তেওঁৰ বিষয়ে জানে। [illegible] নিচিনা অসংখ্য বুদ্ধৰ কথা আমাৰ পুথিবোৰত আছে, সৰ্ব্বসা[illegible] সেইবোৰৰ ভু নাৰাখে।"

কোনো পাতনি নকৰাকৈয়ে সেই পুথিখনত আৰম্ভ কৰা হৈছে; যে "য়ুডিয়াৰপৰা উৎপত্তি অহা মুদৈ কিছুমানে খবৰ আনিছে, যে সেই বছৰতে ঈছা নামে ইজ্ৰেলাইট মানুহ এজনক বিচাৰকে ছুবাৰ পালাছ দিয়াৰ পিছতো, পাইলেট নামৰ বিধৰ্ম্মী শাসনকৰ্ত্তাই মৃত্যুদণ্ড দিয়ে; কাৰণ তেওঁ ভয় খাইছিল, যে ঈছা ইমান লোকপ্ৰিয় হৈ উঠিছিল, পাছে ঈছাই তেওঁক ৰাজ্যচ্যুত কৰি ইজ্ৰেল ৰাজ্য সংস্থাপন কৰে।

"ফেৰুৱাৰ (Pharoah)—ইজিপ্টৰ ৰজা—ডটা পুতেক আছিল, সৰুটোৰ নাম মুছা (Mossa)। ইজ্ৰেলাইট পণ্ডিতসকলে মুছাক অনেক জ্ঞানবিদ্যা শিকালে, আৰু গোটেই ইজিপ্টৰ মানুহৰ, মুছা প্ৰিয়পাত্ৰ হৈ উঠিল। ইজ্ৰেলাইটইঁতৰ দুখত মুছাই পুতৌ কৰা বাবে, সিইঁতেও মুছাক বৰ ভাল পাইছিল। ফেৰুৱাৰ হাতত যদিও ইজ্ৰেলাইটইঁতে নিজৰ ধৰ্ম্মবিশ্বাসৰ নিমিত্তে অনেক যাতনা ভুগিছিল, তথাপি সিহঁত স্বধৰ্ম্মত অটল হৈ আছিল। মুছাইও ইজ্ৰেলাইটৰ অখণ্ড ঈশ্বৰত বিশ্বাস স্থাপন কৰিছিল, আৰু ইজ্ৰেলাইট ধৰ্ম্ম শিক্ষকসকলে মুছাৰ সেই বিশ্বাস দৃঢ় কৰি দিছিল। ইজ্ৰেলাইটসকলৰ দুখ পাতলাবলৈ মুছাই বাপেক ৰজা ফেৰুৱাক অনেক খাটিছিল, কিন্তু বাপেকৰ সেইবাবে পুতেকৰ ওপৰত আৰু খং হে উঠি সিহঁতক আৰু দুখ দিবলৈ ধৰিলে।

ইয়াৰ পিছত ইজিপ্টত মাৰীমড়ক আদি অনেক দুৰ্ঘটনা ঘটি অনেক মানুহ মৰিল। ফেৰুৱাই ভাবিলে, তেওঁৰ ইষ্টদেৱতাসকল তেওঁৰ ওপৰত কষ্ট হৈছে। কিন্তু পুতেক মুছাই বাপেকক কলে, সেইটো নহয়, তেওঁৰ গোলামজাত ইজ্ৰেলাইটৰ ঈশ্বৰ হে, ইজ্ৰেলাইটৰ নিমিত্তে ইজিপ্টবাসীক এনেকৈ দণ্ড দিছে। ৰজাই এই কথা শুনি পুতেকক আজ্ঞা দিলে যে ইহুদী জাতৰ ইজ্ৰেলাইটবোৰক গোটাই লৈ পুতেকে ইজিপ্টৰপৰা ওলাই লৈ অনেক দূৰৈ। সিহঁতেৰে সৈতে ৰাজ্য এখন পাতি সিহঁতৰ ৰজা হৈ থাকক [illegible] মুছাই এই আজ্ঞা পাই ইহুদী গোলামবোৰক কলে, তেওঁলোকৰ ঈশ্বৰৰ অনুগ্ৰহত মুছাই সিহঁতক উদ্ধাৰ কৰিলে। মুছাই সিহঁতক লৈ ইজিপ্টৰপৰা ওলাই গল।

ইছাৰ ১৩ বছৰ বয়স হল। ইজ্ৰেলাইটৰ নিয়ম মতে তেওঁ সেই বয়সত বিয়া কৰাব পায়। ইছাৰ বাপেকমাক বন-বাৰী কৰি খোৱা দুখীয়া মানুহ। ইছাই সেই সময়ত ঈশ্বৰৰ বিষয়ে ভালকৈ কথাবাৰ্ত্তা কব পাৰিছিল। তেওঁৰ সেই কথা-বাৰ্ত্তা শুনিবলৈ, আৰু পাৰিলে তেওঁক জোৱাঁয়েক কৰিবলৈ সৰু বৰ অনেক মানুহ আহি ইছাৰ বাপেকৰ বহাত দিনৌ গোট খাইছিলহি। এনেতে এদিন ইছাই মনে মনে ঘৰ এৰি পলাই কিছুমান সাউদেৰে সৈতে ভাৰতৰ সিন্ধু প্ৰদেশৰ ফালে আহিল, যাতে তেওঁ বৌদ্ধধৰ্ম্মৰ বিষয়ে পঢ়িশুনি ঈশ্বৰজ্ঞানৰ সম্পৰ্কে আৰু ভালকৈ পুৰঠ হব পাৰে।

চৈধ্য বছৰ বয়সত ইছাই সিন্ধু-প্ৰদেশৰ পৰা আৰু সিফালে গৈ আৰ্য্যসকলৰ লগত থাকি পালি ভাষা শিকি বৌদ্ধ-শাস্ত্ৰবোৰ পঢ়িলে। তাৰ পৰা ছবছৰৰ ভিতৰত ইছাৰ শাস্ত্ৰজ্ঞান পূৰ্ণ হল, আৰু তেওঁ বৌদ্ধ-শাস্ত্ৰ ব্যাখ্যা কৰিব পৰা হল। তেওঁ তাৰ পিছত নেপাল এৰি হিমালয়েদি ৰাজপুতনা পাই লাহে লাহে পশ্চিম ফালে মানুহৰ মাজত ধৰ্ম্ম-প্ৰচাৰ কৰি যাবলৈ ধৰিলে। ইছাৰ খ্যাতি ওচৰচুবুৰীয়া প্ৰদেশবোৰত ব্যাপ্ত হবলৈ ধৰিলে।



যেতিয়া তেওঁ পাৰস্য পালেগৈ, পাৰস্যৰ ধৰ্ম্মযাজকসকল তেওঁলোকৰ ধৰ্ম্ম-প্ৰচাৰত ব্যাঘাতৰ ভয় কৰি পাৰস্যবাসীক ইছাৰ কথা নুশুনিবলৈ কলে; কিন্তু পাৰস্যৰ গাৱঁলীয়া মানুহে ইছাক সমাদৰ কৰি তেওঁৰ মুখৰ পৰা ধৰ্ম্মকথা শুনিবলৈ লাগিল।

এইদৰে ইছাই নানা ঠাইত ভ্ৰমিবলৈ ধৰিলে, আৰু তেওঁৰ উৎসাহবাণী শুনি তেওঁৰ জাতিভাই ইজ্ৰেলাইটবোৰে মুমূৰ্ষু অৱস্থাৰ পৰা নৱজীৱন লাভ কৰি হেজাৰে হেজাৰে তেওঁৰ কথা শুনিবৰ নিমিত্তে তেওঁৰ পিছ ধৰিলে। সেই প্ৰদেশবোৰৰ শাসনকৰ্ত্তাসকলে প্ৰজাৰ ওপৰত ইছাৰ এনে প্ৰভাৱ দেখি জেৰুজেলে[illegible] গৱৰ্ণৰলৈ বাতৰি পঠিয়ালে, যে ইছা নামেৰে মানুহ এজনে বক্তৃতা দি ফুৰি প্ৰজাবোৰৰ ওপৰত ইমান প্ৰভাৱ বিস্তাৰ কৰিছে যে, প্ৰজাই নিজৰ কৰ্ত্তব্য পাহৰি গৈছে, আৰু শাসনকৰ্ত্তাসকলৰ প্ৰজাৰ ওপৰত ক্ষমতাৰ ওৰ শীঘ্ৰে পৰিব। এই সংবাদ শুনি জেৰুজেলমৰ গৱৰ্ণৰ পাইলেটে ইছাক ধৰি বন্দী কৰিবলৈ হুকুম দিলে। আৰু যাতে প্ৰজাবোৰ উত্তেজিত হৈ নপৰে, সেইবাবে পাইলেটে ধৰ্ম্মযাজক জ্ঞানী মানুহ, আৰু চিক্ৰৰ বুঢ়াসকলক আজ্ঞা দিলে যে, ইছাৰ বিচাৰ যেন মন্দিৰৰ ভিতৰত কৰা হয়।

কিন্তু ইফালে পাইলেটে নিজেই প্ৰজাৰ ওপৰত ইছাৰ প্ৰভাৱৰ কথা শুনি, ইছাই কেনেবাকৈ ৰাজক্ষমতা লয় এই ভয় কৰি তেওঁৰ চোৰাংচোৱা এজনক ইছাৰ ওপৰত অভিযোগ আনিবলৈ হুকুম দিলে। তেওঁ সৈন্য পঠিয়াই ইছাক ধৰাই আনি বন্দীশালত থৈ শাস্তি দিয়াবলৈ ধৰিলে যাতে ইছাই নিজৰ দোষ স্বীকাৰ কৰে, আৰু সেইবাবে তেওঁ ইছাৰ প্ৰাণদণ্ডৰ শাস্তি দিব পৰা হয়।

পাইলেটে ইছাক সুধিলে— "হেৰ মানুহটো, এইটো সঁচা নে যে তই প্ৰজাবোৰক ৰজাৰ বিপক্ষে উদগাই ৰাজদ্ৰোহ কৰিবলৈ শিকাইছ, যাতে তই নিজে ইজ্ৰেলৰ ৰজা হব পাৰ?"

ইছাই উত্তৰ দিলে:—মই স্বৰ্গৰ ৰজাৰ বাহিৰে আন ৰজাৰ কথা কেতিয়াও কোৱা নাই, আৰু প্ৰজাবোৰক সেই ৰজাক পূজা কৰিবলৈ শিকাইছো।

এনেতে সাক্ষি উপস্থিত কৰা হল। এটা সাক্ষিয়ে কলে —"তুমি প্ৰজাবোৰক কৈছিলা যে যি ৰজাই ইজ্ৰেলাইটবোৰক বিধৰ্ম্মীৰ দাসত্বৰ পৰা মুক্ত কৰিব সেই ৰজাৰ ক্ষমতাৰ আগত পাৰ্থিব ক্ষমতা একোৱেই নহয়।"

আন এটা সাক্ষিয়ে কলে:—"তুমি নাই কোৱা নে যে স্বৰ্গৰ ঈশ্বৰে তোমাক প্ৰজাবোৰক শিক্ষা দিবলৈ পঠিয়াই দিছে; আৰু এই কথাৰ দ্বাৰাই তুমি ইজ্ৰেলৰ ৰাজক্ষমতাৰ দাবি কৰাটো বুজোৱা নাই নে?" ইছাই এই কথা শুনি সাক্ষিটোক কলে —"ঈশ্বৰে তোক ক্ষমা কৰিব; কাৰণ তই যি [illegible]ই কথা তোৰ পৰা ওলোৱা নাই।"

ইয়াৰ পিছত ইছাই গৱৰ্ণৰৰ ফালে চাই কলে:— "তুমি তোমাৰ তলতীয়াক মিছাত থাকিবলৈ শিকাই নিজৰ মান খৰ্ব্ব কৰিছা কিয়? কাৰণ এনে নকৰিলেও দেখোন তুমি এজন নিৰ্দ্দোষী মানুহক দণ্ড দিব পাৰা।"

ইছাৰ এনে কথা শুনি গৱৰ্ণৰৰ বৰ খং উঠি, তেতিয়াই ইছাৰ প্ৰাণদণ্ডৰ হুকুম দিলে। ৰজাৰ হুকুম পাই সৈন্যবোৰে ইছাক ধৰি নি, আৰু লগতে দুটা চোৰক নি, ফেৰেঙনি-শালত (Cross) গজালিলে। বেলি মাৰ যোৱাৰ সময়ত ইছাৰ যন্ত্ৰনাৰ ওৰ পৰিল, আৰু তেওঁ ইহসংসাৰ পৰিত্যাগ কৰিলে। ইয়াৰ পিছত কিন্তু পাইলেটে তেওঁৰ কৃতকাৰ্য্যৰ নিমিত্তে ভীত হৈ ইছাৰ শৱটো ইছাৰ বঙহ-পৰিয়ালৰ মানুহক দি দিলে, আৰু তেওঁলোকে সেই ঠাইতে কবৰ দিলে। প্ৰজাবোৰে সেইখিনিতে গোটখাই কন্দা-কটা কৰিবলৈ ধৰিলে, আৰু ঈশ্বৰৰ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। ইয়াৰ তিনিদিনৰ পিছত গৱৰ্ণৰে ইছাৰ শৱটো তাৰপৰা খনাই নি আন ঠাইত পুতিবলৈ হুকুম দিলে, কাৰণ তেওঁৰ ভয় হল, পাছে প্ৰজাবোৰ আৰু উত্তেজিত হৈ পৰে।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

## ওমাৰ তীৰ্থ

কত প্ৰিয়জন যতনেৰে যাক চেনেহৰ মালা পিন্ধালো আহি,
কত ভাগ্যবান জগতত যাৰ গোটেই জীৱন মধুৰ হাঁহি,
খন্তেকৰ আগে জীৱনৰ সুধা ঢালি আপোনাৰ পিয়লা ভৰি,
কোন দেশলই গল তেওঁলোক আলহীঘৰৰ আসন এৰি !

তেওঁলোকে সেই এৰা-আসনতে যত লগৰীয়া ৰঙতে আজি
হাঁহিছো গাইছো পিয়লা ভৰাই মিলিছো ৰঙৰ সাজেৰে সাজি।
দুদিনৰ পাছে সকলোৰে শেষ, মিলনৰ ঠাই মৰণপুৰী—
আমাৰ পাছতো আৰু কতজনে বহিব ইদৰে আসন জুৰি !

ধূলিৰ লগতে মিলিব যেতিয়া খন্তেকীয়া ই জীৱন মোৰ
যাওক তেন্তে আহি সুৰাৰ সোঁততে নপৰক যেন সুখৰ ওৰ।
আহিলে মৰণ যাবই লাগিব—আন্ধাৰ পুৰীৰ কোনোবা দেশ
নাই য'ত সুৰা নাই য'ত গান—অজান দেশৰ ক'তনো শেষ !

কোনোবা বলিয়া সুখ সুখ কৰি এই পৃথিবীকে সাবটি ধৰি
কোনোৱে ভাবিছে মৰণৰ পাছে পাম সঁচাকৈয়ে সুখৰ পুৰী!
তইঁতৰ সুখ নাই ক'তো হেৰ, নিঠুৰ মৰণে চিঞৰি কয়
মূৰ্খ তইঁত অলীক ভাবনা ভাবি কৰ কিয় জীৱন ক্ষয়।

ইপুৰী সিপুৰী বুজালে বহুত জ্ঞানৰ গভীৰ তৰ্ক কৰি
কত আজি সেই সাধু-মহাজন কোনে আজি মাত নিলেনো হৰি !
কত সিসৰৰ অতীত বিধান হাঁহি-তিলিকতে কেনিবা গ'ল
মাটিৰ মানুহ মাটিয়ে ঢাকিলে মাটিৰ লগতে মিহলি হল

(আগলৈ)

"যদু"

## ভুল-শুধৰণী

৩৫ পৃষ্ঠাত 'ক্ৰইষ্টাৰ এণ্ড দি হেল্থ'ৰ ঠাইত—ক্ৰইষ্টাৰ এণ্ড দি হাৰ্থ। ৪৫ পৃষ্ঠাত ১ম শাৰীৰ সম্পূৰ্ণাধ্যায়ৰ ঠাইত— সুপৰ্ণাধ্যায়
৪৭ পৃষ্ঠাত ৫ম শাৰীৰ 'ইটালিক্স'ৰ ঠাইত—*Tsar Feodor Ivanovich*


## চুলিৰ নিমিত্তে কেশৰঞ্জন



কিয়নো — কেশৰঞ্জনে যেনেকৈ চুলি কোমল, কেকোৰা, নিমজ আৰু ঘোৰ কলা কৰিব পাৰে— এনেকৈ আন একোৱেই নোৱাৰে। কেশৰঞ্জন সদাই ঘঁহিলে চুলিসৰা গুচে, টপা গুচায়, চুলিৰ গুৰি শকত কৰে, বুঢ়া কালতো উঠি অহা ডেকাব নিচিনা শ্ৰী হয়।

## গ্ৰহৰ বিপাকত কুবুদ্ধিৰ সঞ্চাৰ।

বৰ বুধিয়ক প্ৰাণীকো গ্ৰহৰ বিপাকত কু-বুদ্ধিয়ে ধৰে। কিন্তু তাৰ ফল তেৱেঁই ভোগ কৰিব লাগে। মিৰমিৰিয়া জ্বৰ উঠিছে, দিনে ৰাতিয়ে আছেই, তাৰ উপৰিও থাপৰি আগ-মঙহ বাঢ়ি গৈছে, শৰীৰৰ দিনে দিনে জকা ওলাইছে, মুখৰ বৰণ দেলা হৈছে, শৰীৰত তেজ নাই, মূৰ দাঙিলে মূৰ ঘূৰে, এনে মেলেৰিয়া জ্বৰে হাৰ মঙহ ভেদিছে তথাপি বজাৰৰ সস্তা দামৰ পেটেণ্ট দৰব কিনি ক্ষৰক হোচা দি পৰলৈ চেষ্টা কৰা আৰু পৰামৰ্শ দিওতাৰ অভাৱ নাই। এজনে কৰ অমুকটো দৰব খোৱাঁ, আন জনে কৰ অমুক দৰবটো বৰ উপকাৰী। সৰল বিশ্বাসত আমাৰ "পঞ্চতিক্ত বটিকা" ব্যৱহাৰ কৰক—সাদিনৰ ভিতৰত স্থায়ী গুণ পোৱাৰ সম্ভৱ। দাম প্ৰতি টেমাত এটকা, ডাক মাচুল—তিনি অনা।

## নিৰাশাত আশাৰ কথা—বিনামূল্যত ব্যৱস্থা।

মফঃস্বলৰ ৰোগীসকলে একঅনীয়া টিকট সহ অৱস্থা লিখি পঠালে মই নিজে ব্যৱস্থা পঠাও। আমাৰ ঔষধালয়ত তেল, ঘিউ, আসব, অৰিষ্ট, জাৰিত, শোধিত, ধাতু দ্ৰব্যাদি, স্বৰ্ণঘটিত মকৰধ্বজ আৰু গান্ধককলাই আদি সদায় সস্তা দামত পোৱা যায়।—

কবিৰাজ—নগেন্দ্ৰনাথ সেন
আয়ুৰ্ব্বেদিক ঔষধালয়
১৮।১ ও ১৯ নং লোৱাৰ চিৎপুৰ ৰোড
কলিকতা।

THE BANHI.
**Regd. No. C. 845.**

## জে, এন, মুখাৰ্জ্জীৰ

ত্ৰিশ বছৰৰ পৰীক্ষিত আৰু বহুজন প্ৰশংসিত

চকুমাৰ্কা ৰেজিষ্টাৰ্ড

## "আই কিওৰ"

সকলোবিধ চকুৰ ৰোগৰ অব্যৰ্থ মহৌষধ।

ইয়াৰ দ্বাৰাই, চকু নমা, চকু ৰঙা হোৱা, খপেচোৱা, সদায় পানী ওলোৱা, পোহৰৰ ফালে চাবলৈ কষ্ট বোধ কৰা, ক্লেদ ওলাই চকুৰ পতা জাপ খাই থকা, দুৰ্ব্বলাকুৰ্ব্বলী দেখা, ছানি, নেত্ৰনালি ইত্যাদি যাবতীয় চকুৰ বেমাৰ অতি অলপ সময়তে ভাল হয়। ইয়াত কোনোৰকমৰ দোষিত পদাৰ্থ নাই আৰু ব্যৱহাৰ কৰোতে জলাপোৰা নকৰে। বেচ দুই ড্ৰামৰ চিচাত ।০, ৪ ড্ৰামৰ ।৵০ অনা, ১ আউন্স ॥৵০ আনা মাত্ৰ। এক আউন্সৰ কমে ভিঃ পিঃ কৰা নহয়। পেকিং ডাকমাচুল বেলেগ।

ৰাঠাই—মাতৃ হোমিও ঔষধালয়,

কলেজ ৰোড, কুমিল্লা।

---

**ইঙ্ক ট্যাবলেট**—প্ৰতি গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টেমাত ভৰোৱা থাকে ব্লুব্লাক, ৰঙা, সবুজ, ভায়লেট প্ৰতিগ্ৰোছ ১৲ মাঃ ।০ অনা। স্বৰ্ণময়ী ইঙ্কষ্টোৰ, পোঃ ইটালী কলিকতা।

---

**বিনামূল্যত ক্ষুৰ**—প্ৰতি ট্যাবলেটত এক দোৱাত খুব ভাল ব্লুব্লেক চিয়াঁহী হয়। এক গ্ৰোছ মুদ্ৰিত সুৰক্ষিত টিনৰ বাকচত প্যাক কৰা মূল্য ১৵০ মাচুল ।৶০; ইয়াৰ লগত বহুদিনলৈ ভালে থকা আৰু খুব ধাৰাল 'হলো গ্ৰাউণ্ড' খুব এখন খাপে সৈতে বিনা মূল্যত দিয়া হব।

ষ্টুডেণ্ট কোং ৭৮৮৯ নং পোষ্ট বক্স—বৌবাজাৰ, কলিকাতা।

---

**ৰবীন ওৱাচ**—ই মুখখোলা, চাবিবিহীন, উৎকৃষ্ট জুয়েল থকা, মজবুত কল বিশিষ্ট ঠিক সময় দিয়া, বহুদিনলৈ ভালে থকা। মূল্য ১নং ১০৲; ২নং ৫৲; ৩নং ৪৲; মাচুলাদি ।৵০ অনা।

ৰবীনস্যান এণ্ড কোং ১৪নং ডিহি শ্ৰীৰামপুৰ ৰোড্ কলিকাতা।

---

**কালি**—প্ৰতি বড়ীৰে ডদোৱাত খুব ডাঠ চিয়াঁহী হয়। ব্লুব্লেক ৫০০ টা ॥৵০ মাঃ ।৵০ বেগুণী ৫০০ টা ১।০ মাঃ ।৵০ অনা ষ্টুডেণ্টস্ কোং পোষ্ট বহুবাজাৰ

৭৮৮৯ নং বাক্স, কলিকাতা।

---

**জলছবি**—হুটিলে মূল্য ঘূৰাই দিম। দেব-দেবী, গান্ধি, চিত্তৰঞ্জন, ফল-ফুল, জীৱ-জন্তু প্ৰভৃতিৰে ভৰা খুব ডাঙৰ ১২ ছিট ॥/০ মাঃ ।/০ ৩৬ ছিট ১।০ মাঃ ।৵০, ৭২ ছিট ২।০ মাঃ ॥৵০। ৰবীন এণ্ড কোং, পোঃ ইটালী, কলিকাতা।

---

Edited by Sj. Lakshminath Bezbaroa B. A.
Printed and Published by DUTIRAM MEDHI at THE NEW PRESS,
GAUHATI.